


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা





দ্বাদশ বছৰ ■ সংখ্যা ৩০১ ■ গুৱাহাটী ■ শুকুৰবাৰ, ১০ জুন, ২০২২, ২৬ জেঠ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 301 Dainandin Barta ■ Guwahati, Friday ■ 10 June, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only






ফাৰ্মাচিষ্টৰ কলম

■ ৰিপণ জামান
(বি, ফাৰ্ম প্ৰেক্টিছ)

## Exit exam. কিয় ? Entrance কিয় নহয় ?

হ'ল আজি প্ৰায় চাৰি-পাচ মাহ, তথ্য জনাৰ অধিকাৰ আইনৰ জৰিয়তে অসম ফাৰ্মাচী পৰিষদৰ পৰা লাভ কৰা এক তথ্য বা এখন তালিকা ছ'চিয়েল মিডিয়াত এজনে প্ৰচাৰ কৰিছিল য'ত ৪০ৰ ঊৰ্দ্ধৰ ব্যক্তিয়েও নতুনকৈ অসম ফাৰ্মাচী পৰিষদত ফাৰ্মাচিষ্ট হিচাপে পঞ্জীয়ন কৰিবলৈ সুবিধা পাইছিল। আনকি এজন নে দুজন পঞ্চাশৰো ঊৰ্দ্ধৰ আছিল। দেখি আমিও হতভম্ব হৈছিলোঁ। অসম ফাৰ্মাচী পৰিষদৰ সততাৰ ওপৰতো সন্দেহ উপজিছিল। সদুত্তৰ ■ ৮ পৃষ্ঠাত





গেৰুৱাত বিধ্বংসী অগ্নিকাণ্ডত ভস্মীভূত বাসগৃহসহ সকলো সা-সামগ্ৰী

# কিতাপ-পত্ৰ জুইত ভস্মীভূত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৯ জুন ঃ** মৰিগাঁও জিলাৰ গেৰুৱাত কালি নিশা সংঘটিত এক ভয়ানক অগ্নিকাণ্ডত এটি পৰিয়ালৰ সকলো সা-সামগ্ৰী সম্পূৰ্ণ ভস্মীভূত হয়। জানিব পৰা মতে, ঘৰৰ ভিতৰত সকলো শুই থকা অৱস্থাত নিশা একমান বজাত গেৰুৱাৰ অজয় চৌহানৰ ঘৰত দাও দাওকৈ জুই জ্বলি উঠে। গাত জুইৰ তাপ লগাত পৰিয়ালৰ লোকে সাৰ পাই কোনোমতে ঘৰৰ পৰা আঠজনকৈ লোকে ওলাই প্ৰাণ ৰক্ষা কৰে যদিও গাত থকা কাপোৰ সাজৰ বাদে কোনো সামগ্ৰীয়ে উদ্ধাৰ কৰিব নোৱাৰিলে পৰিয়ালটোৱে। গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যয়নৰত পৰিয়ালটোৰ পাঁচ সন্তানে ■ ৮ পৃষ্ঠাত

জিৰ' উপত্যকাত আন্তৰ্জাতিক যোগ দিৱস-২০২২ৰ ১২ দিনৰ গণনাৰ অংশ হিচাপে যোগ প্ৰদৰ্শন কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ

# যোগে মন আৰু শৰীৰৰ উৎকৰ্ষ সাধন কৰে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৯ জুন ঃ** কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ তথা আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আন্তৰ্জাতিক যোগ দিৱস-২০২২ৰ ১২ দিনৰ গণনাৰ অংশ হিচাপে অৰুণাচল প্ৰদেশৰ মনোৰম জিৰ' উপত্যকাত অনুষ্ঠিত যোগ উৎসৱত যোগদান কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে আজি পুৱা যোগ উৎসৱত অৰুণাচল প্ৰদেশ চৰকাৰৰ শিক্ষা, সাংস্কৃতিক পৰিক্ৰমা, খিলঞ্জীয়া পৰিক্ৰমা মন্ত্ৰী তাবাতেদিৰ, অৰুণাচল প্ৰদেশ চৰকাৰৰ কৃষি, উদ্যান শস্য, পশুপালন আৰু পশু চিকিৎসা মন্ত্ৰী টেজ টেকীৰ লগতে অন্যান্য যোগ উৎসাহীসকলেও অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান ■ ৮ পৃষ্ঠাত



# ১৮ জুলাইত ৰাষ্ট্ৰপতি নিৰ্বাচন

২১ জুলাইত গণনা

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৯ জুন ঃ** বৰ্তমানৰ ৰাষ্ট্ৰপতি ৰামনাথ ক'বিন্দৰ কাৰ্যকাল ২৪ জুলাইত শেষ হ'ব। সেই বাবেই নতুন এগৰাকী ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে আজি মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে দিন ঘোষণা কৰে। মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোটগ্ৰহণ ১৮ জুলাইত অনুষ্ঠিত হ'ব। ইয়াৰ বাবে ১৫ জুনত জাননী জাৰি কৰা হ'ব। সেইদৰে, ২৯ জুন মনোনয়ন দাখিলৰ অন্তিম তাৰিখ। ■ ৮ পৃষ্ঠাত



*চাইবাৰ ছেফটীৰ সজাগতা অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰিছে ডি জি পি ভাস্কৰজ্যোতি মহন্তই*

## নুমলীগড় শোধনাগাৰৰ অসম বায়' ৰিফাইনেৰীৰ মুখ্য প্ৰৱেশদ্বাৰত শ শ নিৰ্মাণ শ্ৰমিকৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ৯ জুন ঃ** বুধবাৰে নুমলীগড় শোধনাগাৰৰ অসম বায়' ৰিফাইনেৰীৰ মুখ্য প্ৰৱেশদ্বাৰত অসম বায়' ৰিফাইনেৰীৰ শ শ নিৰ্মাণ শ্ৰমিকে সভাৰ জৰিয়তে সাব্যস্ত কৰে তীব্ৰ ■ ৮ পৃষ্ঠাত

ব্যাপক ৰূপত দপ্তৰ সালসলনি ঃ বৰ্ষপূৰ্তিৰ পিছত সোঁ-বাঁওহাত সম্পূৰ্ণ কৰিলে মুখ্যমন্ত্ৰীয়ে ঃ আশাহত বহুজন

খালী থাকিল ৩টা মন্ত্ৰীপদ

মন্ত্ৰী হিচাপে জয়ন্ত মল্ল-নন্দিতা গাৰ্লোছাৰ শপত

# মন্ত্ৰীসভা হ'ল ১৬জনীয়া



**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৯ জুন ঃ** ৰাজ্যৰ বৰ্তমানৰ চৰকাৰখনৰ প্ৰথম বৰ্ষপূৰ্তিৰ এমাহৰ ব্যৱধানতে মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ আৰু ৰদবদল ঘটোৱা হ'ল। ২০২১ বৰ্ষৰ ১০ মে'ত ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ১৪ জনীয়া মন্ত্ৰীসভাই শপত লৈছিল। খালি আছিল পাঁচটাকৈ মন্ত্ৰীপদ। প্ৰথম বৰ্ষপূৰ্তিৰ পিছতে আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ প্ৰেক্ষাগৃহত জনাকীৰ্ণ পৰিৱেশত প্ৰথমটো সম্প্ৰসাৰণ কাৰ্যসূচীৰ শপতগ্ৰহণ ৰূপায়ণ কৰা হয়। ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱালে নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱা আৰু হাফলঙৰ বিধায়িকা ■ ৮ পৃষ্ঠাত



## আইআইটি, গুৱাহাটীৰ আন্তৰ্জাতিক ৰেংকিং উন্নত

## কিউ এছ ৰেংকিং ২০২৩ত ১১সংখ্যক স্থানলৈ আৰোহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৯ জুন ঃ** ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (আই আই টি) গুৱাহাটীয়ে কিউ এছ ৱৰ্ল্ড ইউনিভাৰ্ছিটী ৰেংকিং (ডব্লিউইউআৰ) ২০২৩ত ১১সংখ্যক স্থানত উপনীত হৈছে। আইআইটি গুৱাহাটীয়ে সামগ্ৰিক ৰেংকিঙত বিশ্বৰ ৩৮৪সংখ্যক স্থান লাভ কৰিছে। কিউ এছ বিশ্ববিদ্যালয় ৰেংকিং ২০২৩ 8 জুন, ২০২২ত প্ৰকাশ কৰা হৈছে। ইণ্ডিয়া ৰেংকিং ২০২১ত দেশৰ শ্ৰেষ্ঠ অভিযান্ত্ৰিক প্ৰতিষ্ঠানসমূহৰ ভিতৰত আইআইটি গুৱাহাটীয়ে সপ্তম স্থান অক্ষুণ্ণ ৰাখিছে। ২০২১ চনতো ■ ৮ পৃষ্ঠাত



## হালোৱাটিঙত বিদ্যুৎ বিভাগৰ কৰ্মচাৰীক গুৰুলা গুৰুলকৈ প্ৰহাৰ

এজাহাৰ দাখিল

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ৯ জুন ঃ** শিৱসাগৰ জিলাৰ হালোৱাটিঙত আজি বিদ্যুৎ বিভাগৰ এগৰাকী কৰ্মচাৰীক বিদ্যুতৰ বিল দিবলৈ যাওঁতে এজন ব্যক্তিয়ে গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰা কাৰ্যই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে ■ ৮ পৃষ্ঠাত

মুখ্যমন্ত্ৰীৰ পৌৰোহিত্যত পদ পূৰণৰ বৈঠক

## ৭ আগষ্টত চতুৰ্থ বৰ্গ, ২১ আগষ্টত তৃতীয় বৰ্গৰ পৰীক্ষা



■ আৱেদন কৰা প্ৰাৰ্থীৰ সংখ্যা

তৃতীয় বৰ্গৰ বাবে ৬,৭১,৮০৫ গৰাকীৰ আৰু চালক পদৰ বাবে ৭৭,০৪৯ গৰাকীৰ ঃ চতুৰ্থ শ্ৰেণীৰ পদৰ বাবে ৪,৪৩,৬৫৫ গৰাকীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৯ জুন ঃ** অসম চৰকাৰৰ চতুৰ্থ আৰু তৃতীয় বৰ্গৰ খালী থকা পদসমূহ পূৰণৰ বাবে ৰাজ্য চৰকাৰে পৰীক্ষাৰ দিন নিৰ্দ্ধাৰণ কৰিছে। অহা ৭ আগষ্টত চতুৰ্থ বৰ্গ আৰু ২১ আগষ্টত তৃতীয় বৰ্গৰ পদসমূহ পূৰণৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত তৃতীয় শ্ৰেণী আৰু চতুৰ্থ বৰ্গৰ পদত নিযুক্তিৰ বাবে ■ ৮ পৃষ্ঠাত

সোণতলীত ভূমিকেন্দ্ৰিক সংঘাতৰ ভয়ংকৰ পৰিণতিত নিহত ১

# উত্তেজিত ৰাইজে জ্বলালে কেইবাটাও পৰিয়ালৰ ঘৰ-দুৱাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো আৰু সোণতলী, ৯ জুন ঃ** বকো সমষ্টিৰ অন্তৰ্গত কিছমত কাঠমীত আজি পুৱা এডোখৰ ভূমিক লৈ দুটা ফৈদৰ মাজত হোৱা ভয়ংকৰ সংঘৰ্ষত এজন লোক নিহত হোৱাৰ লগতে কেইবাজনো লোক গুৰুতৰভাৱে আহত হয়। জানিব পৰা মতে সোণতলীৰ কিছমত কাঠমী গাঁৱত আজি পুৱা প্ৰায় ৬.৩০ বজাত আলী আকবৰ নামৰ ■ ৮ পৃষ্ঠাত



যোগীঘোপাৰ খোৰাগাঁৱত আদৰ্শ আৱাসিক বিদ্যালয়ৰ ভূমি আবণ্টন

## দুই ফৈদৰ সংঘাতত মহিলাসহ আহত ৩

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ৯ জুন ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপা থানাৰ অন্তৰ্গত খোৰাগাঁৱত এখন আদৰ্শ আৱাসিক বিদ্যালয়ৰ নামত ভূমি আবণ্টনক লৈ কালি দুটা ফৈদৰ মাজত সংঘটিত হয় এক মাৰপিটৰ ঘটনা। নিয়োজিত আৰক্ষীৰ উপস্থিতিতে সংঘটিত এই ঘটনাত মহিলাসহ তিনিজন লোক গুৰুতৰভাৱে আহত হয়। পিছত উত্তৰ শালমাৰা ■ ৮ পৃষ্ঠাত

## মৰিয়নিত দ্বিতীয় দিনাও মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰক শাখাৰ অভিযান



মৰিয়নিত দুৰ্নীতি নিবাৰকৰ তদন্তক লৈ প্ৰতিক্ৰিয়া ৰূপজ্যোতি কুৰ্মীৰ— ২০১১ৰ পৰা কিয়, ২০০৬ৰ পৰা তদন্তৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ৯ জুন ঃ** মৰিয়নি সমষ্টিত ২০১১ চনৰ পৰা ২০১৭ চনলৈ বিধায়ক পুঁজিৰ ব্যৱহাৰত ব্যাপক অনিয়ম হোৱা বুলি উঠা অভিযোগৰ ভিত্তিত মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰক শাখাৰ তীব্ৰ অভিযান। কংগ্ৰেছৰ বিধায়ক হৈ থকা সময়ত বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ বিৰুদ্ধে বিধায়ক পুঁজি ব্যৱহাৰত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈ আহিছিল। কংগ্ৰেছ দলৰ পৰা তিনিবাৰকৈ বিধায়ক হোৱা কুৰ্মী ২০২১ চনত কংগ্ৰেছ দলৰ পৰা পুনৰ বিধায়ক হিচাপে নিৰ্বাচিত হয়। কিন্তু বিধায়ক হোৱাৰ কেইমাহ ■ ৮ পৃষ্ঠাত

## দিন-দুপৰতে নগাঁৱত অসমীয়া ব্যৱসায়িক বৰ্বৰোচিতভাৱে আক্ৰমণ

বীৰ লাচিত সেনাৰ হুংকাৰ

খিলঞ্জীয়াৰ ওপৰত হোৱা আক্ৰমণ কোনো কাৰণতে সহ্য কৰা নহ'ব

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৯ জুন ঃ** দিন-দুপৰতে নগাঁও চহৰৰ মাৰোৱাৰীপট্টীত এগৰাকী অসমীয়া ব্যৱসায়ীক প্ৰহাৰ কৰা ঘটনাক লৈ চহৰখনত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, নগাঁও চহৰৰ মাৰোৱাৰীপট্টীৰ এঞ্জেল কম্পিউটাৰ নামৰ দোকানখনৰ স্বত্বাধিকাৰী মণ্টু দাসে পূৰ্বাঞ্চল ■ ৮ পৃষ্ঠাত

## ১০০ বছৰৰ পিছত অৰুণাচলত পুনৰ দেখা গ'ল 'লিপষ্টিক ট্ৰী'



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৯ জুন ঃ** বিৰল উদ্ভিদৰ ভাণ্ডাৰ অৰুণাচল। অৰুণাচলৰ হাবিত আজিও এনে বহু উদ্ভিদ আছে যিবোৰৰ কথা হয়তো এতিয়াও পোহৰলৈ অহাই নাই। তেনে এবিধ গছেই এশ বছৰৰ পিছত অৰুণাচল প্ৰদেশত পোৱা গৈছে। গছ বিধৰ নাম 'লিপষ্টিক ট্ৰী'। ইয়াক এসময়ত 'ইণ্ডিয়ান লিপষ্টিক প্লাণ্ট' বা ইণ্ডিয়ান লিপষ্টিক প্লাণ্ট বুলি ■ ৮ পৃষ্ঠাত

মাংকি পক্সৰ সামূহিক সংক্ৰমণৰ কথা স্বীকাৰ কৰিলে বিশ্ব স্বাস্থ্য সংস্থাই

# ২৯ দেশৰ ১,০০০ৰো অধিক লোক আক্ৰান্ত

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৯ জুন ঃ** বিশ্বত এতিয়ালৈকে ২৯খন দেশৰ ১,০০০ৰো অধিক লোকক ত্ৰাসৰ সৃষ্টি কৰা মাংকি পক্সত আক্ৰান্ত হৈছে। মাংকি পক্সৰ ইতিমধ্যে সামূহিক সংক্ৰমণ ঘটাৰ কথা বিশ্ব স্বাস্থ্য সংস্থাই স্বীকাৰ কৰিছে। বিশ্ব স্বাস্থ্য সংস্থাই আজি ৰোগ বিধৰ সন্দৰ্ভত কয় যে কেইখনমান দেশত মাংকি পক্সৰ সামূহিক সংক্ৰমণ ঘটিছে। এনে পৰিস্থিতিত শিশু আৰু গৰ্ভৱতী মহিলাসকলে সতৰ্ক হৈ থকা ভাল বুলি বিশ্ব স্বাস্থ্য সংস্থাই সাৱধান কৰি দিছে। এনে সময়তে বিশ্ব স্বাস্থ্য সংস্থাই কয় যে 'শিশু আৰু গৰ্ভৱতী ■ ৮ পৃষ্ঠাত



## চৰকাৰী ভূমি বেদখল কৰি প্ৰকাণ্ড পকী ঘৰ সজাৰ অভিযোগ

বিহালীত বেদখলকাৰীৰ কবলত ৬৪০ বিঘা চৰকাৰী ভূমি

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ৯ জুন ঃ** বিশ্বনাথত অব্যাহত আছে চৰকাৰী ভূমি বেদখল কাৰ্য। জিলাখনৰ একাংশ সমষ্টিত হাজাৰ হাজাৰ চৰকাৰী ভূমি বেদখল কৰা তথ্য পোহৰলৈ আহিছে তথ্য জনা অধিকাৰ আইনৰ অধীনত। তথ্য অনুসৰি, সচেতন যুৱক আকাশ কলিতাই বিশ্বনাথ ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ পৰা লাভ কৰা তথ্য অনুসৰি বিহালী সমষ্টিৰ ■ ৮ পৃষ্ঠাত




# পি পি ই কিট কেলেংকাৰীৰ ন্যায়িক তদন্ত আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পদত্যাগৰ দাবীত আপৰ বিক্ষোভ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৯ জুন ঃ** দ্য ক্ৰচ্ছ কাৰেন্ট আৰু দ্য ৱায়াৰে ফাদিল কৰা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ পৰিয়ালৰ নাম সাঙোৰ খাই পৰা পি পি ই কিট কেলেংকাৰীৰ চিবিআই তদন্তৰ লগতে মুখ্যমন্ত্ৰীৰ পদত্যাগৰ দাবীত আজি গণেশগুৰিত আম আদমি পাৰ্টীয়ে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। আপৰ পাঁচ শতাধিক সদস্যই আজি গণেশগুৰিত 'বিজেপি চৰকাৰ হায় হায়, বিজেপি গ' বেক, পিপিই কিট কেলেংকাৰীৰ ন্যায়িক তদন্ত কৰক', 'মুখ্যমন্ত্ৰীয়ে পদত্যাক কৰক' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। দলটোৱে ৰাজ্য চৰকাৰৰ বিৰুদ্ধে বিভিন্ন বেনাৰ, প'ষ্টাৰ, প্লে-কাৰ্ড আদি প্ৰদৰ্শন কৰে। আম আদমি পাৰ্টীৰ তৰফৰ পৰা অভিযোগ উত্থাপন কৰা হয় যে হিমন্ত বিশ্ব শৰ্মা যেতিয়া ২০২০ চনত অসমৰ স্বাস্থ্যমন্ত্ৰী আছিল, তেতিয়া তেওঁৰ পত্নীৰ কোম্পানী জে টি বি ইণ্ডাষ্ট্ৰিজ আৰু তেওঁৰ পৰিয়ালৰ সহযোগী কোম্পানী 'মেডিটাইম হেলথ কেয়াৰে এটাতে ৯৯০ টকাকৈ পিপিই কিট যোগানৰ ঠিকা লাভ কৰিছিল। চৰকাৰে কিচসমূহ এটাত ৬০০ টকা দৰত কিনাৰ অৱকাশ থকাৰ পিছতো এনে কৰা হৈছিল। এই ঘটনাৰ চিবিআই তদন্ত বিচাৰিছে দলটোৱে। দলটোৱে অভিযোগ কৰে যে হিমন্ত বিশ্ব শৰ্মা স্বাস্থ্যমন্ত্ৰী হৈ থকা চৰকাৰৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ব্লেক লিষ্টেড কৰা ৰাজীৱ বৰাৰ মালিকাধীন এজাইল এছ'চিয়েচনক হিমন্ত বিশ্ব শৰ্মাই ২০২০ চনৰ ১০ এপ্ৰিলত পিপিই কিট যোগানৰ অনুমোদন দিছিল ২,২০৫ টকাকৈ। আম আদমি পাৰ্টীয়ে বৰ্তমানৰ মুখ্যমন্ত্ৰীগৰাকীক অসমৰ সৰ্বকালৰ মিছলীয়া মুখ্যমন্ত্ৰীৰূপে পৰিগণিত হৈছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰি চৰকাৰ বিৰোধী ধ্বনিৰে পৰিৱেশ উত্তাল কৰি তোলে। এই সন্দৰ্ভত আপৰ ৰাজ্যিক সমন্বয়ক ডাঃ ভবেন চৌধুৰীয়ে চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পদত্যাগ দাবী কৰে আৰু তেওঁৰ পত্নী ৰিণিকি ভূঞা আৰু ঘনশ্যাম ধনুকাৰ কোম্পানীৰ বিৰুদ্ধেও তদন্ত কৰি সেইসকলক গ্ৰেপ্তাৰ কৰিব লাগে বুলি দাবী জনায়। ৰাজ্যিক সমন্বয়ক গৰাকীয়ে জনায় যে এই কেলেংকাৰী পোহৰলৈ অহাৰ পিছত মুখ্যমন্ত্ৰীয়ে পিপিই কিটসমূহ তেওঁৰ পত্নীয়ে দান দিয়া বুলি কয়। কিন্তু দান দিয়া সামগ্ৰীৰ 'ৰ্বক অৰ্ডাৰ' থাকে বুলি প্ৰশ্ন কৰে ডাঃ চৌধুৰীয়ে। এগৰাকী জনপ্ৰতিনিধি হৈ মুখ্যমন্ত্ৰীয়ে এই কেলেংকাৰীত জড়িত থাকি ভয়ংকৰ অপৰাধ সংঘটিত কৰিছে। এই কেলেংকাৰীত তেওঁৰ পত্নী, পুত্ৰ নন্দিলবিশ্ব শৰ্মা, এজাইল এছ'ছিয়েটৰ স্বত্বাধিকাৰী ৰাজীৱ বৰা, জি আৰ ডি ফৰ্মাচিউটিকেলছৰ স্বত্বাধিকাৰী ঘনশ্যাম ধনুকা পত্যক্ষভাৱে জড়িত হৈ ৰাজহুৱা ধন আত্মসাৎ কৰিছে বুলি অভিযোগ দিয়ে দলটোৱে। অকল পিপিইকিটেই নহয়, ক'ভিডৰ সময়ছোৱাত ছেনিটাইজাৰ যোগানৰ নামতো ভয়ংকৰ কেলেংকাৰী সংঘটিত হৈছিল। সেই সময়ছোৱাত ৩৭ টকীয়া ছেনিটাইজাৰ ২৩১ টকাত যোগান ধৰিবলৈ ঘনশ্যাম ধনুকাৰ প্ৰতিষ্ঠানক ঠিকা দিয়া হৈছিল। সেয়ে আম আদমি পাৰ্টীয়ে আজি প্ৰতিবাদৰ জৰিয়তে সমগ্ৰ ঘটনাৰ উচিত তদন্তৰ দাবী কৰিছে।

বকোত অসম গণ পৰিষদৰ বকো বিধান পৰিষদৰ বিশেষ সাংগঠনিক সভা সম্পন্ন

# দলৰ শক্তি মজবুত কৰাৰ সংকল্প ঃ ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৯ জুন ঃ** অসমত জাতীয়তাবাদী আন্দোলনৰ প্ৰেক্ষাপটত গঠন হোৱা ৰাজনৈতিক দল অসম গণ পৰিষদৰ কামৰূপ জিলাৰ বকো বিধান পৰিষদৰ বিশেষ সাংগঠনিক সভাখন আজি সম্পন্ন হয়। অগপৰ বকো বিধান পৰিষদৰ মুখ্য কাৰ্য্যালয়ত আয়োজন কৰা সাংগঠনিক সভাত পৌৰোহিত্য কৰে বকো বিধান পৰিষদৰ সভাপতি পৰাণজ্যোতি দাসে। বকো বিধান পৰিষদৰ সাধাৰণ সম্পাদক ৰজিত বড়োই আঁত ধৰা সাংগঠনিক সভাত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে অসম গণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক তথা বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, দলৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক তথা বকো সমষ্টিৰ প্ৰাক্তন বিধায়ক জ্যোতিপ্ৰসাদ দাস, ৰাজ্য চৰকাৰৰ ৰাজ্যিক পণ্যাগাৰ নিগমৰ উপাধ্যক্ষ, অগপৰ কেন্দ্ৰীয় তথ্য আৰু প্ৰচাৰ সম্পাদক তথা যুৱ নেতা ড° তপন কুমাৰ দাস, দলৰ কেন্দ্ৰীয় সমিতিৰ কেইবাজনো বিষয় ববীয়া, বকো বিধান পৰিষদৰ কন্দৰ্প কলিতা আৰু জিলা পৰিষদৰ সদস্যা হিমাদ্ৰী পাঠক, জিলা সভাপতি পৰেশ বৰুৱা, দলীয় বিষয় ববীয়া খগেন নাথ, শ্ৰী কান্ত চৌধুৰী, শুভ ৰাম দাস আদিকে ধৰি বহুকেইজন নেতা।




উল্লেখ্য যে দলৰ বিশেষ সাংগঠনিক সভাত অনাগত দিনত অসম গণ পৰিষদ দলক অধিক গতিশীল কৰি তুলিবলৈ আৰু জনমুখী কৰাৰ বাবে দলীয় কৰ্মীসকলক আহ্বান জনায়। সভাত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু ড° তপন কুমাৰ দাসে দলত দলীয় নীতি-আদৰ্শ মানি দলৰ স্বাৰ্থত এৰা ধৰা কৰি অনাগত দিনত আগুৱাই যোৱাৰ আহ্বান জনায়। বকো বিধান পৰিষদৰ অন্তৰ্গত প্ৰতিখন আঞ্চলিক সমিতিৰ, পঞ্চায়ত সমিতিৰ আৰু প্ৰাণ পৰিষদ পৰ্যায়ৰ কৰ্মীয়ে অংশগ্ৰহণ কৰে। ইফালে গুৱাহাটী লোকসভা সমষ্টিৰ অন্তৰ্গত বকো বিধানসভা সমষ্টিৰ নিৰ্বাচনত দলীয় কৰ্মীক সমন্বয় ৰক্ষা কৰি দলীয় স্থিতি মজবুত কৰাৰ ব্যৱস্থা ল'বলৈ আহ্বান জনায়।

## মেট্ৰিকত ৯২ শতাংশ নম্বৰেৰে উজলিল টিংৰাইৰ বৈভৱ থাপা



**দৈনন্দিন বাৰ্তাৰ সেৱা, টিংৰাই, ৯ জুন ঃ** যোৱা ৭ জুনত ঘোষণা কৰা উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা ফলাফলত সুখ্যাতিৰে উত্তীৰ্ণ হৈ বৃহত্তৰ টিংৰাই অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিলে অঞ্চলটোৰ কীৰ্তিমান ছাত্ৰ বৈভৱ থাপাই। টিংৰাই ১নং অসমীয়া গাঁৱৰ নিৰ্বাসী পিতৃ আনন্দ কুমাৰ থাপা আৰু মাতৃ মৰুৰী থাপাৰ পুত্ৰ বৈভৱ থাপাই ডিগবৈ বিবেকানন্দ একাডেমী বিদ্যালয় পৰা এই বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ ছটা বিষয়ত লেটাৰ মাৰ্কসহ ৯২.৩৩ শতাংশৰে মুঠ ৫৫৪ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। বৈভৱ থাপাই সাধাৰণ গণিত বিষয়ত সৰ্বোচ্চ ১০০ নম্বৰ লাভ কৰা বিপৰীতে ঐচ্ছিক গণিতত ৯৭, সমাজ বিজ্ঞানত ৯৫, ইংৰাজীত ৯২, সাধাৰণ বিজ্ঞানত ৯০ আৰু অসমীয়া বিষয়ত ৮০ নম্বৰ লাভ কৰে। ডিগবৈ বিবেকানন্দ একাডেমী বিদ্যালয় ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰিবলৈ সক্ষম হোৱা বৈভৱ থাপাৰ এই ফলাফলত সমগ্ৰ অঞ্চলটোৰলৈ এই বৰ্ষত সুনাম কঢ়িয়াই আনে। বৈভৱ থাপাৰ এনে সফলতাৰ বাবে ডিগবৈ বিবেকানন্দ একাডেমী বিদ্যালয়সমূহ পৰিয়াল বৰ্গলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছে বৈভৱ থাপাৰ পিতৃ-মাতৃয়ে। লগতে কীৰ্তি ছাত্ৰ বৈভৱ থাপালৈ বিভিন্নজনে শুভেচ্ছা জ্ঞাপন কৰিছে। পঢ়া-শুনাৰ লগতে এগৰাকী উদীয়মান ফুটবল খেলুৱৈ হিচাপে অঞ্চলটোত পৰিচিত বৈভৱ থাপাই বৰ্তমান ডিগবৈ আৰ ডি জুনিয়ৰ কলেজত বিজ্ঞান শাখাত নাম ভৰ্তি কৰে, ভৱিষ্যতে উচ্চ শিক্ষা গ্ৰহণ কৰি এজন সফল দেশৰ নাগৰিক হোৱাৰ মন পুহি ৰাখিছে বুলি জানিবলৈ দিয়ে।

# বেংকে সমূহীয়াভাৱে কামৰূপ মহানগৰ জিলাৰ মুঠ ৩৭৫২ গৰাকী হিতাধিকাৰীলৈ মুঠ ২৯৮ কোটি টকাৰ ঋণৰ মঞ্জুৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৯ জুন ঃ** সমগ্ৰ দেশতে স্বাধীনতাৰ ৭৫ বছৰ পূৰ্তি উপলক্ষে সমগ্ৰ দেশত উদ্‌যাপন কৰি থকা 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি গুৱাহাটীতো কামৰূপ মহানগৰ অগ্ৰণী জিলা কাৰ্যালয়ৰ উদ্যোগত স্থানীয় আই টি এ প্ৰেক্ষাগৃহত জিলাখনৰ সকলো বেংক বিত্তীয় প্ৰতিষ্ঠান আৰু চৰকাৰী বিভাগৰ সক্ৰিয় অংশ গ্ৰহণেৰে আইকনিক সপ্তাহৰ অনুষ্ঠিত কৰিছে। এই বিশেষ সপ্তাহত উদযাপনৰ সৈতে সংগতি ৰাখি কালি সকলো বেংকেসমূহীয়াভাৱে জিলাখনৰ মুঠ ৩৭৫২ গৰাকী হিতাধিকাৰীক মুঠ ২৯৮ কোটি টকাৰ ঋণৰ মঞ্জুৰী পত্ৰ বিতৰণ কৰে। মুখ্য অতিথিৰ আসনত উপবিষ্ট কামৰূপ মহানগৰ জিলা অতিৰিক্ত উপায়ুক্ত কল্পনা ডেকাই জিলাখনৰ বেংকসমূহৰ কাম-কাজত যথেষ্ট সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে জিলাখনৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত তেওঁলোকৰ অৰিহণা অব্যাহত ৰখাত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত ৰাজ্যিক বেংকাৰ্ছ কমিটিৰ আহ্বায়ক আৰু ষ্টেট বেংক অব ইণ্ডিয়াৰ মুখ্য মহাপ্ৰবন্ধক আৰ এছ ৰমেশ, উপ-মহাপ্ৰবন্ধক এছ চাহু বিশিষ্ট অতিথি ৰূপে অংশ গ্ৰহণ কৰে। মুখ্য অতিথিৰ আসন শুৱনি কৰে অতিৰিক্ত উপায়ুক্ত কল্পনা ডেকাই। আমন্ত্ৰিত অতিথি ৰূপে নাবাৰ্ডৰ সহায়ক মহা প্ৰবন্ধক বিশ্বজিৎ দেৱ আৰু কামৰূপ মহানগৰ জিলাৰ অগ্ৰণী জিলা প্ৰবন্ধক সুদীপ ধৰ সভাত উপস্থিত থাকে। অনুষ্ঠানত অভ্যাগত অতিথি বৃন্দই জিলাখনৰ বিভিন্ন বেংকে মঞ্জুৰী প্ৰদান কৰা প্ৰায় ষাঠি গৰাকী হিতাধিকাৰীক ঋণৰ মঞ্জুৰী পত্ৰ বিতৰণ কৰে।




# সুখ্যাতিৰে উত্তীৰ্ণ কাছুমাৰাৰ হালিমন নেছা একাডেমীৰ পৰীক্ষাৰ্থীক সম্বৰ্ধনা

৮০ শতাংশ নম্বৰপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক বিমানযোগে বিনামূলীয়াকৈ দিল্লী ভ্ৰমণৰ সুযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৯ জুন ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত কাছুমাৰাৰ হালিমণ নেছা একাডেমীৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক কালি সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে এইবেলি বিদ্যালয়খনৰ পৰা ২জন ডিষ্টিংচন, ৫জন ষ্টাৰ নম্বৰসহ ১৭ গৰাকী ছাত্ৰ-ছাত্ৰী প্ৰথম বিভাগত উত্তীৰ্ণহৈ বিদ্যালয়খনলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। বিদ্যালয়খনৰ সঞ্চালক প্ৰধান হবিবুৰ ৰহমানে কালি ঘোষিত ফলাফলৰ পিছত আজি বিদ্যালয় প্ৰাংগণত এক সম্বৰ্ধনা সভাৰ আয়োজন কৰে। বিদ্যালয়খনৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ আৰু অভিভাৱকসকলৰ উপস্থিতিত অনুষ্ঠিত সম্বৰ্ধনা সভাত এইবাৰ বিদ্যালয়খনৰ একমাত্ৰ শিক্ষক পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ২৪গৰাকী ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। সভাত বিদ্যালয়খনৰ সঞ্চালক প্ৰধান হবিবুৰ ৰহমানে কয় যে বিদ্যালয়খনৰ পৰা ৮০ শতাংশ নম্বৰ পাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ বিমানযোগে দিল্লীলৈ ভ্ৰমণৰ সুবিধা প্ৰদানৰ কথা ঘোষণা কৰে। তদুপৰি হবিবুৰ ৰহমানে কয় যে শীঘ্ৰেই বিদ্যালয়খনত বিজ্ঞান শাখাৰ সংযোগ কৰাৰ লগতে এখন ইংৰাজী মাধ্যমৰ বিদ্যালয় আৰম্ভ কৰিব কৰিব। সভাত ৰাজ্যিক এন এছ ইউ আইৰ উপ সভাপতি আনোৱাৰ হুছেইনেও উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীৰ লগতে বিদ্যালয়খনৰ সঞ্চালক প্ৰধান, অধ্যক্ষৰ আৰু অভিভাৱকসকলক সম্বৰ্ধনা জনোৱাৰ লগতে শিক্ষাৰ ক্ষেত্ৰত তেওঁলোকে আগবঢ়োৱা অৰিহণাক শলাগ লয়।



মানকাচৰৰ ঠাকুৰানবাৰী আৰু শিয়ালটাৰীত কৃত্ৰিম বান

# মেঘালয়ৰ পানীৰ সোঁতত তিনিটা ঘৰৰ বিস্তৰ ক্ষতি ঃ হাহাকাৰ জনতাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মানকাচৰ, ৯ জুন ঃ** দক্ষিণ শালমাৰা মানকাচাৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ শিয়াল টাৰী গাঁও আৰু ঠাকুৰানবাৰীত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। জানিব পৰা মতে যোৱা ৪ দিন ধৰি নেৰা নেপেৰা মুষলধাৰ বৰষুণৰ ফলত আজি পুৱা ৫ বজাত গাঁৱৰ ৰাইজৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। মেঘালয় ৰাজ্যৰ গাৰো পাহাৰ জিলাৰ বৰষুণৰ ঢলৰ পানী শিয়াল টাৰী আৰু ঠাকুৰানবাৰীত প্ৰৱেশ কৰাত তিনিটা ঘৰ ভাঙি ছিঙি যোৱা বুলি জানিব পৰা গৈছে। ইপিনে হঠাৎ ঢল অহাত সাধাৰণ কৃষকৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। গৰু, ম'হ, ভৰালৰ ধান ইত্যাদি পানীত ডুব যোৱা বুলি জানিব পৰা গৈছে। আনহাতে গোটেই অসমতে কেইদিনমান ধৰি নেৰা নেপেৰা মুষলধাৰ বৰষুণ দিয়াত মহাবাহু ব্ৰহ্মপুত্ৰৰ জল পৃষ্ঠ বৃদ্ধি হোৱাত নামনি অসমত পানী বিপদ সীমা অতিক্ৰম প্ৰয় হম হম অৱস্থা। তাৰ ফলত দক্ষিণ শালমাৰা মানকাচাৰ জিলাৰ দিক্ষিণ শালমাৰা, টুমনী, পাটাকাটা, হাজিৰহাট, বৰাইৰ আলগা, সুখচৰ, বেৰাভাঙা, মলাখোৰা, মালিৰ আলগা, চৰকাশাৰী পাৰা, ফুলেৰচৰ, শান্তিপুৰ আদি ঠাইত খেতিয়কৰ মৰাপাট, খৰালি শাক পাচলি আদি বানৰ পানীত ডুৱ যোৱাত বৃহৎ লোকচানৰ সন্মুখীন হয় দুখীয়া কৃষক সকলে। ইয়াৰ উপৰিও জিলা খনৰ বিভিন্ন অঞ্চলত কৃতিম বানৰ পানীত ৰাস্তা ঘাট আদিত পানী উঠাত সাধাৰণ মানুহৰ যাতায়তত বিশেষ অসুবিধাৰ সন্মুখীন হয়। ধাৰাষাৰ বৰষুণ হোৱাত আজি পুৱা হাটশিঙি মাৰীৰ পৰা গোৱালপাৰা আৰু গুৱাহাটীত সৰু গাড়ী যাত্ৰী লৈ যাব পৰা নাই। কিয়নো মেঘালয়ৰ হেলিডেগনজ আৰু ৰাজাবালাত গড়কাপ্তানি পথৰ ওপৰেদি একাঁঠু পানী।

## দৰিদ্ৰতা শিক্ষাৰ বাবে হেঙাৰ হ'ব নোৱাৰে প্ৰমাণ কৰিলে ডিমাকুছিৰ বিশাল সৰৱে



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ৯ জুন ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাই বহু শিক্ষাৰ্থীৰ সলনি কৰিছে জীৱনৰ টাৰ্ণিং পইণ্ট। বহু দৰিদ্ৰ শিক্ষাৰ্থীয়ে ভাল ফলাফল দেখুৱাই গাঁও, শিক্ষানুষ্ঠানলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। তাৰে এক উদাহৰণ দৰিদ্ৰতা যে শিক্ষাৰ বাবে হেঙাৰ হ'ব নোৱাৰে প্ৰমাণ কৰিলে ডিমাকুছিৰ বিশাল সৰৱে। উল্লেখযোগ্য যে ওদালগুৰি জিলাৰ ডিমাকুচি থানাৰ অন্তৰ্গত পিতৃ ডিমাকুছি চাহ বাগিচাৰ শ্ৰমিক চিঙবাই সৰৱ আৰু ভগৱতী সৰৱ পুত্ৰ তথা ডিমাকুচি শেখৰ শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মেধাৱী ছাত্ৰই বিশাল সৰৱে ৬টা বিষয়ত লেটাৰসহ ষ্টাৰ মাৰ্ক মুঠ ৫০২ নম্বৰ লাভ কৰি প্ৰথম বিভাগত উত্তীৰ্ণ হৈ ভেৰগাঁও ডিমাকুচিলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। দৰিদ্ৰতা যে শিক্ষাৰ বাবে বাধাৰ সৃষ্টি হ'ব নোৱাৰে তাৰে প্ৰমাণ দেখুৱালে এইজন ছাত্ৰই। ডিমাকুছি চাহ বাগিচাত দৈনিক দিন হাজিৰা কৰি সন্তানক পঢ়ুৱাই ছিল পিতৃ-মাতৃয়ে। খাবলৈ এমুঠি অন্নৰ অভাৱ নিজে বিদ্যালয়ত অধ্যয়ন কৰি টিউচন বৃত্তিৰে নিজৰ পঢ়া-শুনা খৰচ উলিয়াব লাগে বিশালে। ভৱিষ্যতে এজন আই এছ বিষয়া হোৱাৰ সপোন দেখে বিশালে। তেওঁৰ সফলতাক স্বীকাৰ কৰি আদিবাসী ছাত্ৰ সন্থাৰ নেত বিশালৰ বাসগৃহ উপস্থিত হ'য় উষ্ম আদৰণি জনায়। এই সন্দৰ্ভত মেধাৱী ছাত্ৰগৰাকীয়ে চৰকাৰ তথা জনপ্ৰতিনিধিক সহায়ৰ হাত বিচাৰিছে তেখেতৰ সপোন পুৰাবলৈ।

# আৰ্থিক দৈন্যক নেওচি উজলিল টীয়কৰ কাৰৈমাৰীৰ শিখা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ৯ জুন ঃ** প্ৰচুৰ ইচ্ছা শক্তি থাকিলে দৰিদ্ৰতা যে শিক্ষাৰ ক্ষেত্ৰত কেতিয়াও হেঙাৰ হ'ব নোৱাৰে তাকে প্ৰমাণ কৰি দেখুৱালে টীয়কৰ কাৰৈমাৰী কুমাৰভেটি গাঁৱৰ শিখা ৰবিদাসে। আৰ্থিক দৈন্যকো প্ৰত্যাহ্বান হিচাপে লৈ সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত কাৰৈমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ৮৪.৩৩%ৰে উজলি উঠিবলৈ সক্ষম হৈছে। আৰ্থিকভাৱে পিছপৰা বাবেই আন হাজাৰজন ছাত্ৰ-ছাত্ৰীয়ে ঘৰৰ পৰা লাভ কৰা সা-সুবিধাৰ বিপৰীতে শিখাই পাইছিল সামান্য সুবিধা। কৃষিকৰ্ম আৰু সাপ্তাহিক বেপাৰ-বাণিজ্যৰে পৰিয়ালটি পোহপাল দিয়া শিখাৰ পিতৃ নবীন ৰবিদাসে সামান্য সুবিধা কৰিবলৈহে সক্ষম হৈছিল। কিন্তু প্ৰৱল ইচ্ছাশক্তি আৰু একাগ্ৰতাৰ বাবেই ঘৰৰ সকলো কাম-কাজত সহযোগ কৰিও সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত এটি ভাল ফলাফল দেখুৱাবলৈ সক্ষম হ'ল শিখা। ঘৰুৱা শিক্ষক, স্মাৰ্টফোন, দূৰদৰ্শন আদিৰ সুবিধাৰ পৰা বঞ্চিত শিখায়ে বিগত ক'ভিড মহামাৰী সময়ত নিজৰ হাতত স্মাৰ্টফোন নথকাৰ হেতুকে ওচৰৰ ঘৰলৈ গৈ সহায় ল'বলগীয়া হৈছিল। শিখাৰ এই ফলাফলে কেৱল অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিছে। ভৱিষ্যতলৈ এগৰাকী প্ৰশাসনিক বিষয়া হোৱাৰ মন শিখাৰ।




উল্লেখযোগ্য যে ২০১৬ বৰ্ষত কুমাৰভেটি প্ৰাথমিক বিদ্যালয়ৰ পৰা আৰু ২০১৯ বৰ্ষত কাৰৈমাৰী গোহাঁইগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ পৰা বৃত্তি পৰীক্ষাত উত্তীৰ্ণ হ'বলৈও সক্ষম হৈছিল শিখা। দৰিদ্ৰ পৰিয়ালৰ মেধাৱী ছাত্ৰী শিখাক যদি কোনো সদাশয় লোকে এতিয়াৰ পৰাই অধ্যয়নৰ দিশটোত সহায় কৰে, তেন্তে ছাত্ৰীগৰাকীৰ সপোন বাস্তৱ ৰূপ পোৱাত কিছু সহায়ক হ'ব বুলিয়েই আশা কৰিব পাৰি। যি কি নহওক আৰ্থিক দৈন্যকো নেওচি ঘৰুৱা কামৰ মাজতে পঢ়াৰ দিশটোক সময়মতে বজাই ৰাখি মেধাৱী ছাত্ৰী শিখায়ে কঢ়িয়াই আনিবলৈ সক্ষম হোৱা এই সফলতাই গৌৰৱান্বিত কৰি তুলিছে বিদ্যালয় কৰ্তৃপক্ষৰ লগতে কাৰৈমাৰী অঞ্চলক।

# লামডিঙত ৰে'লৱে মজদুৰ ইউনিয়নৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লামডিং, ৯ জুন ঃ** বৃহস্পতিবাৰৰ দিনাই হোজাই জিলাৰ অন্তৰ্গত ৰেল শহৰ লামডিঙ ৰেলৱে ষ্টেচনত থকা LOCO PILOT কাৰ্যালয়ৰ প্ৰাঙ্গণত লামডিং ৰেলৱে মজদুৰ ইউনিয়নৰ উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে।লামডিঙ ৰেলৱে মজদুৰ ইউনিয়নয়ে কে বাটাও দাবী লৈ তেওঁ লোকে প্ৰতিবাদ সাব্যস্ত কৰে। তেওঁলোকৰ দাবীসমূহ হ'ল মেল ট্ৰেইন বিলাক গুৱাহাটীৰ LOCO PILOT য়ে গুৱাহাটীৰ পৰা মৰিয়নি আৰু ডিব্ৰুগড়ৰ লোকে লামডিঙৰ বুকুৰ ওপৰৰ পৰা যায় কিন্তু লামডিঙৰ LOCO PILOT য়ে পূৰ্বে বহু কষ্ট কৰি লামডিঙৰ পৰা মৰিয়নি আৰু লামডিঙৰ পৰা গুৱাহাটী লোকে গৈছিল। লামডিঙ ৰেলৱে মজদুৰ ইউনিয়নৰ দাবী মেল ট্ৰেইন বিলাকত লামডিঙৰ LOCO PILOT য়ে লামডিঙৰ পৰা মৰিয়নি আৰু লামডিঙৰ পৰা গুৱাহাটী লোকে যোৱাৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰে। লামডিং ৰে'লৱে মজদুৰ ইউনিয়নৰ সভাপতি কুমুদ ৰঞ্জন দে কয় যে পূৰ্বে লামডিঙৰ LOCO PILOT আছিল ৫০ জন এতিয়া বৰ্তমান মোট ৩১ জন LOCO PILOT আছে এয়া লামডিঙৰ কাৰণে অতি দুখৰ কথা আৰু কয় যে তেওঁলোকৰ দাবীসমূহ মানি নল'লে লামডিং ৰে'লৱে মজদুৰ ইউনিয়নে অহা দিনত জংগী আন্দোলন কৰিব বুলি সাংবাদিকৰ কেমেৰাৰ আগত জনায়।




## বিহমাৰী লক্ষীমন দ'ৱান পৰিচালনা নতুন সমিতিক দায়িত্ব অৰ্পণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ৯ জুন ঃ** আজি লক্ষীমন সংঘ কেথম দ'ৱান লংৰি আমেইৰ অন্তৰ্গত বিহালীৰ বিহমাৰী লক্ষীমন দ'ৱান প্ৰাঙ্গণত লক্ষীমন ধৰ্মাৱলম্বী কাৰ্বি সমাজৰ এখনি দ'ৱান পৰিচালনা সমিতিৰ সভা অনুষ্ঠিত হয়। সভাত উক্ত সমিতিৰ সম্পাদক ছেংকাই হাঞ্চেয়ে আঁত ধৰা সভাখনত সভাপতিত্ব কৰে সভাপতি বৰছিং হাঞ্চেয়ে। আজিৰ সভাত পুৰণা সমিতি ভংগ কৰি ১১ জনীয়া সদস্যৰে এখন পুৰ্ণাঙ্গ সমিতি গঠন কৰা হয়। নতুন সমিতিত সৰ্বসন্মতি ক্ৰমে লংকেশ্বৰ তিশ্ব'ক সভাপতি, চেনিৰাম তিশ্ব'ক সাধাৰণ সম্পাদক আৰু লংথুৰাম চিংনাৰক কোষাধ্যক্ষ হিচাপে দায়িত্বভাৰ অৰ্পন কৰা হয়। উক্ত সভাত লক্ষীমন সংঘ কেন্দ্ৰীয় সমিতিৰ সদস্য খনছিং তিশ্ব', কেথম দ'ৱান লংৰি আমেইৰ উপ-সভাপতি ললিত তিশ্ব', কেথম দ'ৱান লংৰি ৰিছ'-এজাং চিংৰুম আমেই (তৃতীয় আশ্ৰম যুৱ সমিতি)ৰ প্ৰচাৰ সম্পাদক বিনোদ ইংতি, সদস্য জয়চন চিংনাৰ, বিহমাৰী লক্ষীমন দ'ৱান মহিলা সমিতিৰ সভানেত্ৰী কাদম ইংতিপী, থিকাদাৰ তিশ্ব' আদিয়ে উপস্থিত থাকি বক্তব্য আগবঢ়ায়।

## চিআৰএচডিটি'ৰ বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ৯ জুন ঃ** সামাজিক সাংস্কৃতিক অনুষ্ঠান "চিআৰএচডিটি" ৰ উদ্যোগত দৰং জিলাৰ বৰথেকেৰাবাৰী গাঁৱৰ ২২৩ নং গড়খোৰাপাৰা প্ৰাথমিক বিদ্যালয়ত ৫ জুনত বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। বিদ্যাৰ্থীসকলৰ মাজত পাৰিপাৰ্শ্বিকতা বিষয়ত আকস্মিক বক্তৃতা অনুষ্ঠিত কৰা হয়। বিচাৰক হিচাপে থাকে বিশিষ্ট সমৰকলাবিদ গৌৰৱ জ্যোতি হাজৰিকা আৰু যশস্বী সাংস্কৃতিক কৰ্মী ৰাহুল ডেকা। বিবেকানন্দ কেন্দ্ৰৰ কাৰ্যকৰ্তা দাদুল দাসে বিভিন্ন গীত-মাত খেল ধেমালিৰে বিদ্যাৰ্থী সকলৰ উৎসাহ আৰু আমোদ বৃদ্ধি কৰে। যোগৰ প্ৰয়োজনীয়তা, খাদ্য সংযম আদি মহত্ত্বপূৰ্ণ বিষয়ত মাৰ্গদৰ্শন আগবঢ়াই গৌৰৱ জ্যোতি হাজৰিকাই। আগন্তুক দিনত পৰিৱেশ বিজ্ঞানত সক্ৰিয়ভাৱে কাৰ্যক্ৰম ৰূপায়িত হ'ব বুলি 'চিআৰএচডিটি'ৰ সচিব ভাৰ্গৱ কলিতাই মতপোষণ কৰে।

## ৰাশিফলত আজিৰ দিনটো

**২৬ জেঠ, শুকুৰবাৰ, ১০ জুন, ১৪২৯ ভাস্কৰাব্দ,**
**তিথি ঃ শুক্লা একাদশী, নক্ষত্ৰ ঃ চিত্ৰা, জন্ম ৰাশি ঃ কন্যা**
**সূৰ্যোদয়- ৪-৩৫-১০ সূৰ্যাস্ত- ৬-৮-৫৮**



■ **মেষ** ঃ চঞ্চলতা ■ **বৃষ** ঃ বিবাদত জয় ■ **মিথুন** ঃ আত্মীয় বিৰোধ ■ **কৰ্কট** ঃ অভিনয়ত সুনাম ■ **সিংহ** ঃ প্ৰেত শুভ ■ **কন্যা** ঃ ভ্ৰমণ কষ্ট ■ **তুলা** ঃ সন্মান বৃদ্ধি ■ **বৃশ্চিক** ঃ বাধা-বিঘিনি ■ **ধনু** ঃ পৰিশ্ৰম বৃদ্ধি ■ **মকৰ** ঃ সম্পদ আহৰণ ■ **কুম্ভ** ঃ কৰ্ম পৰিৱৰ্তন ■ **মীন** ঃ কাৰ্যসিদ্ধি।

**NOTICE INVITING TENDER**

Sealed tender on plain papers affixing with non-refundable court fee stamp of Rs.8.25/-(Rupees Eight and Paisa Twenty five) only are invited for the supply of **"Misc. Articles"** to this unit for the financial year of 2022-23 from the Contractors/ Supplier registered with Assam Police Headquarters (Group "A") and having valid GST Registration and will be received by the undersigned up to 1300 hours on 27/06/2022. The intending tenderers may obtain detailed tender papers on payment of Rs.200/-(Rupees two hundred) only in the form of uncrossed Indian Postal Order pledged in favour of the undersigned on application for tender papers. Tender paper will be issued during the office hours up to 24/06/2022. The intending tenders may also download the tender papers from the Assam Police Website http://assampolice.gov.in. In such case, the tenderer will have to deposit the cost of tender papers Rs. 200/-(Rupees two hundred) only by uncrossed Indian Postal Order pledged in favour of the undersigned at the time of submission of tender.

/
Commandant
10th Assam Police Battalion
Kahilipara, Guwahati-19.

Janasanyog /C/4194/22

# ৰেডিয়েঞ্চ ফাউণ্ডেচনৰ উদ্যোগত চেঙাৰ শিক্ষাজ্যোতি বিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৯ জুন ঃ** গুৱাহাটীৰ ছয়মাইলৰ পাঞ্জাবাৰী পথত অৱস্থিত অগ্ৰণী অনুষ্ঠান ৰেডিয়েন্স ফাউণ্ডেচনৰ উদ্যোগত যোৱা ৫ জুনত বৰপেটা জিলাৰ চেঙাৰ শিক্ষাজ্যোতি বিদ্যালয়ত এক ব্যতিক্ৰম কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। কণ কণ ছাত্ৰ-ছাত্ৰীসকলে 'সুন্দৰ আমাৰ পৰিৱেশ', সুন্দৰ আমাৰ ভৱিষ্যৎ, আমাৰ পৃথিৱী এখনেই, আমাৰ পৃথিৱীখন ৰক্ষা কৰক' শীৰ্ষক পৰিৱেশ সজাগতা সম্পৰ্কত এক সমদল উলিয়াই ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। গছ থাকিলেহে মানুহ থাকিব, প্লাষ্টিকৰ ব্যৱহাৰ বন্ধ কৰক, বিশ্ব পৰিৱেশ দিৱস পালন কৰক, আজিৰ পৰাই গছপুলি ৰোপণ কৰক আদি শ্লোগান লিখা বেনাৰ-ফেষ্টুন লৈ এই সমদল উলিয়ায়। ইয়াৰ পিছতেই শিক্ষাজ্যোতি বিদ্যালয়ৰ চৌহদত গছপুলি ৰোপণ কৰা হয়। বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু বিশিষ্ট লোকৰ উপস্থিতিত এখন পৰিৱেশ সজাগতামূলক সভা অনুষ্ঠিত হয়। শিক্ষা জ্যোতি বিদ্যালয়ৰ প্ৰধান শিক্ষক ধৰণীধৰ ডেকা, ইংৰাজী বিষয়ৰ শিক্ষক দীপাংকৰ অনুৰাগ, সহকাৰী শিক্ষক চাবিনা ইয়াচমিন আৰু নাৰচিমী নাচৰিনৰ তত্বাৱধানত অনুষ্ঠিত সজাগতামূলক সভাখনত অসম চৰকাৰৰ কাৰিকৰী শিক্ষা বিভাগৰ যুটীয়া সঞ্চালক ড° নজৰুল হকে তেখেতৰ ভাষণত গাঁও অঞ্চলত এনে সজাগতামূলক দিৱসৰ প্ৰয়োজন সম্পৰ্কে বক্তব্য ৰাখে। সভাত অংশগ্ৰহণ কৰি পূব চেঙা হাইস্কুলৰ সদস্য অৱসৰী শিক্ষক ইউনুছ আলীয়ে নিজৰ ভাষণত ছাত্ৰ-ছাত্ৰীসকল উপকৃত হোৱাকৈ পৰিৱেশ সম্পৰ্কত বিশদ ব্যাখ্যা আগবঢ়ায়। স্থানীয় গাঁও পঞ্চায়তৰ সভাপতি মিৰ্জানুৰ ৰহমানেও পৰিৱেশ সম্পৰ্ক ভাষণ প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰীসকলেও কথা-কবিতাৰ মাজেৰি বিশ্ব পৰিৱেশ দিৱসৰ তৎপৰ্য প্ৰকাশ কৰে। উক্ত কাৰ্যসূচীত ৰেডিয়েন্স ফাউণ্ডেচনৰ ন্যাসৰক্ষী নজমুল হক আৰু চিৰাজুল হক, ৰেডিয়েন্স ফাউণ্ডেচনৰ অবৈতনিক শৈক্ষিক সময়ন্বয়ক হাচিৰ উদ্দিন আহমেদৰ উপৰিও কেইবাগৰাকীও বিশিষ্ট লোক উপস্থিত থাকে।




# দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰী কুঁহি দাৰে তিনিটা বিষয়ত লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ৯ জুন ঃ** মনত অদম্য সাহস আৰু একাগ্ৰতা থাকিলে দৰিদ্ৰতা কেতিয়াও শিক্ষাৰ ক্ষেত্ৰত হেঙাৰ হ'ব নোৱাৰে। এই কথাকে প্ৰমাণ কৰি দেখুৱালে বংকোৱালৰ মেধাৱী ছাত্ৰী কুঁহি দাৰে। মহুৰামুখ বংকোৱাল গাঁৱৰ নিবাসী দিগন্ত দাৰ আৰু শিচুমাই দাৰৰ কন্যা কুঁহি দাৰে সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বংকোৱাল হাইস্কুলৰ পৰা তিনিটা বিষয়ত লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ বিদ্যালয়খনৰ লগতে গাঁওবাসীলৈ গৌৰৱ কঢ়িয়াই আনিছে। দৰিদ্ৰ পিতৃ দিগন্ত দাৰে ঘৰে ঘৰে দিন হাজিৰা কৰাৰ ওপৰিও কেতিয়াবা ভোট জলকীয়া বিক্ৰী কৰি যি আয় হয়, ইয়াৰে পৰিয়ালটো পোহপাল দিয়াৰ লগতে কন্যাৰ পঢ়াৰ খৰচো যোগাৰ কৰে। ইফালে কাষতে থকা বৰদেউতাক দিম্বেশ্বৰ দাৰ আৰু তেওঁৰ জ্যেষ্ঠ পুত্ৰ শশীন দাৰে ছাত্ৰীগৰাকীক শিক্ষাৰ দিশত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত বহুখিনি অনুপ্ৰেৰণা যোগাইছিল। উৰুখা চালিৰ তলত পঢ়ি শিক্ষান্ত পৰীক্ষাত লেটাৰ সহ প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা কুঁহিক লৈ এতিয়া গাঁওবাসী উৎফুল্ল। মেধাৱী ছাত্ৰীগৰাকীয়ে ক'লা বিভাগত নামভৰ্ত্তি কৰি ভৱিষ্যতে অধ্যাপিকা হোৱাৰ সপোন পুহি ৰাখিছে যদিও আৰ্থিক দিশত বাধাগ্ৰস্ত হোৱা দৰিদ্ৰ পিতৃ-মাতৃয়ে এই ক্ষেত্ৰত চিন্তিত হৈ পৰিছে। কুঁহি দাৰে অংকত ৮৯, সমাজ বিদ্যাত ৮২, ভূগোলত ৯১, ইংৰাজীত ৭১, অসমীয়াত ৭৩, আৰু বিজ্ঞানত ৭২ নম্বৰৰে মুঠ ৮০ শতাংশ লাভ কৰি প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে।



জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
১০ জুন, ২০২২ ■ শুকুৰবাৰ ■ গুৱাহাটী ■ ২৬ জেঠ, ১৯৪৪ শক




## মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ হাজোৰ কুলহাটী শতবাৰ্ষিকী দুৰ্গা পূজা সমিতিৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ৯ জুন ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কালি সাক্ষাত কৰে হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত কুলহাটী শতবাৰ্ষিকী দুৰ্গা পূজা সমিতিয়ে। তীৰ্থনগৰী হাজোৰ কুলহাটীৰ দুৰ্গা পূজাৰ শতবৰ্ষ উদযাপনৰ প্ৰস্তুতি চলিছে ।কুলহাটী ৰাইজৰ উদ্যোগত পৰম্পৰাগতভাৱে পালন কৰি অহা দূৰ্গতিনাশিনী মাদুৰ্গাৰ শ্ৰী চৰণত বেলপাত দিয়াৰ লগতে আড়ম্বৰপূৰ্ণভাৱে পৰম্পৰাগতভাৱে পালন কৰি অহা পূজাভাগি এইবেলি ১০ দিনীয়া বিস্তৃত কাৰ্যসূচীৰে শতবৰ্ষ উদযাপনৰ প্ৰস্তুতি চলিছে। যোৱাবেলি হে যোৱা দুৰ্গাপূজাৰ পিছতেই উদ্‌যাপন সমিতি গঠন কৰাৰ পিছতে বিভাগীয় সমিতি সমূহে তৎপৰতা আৰম্ভ কৰিছে ।অহা ২৫ চেপ্তেম্বৰৰ পৰা ৫ অক্টোবৰলৈ মহাআড়ম্বৰপূৰ্ণ চলিব লগীয়া পূজা ভাগিৰ কাৰ্যসূচীত নিমন্ত্ৰণ জনোৱাৰ উদ্দেশ্যে অসমৰ মুখ্যমন্ত্ৰী ডঃহিমন্ত বিশ্ব শৰ্মাক কুলহাটী শতবাৰ্ষিকী দুৰ্গা পূজা সমিতিয়ে সৌজন্যমূলক সাক্ষাত কৰি নিমন্ত্ৰণী শৰাই আগবঢ়াই সমিতিৰ সভাপতি আৰু মুখ্য সম্পাদক মনোজ দাসৰ নেতৃত্বত যোৱা এটি সজাতী দলটোৱে ।অৱশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিমন্ত্ৰণ ৰক্ষা কৰি পূজাভাগিত পদাৰ্পন কৰাৰ আশ্বাস প্ৰদান কৰে বুলি জানিব পৰা গৈছে।

## হোকাজান চিলাবন্ধাত বাঢ়নী পানীয়ে প্ৰাণ কাঢ়িলে এজনৰ
### অঞ্চলজুৰি শোকৰ ছাঁ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ৯ জুন ঃ** ৰাজ্যত কিছু দিন ধৰি অধিক বৃষ্টি পাতৰ ফলত বিভিন্ন ঠাইত কৃতিম বানৰ সৃষ্টি কৰাৰ মাজতে বিশ্বনাথ জিলাৰ ইটাখোলাৰ সমীপৰ হোকাজান চিলা বন্ধাত যোৱা দুদিন ধৰি মূষলধাৰে হোৱা বৰষুণৰ ফলত হোৱা বাঢ়নী পানীয়ে কালি সমাজ কৰ্মী শংকৰ গড়াইত (৪০) ৰ প্ৰাণ কাঢ়ি নিয়ে। পৰিয়ালবৰ্গই জানিব দিয়া অনুসৰি এটা কণমানি পুত্ৰ সন্তানৰ বাপেকি শংকৰে ইটাখোলাৰ সাপ্তাহিক দিকৰাই বজাৰৰ পৰা পুৱা বেলা ঘৰুৱা বজাৰ-সমাৰ কৰি ঘৰলৈ আহিল ইমানতে সকলো ঠিকেই আছিল । বিয়লি প্ৰায় ৪ মান বজাত পথাৰত থকা গৰু কেইটাক লৈ আহিবলৈ গৈ শংকৰ নিৰুদিষ্ট হয়। প্ৰয়াত শংকৰৰ পত্নি ববীতাই মানুহজন বহু পলমকৈ ঘৰলৈ ঘূৰি নহাত পৰিয়ালৰ লগতে ওচৰ চুবুৰীয়াক শংকৰ ঘৰলৈ ঘূৰি নহা সন্দৰ্ভত অৱগত কৰে আৰু গাঁঞ্জৰৰ ওচৰ-পাজৰে সন্ধান কৰিবলৈ লয়। পৰিয়াল তথা গাঁৱৰ স্থানীয় লোকে অৱশেষত গাঁৱৰ কাষেদি যোৱা জলসিঞ্চন বিভাগৰ নলা চিগি সৃষ্টি হোৱা দ-খাৰৈত শংকৰক অচেতন অৱস্থাত পানীৰ জুৰলীত পাই। লগে লগে স্থানীয় লোকৰ সহযোগত প্ৰথমে উত্তৰ জামুগুৰি স্বাস্থ্য কেন্দ্ৰলৈ লৈ যায় যদিও চিকিৎসে তেজপুৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰে। পিছত চিকিৎসকে শংকৰ মৃত বুলি ঘোষণা কৰে আৰু আৰক্ষী প্ৰশাসনৰ দ্বাৰা শংকৰৰ নিঠৰ দেহক মাৰানোত্তৰ পৰীক্ষা কৰি আজি স্বগৃহত সৎকাৰ কৰে। প্ৰয়াত শংকৰ জীৱিত অৱস্থাত এগৰাকী যুৱ সমাজ কৰ্মী ৰূপে পৰিচিত হোৱাৰ লগতে সদৌ অসম গড়াইত সমাজ নদুৱাৰ সমিতিৰ সহকাৰী সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ কৰি আছিল। নৱীন সমাজ কৰ্মী গৰাকীৰ মৃত্যুৰ খৱৰে অঞ্চলটিত শোকৰ ছাঁ পৰে। সমাজ কৰ্মী গৰাকীয়ে মৃত্যুৰ সময়ত পিতৃ-মাতৃ,পত্নিসহ কণমানি পুত্ৰ আৰু এগৰাকী কনিষ্ঠ ভাতৃ-বোৱাৰীক ইহঁসংসাৰত এৰি থৈ যায়। আজি দুপৰীয়া ভাগত শংকৰৰ বাস গৃহত স্থানীয় বহু শুভাকাংক্ষীৰ লগতে গড়াইত সমাজৰ নদুৱাৰ সমিতিৰ সভাপতি গংগাৰাম গড়াইত আৰু সম্পাদক ৰাজু গড়াইতে গভীৰ শোক প্ৰকাশৰ লগতে শেষ শ্ৰদ্ধাঞ্জলি জনাই আৰু শোকসন্তপ্ত পৰিয়াল বৰ্গক সমবেদনা জ্ঞাপন কৰে।



## নগাঁৱৰ লেখক, সমাজকৰ্মী, শিক্ষক কেশৱ বৰালৈ 'ড° আম্বেদকাৰ বঁটা'

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ৯ জুন ঃ** অসমৰ অন্যতম সাহিত্য-সামাজিক-সাংস্কৃতিক কেন্দ্ৰ 'কৃষ্টিপথাৰ অসম' আৰু কলকাতাৰ সাহিত্যানুষ্ঠান 'আনন্দমুখৰ'ৰ যৌথ উদ্যোগত অনুষ্ঠিত কৰি অহা 'অসম বংগ মৈত্ৰী সন্মিলন'-য়ে এইবেলি অহা ১১ জুনত গুৱাহাটী উজান বজাৰৰ বিষ্ণু নিৰ্মলা ভৱনত নগাঁৱৰ লেখক, কবি, সমাজকৰ্মী, শিক্ষক কেশৱ বৰাক তেওঁৰ বিভিন্ন সমাজসেৱামূলক কৰ্মৰাজি আৰু সাহিত্য জগতলৈ আগবঢ়োৱা অৱদানৰ বাবে প্ৰদান কৰিব 'ড° আম্বেদকাৰ বঁটা'। ইয়াৰোপৰি সেইদিনাই 'কৃষ্টিপথাৰ অসম'ৰ তৰফৰ পৰা কেশৱ বৰাক 'হেমাংগ বিশ্বাস স্মৃতি সন্মান' প্ৰদান কৰিব। উল্লেখ্য যে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন বঁটা/সন্মান লাভ কৰি অহা লেখক তথা নগাঁৱৰ কমাৰপাৰ কছাৰীগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক কেশৱ বৰাই বৰ্তমানলৈকে ২৪ খন গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে আৰু আন কেইবাখনো গ্ৰন্থ প্ৰকাশৰ পথত বুলি জানিব পৰা গৈছে।

GNRC Quality•Value•Trust
Affordable Health Mission
স্বাস্থ্য-বাৰ্তা
নগাঁও আৰু মৰিগাঁৱত
জিএনআৰচিৰ অ'পিডি সেৱা
১১ জুন
নিৰ্বানা ডায়েগ্'ষ্টিকছ এণ্ড ক্লিনিক, নগাঁও
সময় ঃ ১০ বজাৰ পৰা ১ বজালৈ
মৰিগাঁও ডায়েগ্'ষ্টিক চেণ্টাৰ
সময় ঃ ২ বজাৰ পৰা ৪ বজালৈ
Dr. Kalpajit Dutta
MBBS, MD, CCEPC, FIPM
(Pain Medicine Specialist)
লক্ষণসমূহ ঃ ডিঙিৰ বিষ, মূৰৰ বিষ, গাঁথিৰ বিষ, কঁকালৰ বিষ, ট্ৰাইজেমিনেল নিউৰেলজিয়া, কৰ্কট ৰোগৰ বিষ, ফেচিয়েল পেইন ইত্যাদি।
যোগাযোগৰ নম্বৰ
6003722769, 7002770765
info@gnrchospitals.com www.gnrchospitals.com

## সংবাদ মাধ্যম জনসাধাৰণৰ ওচৰতহে দায়বদ্ধ, প্ৰশাসন বা ৰাজনৈতিক নেতাৰ ওচৰত নহয় ঃ ড° কমলা বৰা

### মঙলদৈ প্ৰেছ ক্লাবৰ ২৮সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন
### জ্যেষ্ঠ সাংবাদিক ড° জামালুদ্দিন আহমেদ আৰু হৰেন কলিতাক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ৯ জুন ঃ** সংবাদ মাধ্যম কোনো প্ৰশাসন বা ৰাজনৈতিক দলৰ ওচৰত দায়বদ্ধ নহয়,ই জনসাধাৰণ আৰু পাঠকৰ ওচৰতহে দায়বদ্ধ। এই দৰে কয় মঙলদৈ মহাবিদ্যালয় অধ্যক্ষ ড কমলা কান্ত বৰাই। আজি মঙলদৈ প্ৰেছ ক্লাবৰ ২৮সংখ্যক প্ৰতিষ্ঠা দিৱৰ মুকলি সভা উদ্বোধন কৰি ড বৰাই নিৰ্ভিক স্পষ্টবাদী সাংবাদিকে প্ৰকৃত সত্যটো ৰাইজৰ মাজলৈ উলিয়ায় নিয়া বুলি কয়। সম্প্ৰতি সাংবাদিক সকল অকল সংবাদ সংগ্ৰহ কৰা ব্যক্তিয়েই নহয়, সমাজৰ অবিচ্ছেদ্য অংশ হৈ পৰিছে সেয়েহে সাংবাদিক সকলৰ ভূমিকাও বেলেগ বেলেগ হোৱা পৰিলক্ষিত হৈছে। বিশেষ কৈ জনসাধাৰণৰ মাজত সাংবাদিক সকলে সচেতনতা বৃদ্ধি কৰাত আগভাগ লৈ আহিছে বুলি মন্তব্য কৰে। মঙলদৈ প্ৰেছক্লাবৰ সভাপতি মদন চন্দ্ৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অৱসৰপ্ৰাপ্ত শিক্ষাবিদ তথা দৰং জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক ফুলেন্দ্ৰ নাথ চহৰীয়াই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি কয় যে তাহানিৰ সাংবাদিকতা আৰু আজিৰ সাংবাদিকতাৰ বহু পৰিবৰ্তন হ'ল । অসমৰ প্ৰতিটো দুৰ্যোগৰ পূৰ্ন মুহুত্বত সাংবাদিকে অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে বুলি মন্তব্য কৰি দৰঙৰ সাংবাদিকৰ ইতিহাস বৰ্ননা কৰে। তেওঁ কয় যে শৈতেশ দাস গুপ্ত হৈছে দৰঙৰ প্ৰথম গৰাকী সাংবাদিক। মঙলদৈ প্ৰেছ ক্লাবৰ সম্পাদক লক্ষীনন্দন কলিতা আৰু উপ সভাপতি মুকুট ৰাজ শৰ্মাই আট ধৰা সভাখনত দৰঙৰ আৰক্ষী অধীক্ষক ৰাজ মোহন ৰায়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি সাংবাদিক সকলক সমাজৰ প্ৰতি দায়বদ্ধতাৰে বাতৰি কৰিবলৈ আহ্বান জনায়। উক্ত সভাতেই দৰঙৰ দুগৰাকী জ্যেষ্ঠ সাংবাদিকক সম্বৰ্দ্ধনা জনাই মঙলদৈ প্ৰেছ ক্লাৱে,প্ৰবীন সাংবাদিক, মঙলদৈ প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি তথা মঙলদৈ মহাবিদ্যালয় অবসৰি সহযোগী অধ্যাপক ড° জামালুদ্দিন আহমেদ আৰু জেষ্ঠ সাংবাদিক, মঙলদৈ প্ৰেছক্লাবৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা কৃতী শিক্ষক হৰেন কলিতাক সংবাদ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে




ফুলাম গামোচা,জাপি আৰু মানপত্ৰৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। গাম্ভীয্য পূৰ্ন সভাখনত অসম সাহিত্য সভাৰ প্ৰাক্তন মুখপাত্ৰ, তথা গীতিকাৰ, সাহিত্যিক চহিৰ ভূএঞা,আছুৰ কেন্দ্ৰীয় বৃত্তীয় সম্পাদক খনিন্দ্ৰ ৰাজবংশী, যুৱছাত্ৰ পৰিষদৰ উপ-সভাপতি ভবেশ কাকতি, বিজেপিৰ ৰাজ্যিক মহিলা মৰ্চাৰ উপ-সভাপতি প্ৰেমদা ভূএঞা ,ওবিচি উন্নয়ন পৰিষদৰ অধ্যক্ষ জিন্তু বৰুৱা, দৰং জিলা অগপৰ সভাপতি কমলেশ্বৰ বৰুৱা, সমাজ কৰ্মী আনোৱাৰ হুছেইন আদি বিশিষ্ট ব্যক্তি সকলে অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে ৰাতিপুৱা ক্লাবৰ পতাকা উত্তোলন কৰে সভাপতি মদন চন্দ্ৰ বৰুৱা আৰু স্মৃতি তৰ্পণ কৰে অসম বাৰ্তাজীবি সংঘৰ উত্তৰ পূৰ্ব মণ্ডলৰ উপ-সভাপতি অখিল কলিতাই।

## ৰঙাপৰাত আন্তঃবিদ্যালয় চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতাৰ ফলাফল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ৯ জুন ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰাৰ গ্ৰীনডেল ইংৰাজী বিদ্যালয়ত অনুষ্ঠিত চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতাৰ কালি ফলাফল ঘোষণা কৰা হয় ।বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত আন্ত বিদ্যালয় চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতাৰ তৃতীয় শ্ৰেনীৰ পৰা পঞ্চম শ্ৰেণীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতাত এন এফ ৰেলৱে কেন্দ্ৰীয় বিদ্যালয় ৰঙাপৰাৰ আয়ুসী ধৰে প্ৰথম,এন এফ ৰেলৱে কেন্দ্ৰীয় বিদ্যালয় ৰঙাপৰাৰ অনুস্কা বৰুৱাই দ্বিতীয় আৰু হলি চাইল্ড বিদ্যালয়ৰ প্ৰিয়াকছী চক্ৰৱৰ্তীয়ে তৃতীয় স্থান দখল কৰে। ষষ্ঠ শ্ৰেনীৰ পৰা অষ্ঠম শ্ৰেনীৰ মাজত অনুষ্ঠিত প্ৰতিযোগিতাত ছেন্ট পল ইংৰাজী বিদ্যালয়ৰ মনিশা দাসে প্ৰথম, গ্ৰীনডেল বিদ্যালয়ৰ জ্ঞানময় বৰ্মণে দ্বিতীয় আৰু ছেন্ট পল ইংৰাজী বিদ্যালয়ৰ আয়ুসী বসুমতাৰীয়ে তৃতীয় স্থান দখল কৰে। নৱম শ্ৰেনীৰ পৰা দশম শ্ৰেণীৰ মাজত অনুষ্ঠিত প্ৰতিযোগিতাত অংকুৰ বিকাশ জাতীয় বিদ্যালয়ৰ ৰাজা খেৰুৱাৰ প্ৰথম, ছেন্ট পল ইংৰাজী বিদ্যালয়ৰ আদিতি কুমাৰী দ্বিতীয় আৰু গ্ৰীনডেল বিদ্যালয়ৰ শেখৰ সৌৰভ দাসে তৃতীয় স্থান দখল কৰে ইংৰাজী মাধ্যমত অনুষ্ঠিত ৰচনা প্ৰতিযোগিতাত ষষ্ঠ শ্ৰেনীৰ পৰা অষ্টম শ্ৰেণি লৈকে অনুষ্ঠিত প্ৰতিযোগিতাত জৱাহৰ নৱোদয় বিদ্যালয়ৰ আয়ুসী কুমাৰী প্ৰথম,ছেভেন ছিষ্টাৰ ইংৰাজী বিদ্যালয়ৰ ৰুমালী বসুমতাৰী দ্বিতীয়, ছেভেন ছিষ্টাৰ ইংৰাজী বিদ্যালয়ৰ ইউছোফ আনছাৰী আৰু গ্ৰীনডেল বিদ্যালয়ৰ আদিতি কুমাৰীয়ে যুটীয়া ভাৱে তৃতীয় স্থান দখল কৰে নৱম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ মাজত অনুষ্ঠিত প্ৰতিযোগিতাত ছেন্ট পল ইংৰাজী বিদ্যালয়ৰ সুদীপ্ত ডেকা প্ৰথম, গ্ৰীনডেল বিদ্যালয়ৰ খুছি তামাং দ্বিতীয় আৰু হলি চাইল্ড বিদ্যালয়ৰ প্ৰাচী শীলে তৃতীয় স্থান দখল কৰে ।অসমীয়া মাধ্যমত অনুষ্ঠিত ৰচনা প্ৰতিযোগিতাৰ ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ মাজত অনুষ্ঠিত প্ৰতিযোগিতাত শংকৰদেৱ শিশু নিকেতনৰ মৃগাংক গোস্বামী প্ৰথম, শংকৰদেৱ শিশু নিকেতনৰ নাজমা খাতুন দ্বিতীয় আৰু শংকৰদেৱ শিশু নিকেতনৰ প্ৰিঞ্চিপ্ৰিয়া দাসে তৃতীয় স্থান দখল কৰে ।নৱম শ্ৰেনীৰ পৰা দশম শ্ৰেণীৰ মাজত অনুষ্ঠিত প্ৰতিযোগিতাত অংকুৰ বিকাশ জাতীয় বিদ্যালয়ৰ হিমাদ্ৰী নাৰ্জাৰি প্ৰথম, অংকুৰ বিকাশ জাতীয় বিদ্যালয়ৰ সুস্মিতা দাস দ্বিতীয় আৰু শংকৰদেৱ শিশু নিকেতনৰ চিন্ময় নাথ তৃতীয় স্থান দখল কৰে ।প্ৰতিযোগিতাত ১২ খন বিদ্যালয়ৰ ৩১৩গৰাকী প্ৰতিযোগি অংশগ্ৰহণ কৰিছিল ।বিশ্ব পৰিবেশ দিৱস উপলক্ষে সেনা বাহিনীৰ ৰঙাপৰা ঠাকুৰবাৰী স্থিত সেনা শিবিৰৰ ব্লেজিং ছোৰ্ড নামৰ এটি দলে গ্ৰীনডেল বিদ্যালয়ত বৃক্ষ ৰোপণ কৰে।



## অসম-মেঘালয় সীমান্তৰ ৰাণীবাৰীত কাঠফলা মিলৰ সৈতে বৃহৎ পৰিমাণৰ কাঠ জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছয়গাঁও, ৯ জুন ঃ** পশ্চিম কামৰূপ বন সংমণ্ডলৰ অন্তৰ্গত তথা সীমান্তৱৰ্তী ৰাণীবাৰীত দীৰ্ঘদিনৰ পৰা চলি আহিছে কাঠফলা মিলটো। ৮ জুনৰ পুৱা প্ৰায় ৮ বজাত অসম চৰকাৰৰ বন, ৰাজহ আৰু আৰক্ষীৰ বিশাল বাহিনী উক্ত কাঠফলা মিলটোত অভিযান চলায়। অভিযানকাৰী যুটীয়া বাহিনীয়ে মিলটোৰ বিভিন্ন যন্ত্ৰপাতি, কাঠ লগতে অন্যান্য সা-সৰঞ্জাম জব্দ কৰি লোহাৰঘাটৰ বনাঞ্চলিক কাৰ্যালয়লৈ আনে। লোহাৰঘাট বনাঞ্চলিক কাৰ্যালয়ৰ বন বিষয়া চেমিম আখটাৰৰ নেতৃত্বত এই অভিযান চলিছিল। উক্ত অভিযানত পলাশবাৰী ৰাজহ চক্ৰ বিষয়া, পলাশবাৰী আৰক্ষী থানাৰ পুলিচ, কেন্দ্ৰীয় সংৰক্ষিত বাহিনী, পশ্চিম কামৰূপ বন সংমণ্ডল এ চি এফ উত্তম বসুমতাৰী, বন বিষয়া দ্বীপন ডেকাৰ সৈতে কুলশী বনাঞ্চলিক কাৰ্যালয়ৰ দল, বামুণীগাঁৱৰ প্ৰটেকচন স্কোৱাড, অসম বন সংৰক্ষিত বাহিনীৰ সৈতে বকো বনাঞ্চলিক কাৰ্যালয়ৰ দল আৰু লোহাৰঘাট বনাঞ্চলিক কাৰ্যালয়ৰ সমূহ বনকৰ্মীয়ে অংশ গ্ৰহণ কৰে।

### ধুবুৰীত আৰক্ষীৰ গো-মাফিয়াৰ বিৰুদ্ধে সৰ্ববৃহৎ পদক্ষেপ
## গৰু চোৰাংকাৰবাৰীৰ ভূ-সম্পদৰ বিৰুদ্ধে অভিযান ঃ ৬৫ লাখ টকাৰ সম্পদ বাজেয়াপ্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৯ জুন ঃ** অসম চৰকাৰে শেহতীয়া কৈ গৰুৰ চোৰাংকাৰবাৰী বন্ধ কৰাৰ বাবে কঠোৰ আইন জাৰি কৰিছে, চোৰাংকাৰবাৰী ক আটক কৰাৰ লগতে চোৰাংকাৰবাৰী ভূ সম্পদ জব্দ কৰাৰ নিৰ্দেশ আহি পৰিছে। চৰকাৰৰ কঠোৰ নিৰ্দেশ ৰ পিচত ধুবুৰী জিলা আৰক্ষী সহ অধী ক্ষক ৰ নেতৃত্ব ত আৰক্ষীয়ে আবু তাহেৰ মহমদ নজৰুল ইছলাম সেখ নামৰ এজন গৰু বেপাৰীক যোৱা ৩১/৫/২০২২ তাৰিখত আটক কৰে। তেওঁৰ বিৰুদ্ধে গোলকগঞ্জ থানাত ভাৰতীয় দণ্ডবিধিৰ ১২০বি/১২১/১২১এ/১২২/১২৩ ধাৰাত ৩৭৪/০৮ নম্বৰত গোচৰ ৰুজু হোৱা ভিত্তিত যোৱা কালি তেখেতৰ ব্যাক্তি ৬৫ লাখ, ৬৮ হেজাৰ ৩৫৯,৬৭ টকাৰ সা-সম্পত্তি বাজেয়াপ্ত কৰে। আবু তাহেৰ মহম্মদ নজৰুল ইছলাম সেখ কিছুদিন পূৰ্বে ধুবুৰী আৰক্ষীয়ে গোলোকগঞ্জৰ গংগাধৰ নৈৰ কাষত ৭টা কৈ গৰু জব্দ কৰাৰ লগতে গ্ৰেপ্টাৰ কৰিছিল আবু তাহেৰ মহম্মদ নজৰুল ইছলাম সেখক। লগতে জব্দ কৰিছিল জেচিবি, দুখনকৈ ট্ৰেক্টৰ, এখন অল্টো, এখন বাইক আৰু বেংক একাউ। যোৱা কালি একাউন্টৰ ৩ লাখ৭২ হাজাৰ ৩৫৯.৬৭ পইচাৰ লগতে গোলোকগঞ্জত থকা ২ বিঘা ৩ কাঠা ৬ লেচা মাটি জব্দ আৰক্ষীয়ে জব্দ কৰে, এই মাটিৰ মূল্য১৫ লাখ ৯৬ হাজাৰ টকা। আৰক্ষীয়ে আবু তাহেৰ মহম্মদ নজৰুল ইছলাম শেখৰ আজিলৈকে মুঠ ৬৫ লাখ টকাৰ সা সম্পত্তি জব্দ কৰিলে। উল্লেখ্য এজন গো মাফিয়া ৰ বিশাল সম্পদ উদ্ধাৰৰ ঘটনাত ৰাইজৰ মাজত চৰ্চাৰ সৃষ্টি হৈছে।



## লাহৰীঘাটৰ বাতৰি কাকত বিক্ৰেতা ইমতিয়াজুৰ ৰহমানে ৫৩ শতাংশ নম্বৰ লৈ উত্তীৰ্ণ হ'ল দ্বিতীয় বিভাগত
### বাতৰি কাকত বিক্ৰী কৰি পৰিয়াল চলোৱা এজন দৰিদ্ৰ ল'ৰাই জিনিলে বহু ঘাত-প্ৰতিঘাত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৯ জুন ঃ** সদ্য ঘোষিত হাই স্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত মৰিগাঁও জিলাৰ লাহৰীঘাট ৰহমান বুক ষ্টলৰ সকলোৰে জনপ্ৰিয় বৰবৰি গাঁৱৰ স্বৰ্গীয় আজিজুৰ ৰহমানৰ একমাত্ৰ পুত্ৰ ইমতিয়াজুৰ ৰহমানে মুঠ ৩২০ নম্বৰ পাই ৫৩ শতাংশত দ্বিতীয় বিভাগত উৰ্ত্তীণ হৈ প্ৰমাণ কৰি দেখুৱালে মনৰ ইচ্ছা থাকিলে দৰিদ্ৰতা বা অন্য কোনো সমস্যাই লিখা পড়াৰ ক্ষেত্ৰত হেঙাৰ হব নোৱাৰে। উল্লেখ্য যে লাহৰীঘাটত তেওঁৰ দেউতাকে বহু বছৰ বাতৰি কাকতৰ যোগান ধৰিছিল, যদিও কিছু বছৰ আগতে দেউতাকৰ কঠিন বেমাৰত মৃত্যু হয়। তেতিয়া কম বয়সৰ লৰা ইমতিয়াজুৰে লিখা পঢ় এৰি পৰিয়ালৰ জীৱিকা অৰ্জনৰ দায়িত্ব লবলগীয়া হয়। কাৰণ তেঁৱেই একমাত্ৰ পুত্ৰ সন্তান, সেয়ে উপায়ন্তৰ হৈ বাতৰি কাকত বিক্ৰি কৰাৰ ব্যৱসায় আৰম্ভ কৰে। এনেকৈ চলি থকা অৱস্থাতে এবছৰ আগতে এদিনাখন বিশাল অগ্নিকাণ্ডত দোকানটি সম্পূৰ্ণ ৰূপে ধ্বংস হৈ যায়। সেই মুহূৰ্তত চকুৰে ধোৱা কোৱা দেখা অৱস্থাত আগবাঢ়ি আহে লাহৰীঘাট প্ৰেছক্লাবৰ লগতে আৰু একাংশ লোকৰ সহায়ৰ দ্বাৰা যেনে তেনে এটা দোকানৰ ব্যৱস্থা কৰি দিয়ে। কাকতো পুনৰ যোগান ধৰি বৰ্তমানলৈ চলাই আছে। গোটেই দিন দোকানতে ব্যস্ততাৰ মাজতে পৰীক্ষাত অৱতীৰ্ণ হৈছিল। যাৰ ফলত উন্নত মানৰ ফলাফল নহলেও সন্তোষজনক ফলাফল লাভ কৰিছে।



केनरा बैंक Canara Bank
A Government of India Undertaking
सिंडिकेट Syndicate
বিক্ৰী জাননী
শিৱসাগৰ শাখা
ভৰালী কমপ্লেক্স, হস্পিতাল ৰোড, শিৱসাগৰ-৭৮৫৬৪০
ফোন নং ঃ +৯১-৯৪৩৫১৫৭২৫১/০৩৭৭২-২৩২২৪৫

**ই-নিলাম বিক্ৰী জাননী, স্থাৱৰ সম্পত্তিৰ কাৰণে, চিকিউৰিটাইজেচন এণ্ড ৰি-কনষ্ট্ৰাকচন অৱ ফাইনেন্সিয়েল এচেটছ এণ্ড এনফ'ৰ্চমেণ্ট অৱ ছিকিউৰিটী ইণ্টাৰেষ্ট এক্ট-২০০২, পঢ়ি উঠি ৰুলছ-৮(৬) ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ অনুসৰি।**

জাননীৰ জৰিয়তে সাধাৰণ ৰাইজক আৰু লগতে বিশেষভাৱে ঋণ লওঁতা আৰু গেৰেণ্টাৰক অৱগত কৰা হ'ল যে তলত উল্লেখ কৰা ছিকিয়ৰ্ড ক্ৰেডিটৰৰ ওচৰত বন্ধকীকৃত/নিৰিখিত স্থাৱৰ সম্পত্তি যিটো কানাড়া বেংকৰ কৰ্তৃত্বশীল বিষয়াই কনষ্ট্ৰাকটিভ/শাৰীৰিক অধিগ্ৰহণ কৰে, বিক্ৰী হ'ব **"য'ত আছে"** আৰু **"যি ধৰণে আছে"** ভিত্তিত **১১.০৭.২০২২** তাৰিখত কানাড়া বেংকৰ তলৰ উল্লেখ কৰা শাখাৰ ঋণ লওঁতা আৰু গাৰেণ্টাৰৰ পৰা অনাদায়সমূহ আদায় কৰাৰ বাবে।
আমানত ধন জমা (ইএমডি) দিব লাগিব **০৭.০৭.২০২২** তাৰিখ বা তাৰ পূৰ্বে বিয়লি ৪.০০ বজাত।
নিলাম হ'ব **"অনলাইন ই-নিলাম"** পদ্ধতিৰে https://indianbankseauction.com মাধ্যমেৰে।
**নিলামৰ তাৰিখ আৰু সময় ঃ ১১.০৭.২০২২, দিনৰ ১১.০০ বজাৰ পৰা ০১.০০ বজালৈ।**
(বিক্ৰী সম্পন্ন নোহোৱালৈকে প্ৰতি ৫ মিনিট ব্যৱধানৰ সীমাহীন সম্প্ৰসাৰণৰ সৈতে)
শাখা, ঋণ লওঁতা/ গেৰেণ্টাৰ, অনাদায় ধনৰ লগতে ইএমডি আৰু সম্পদৰ বিৱৰণ, সংৰক্ষিত মূল্য সম্পৰ্কত সবিশেষ ঃ

| ক্ৰঃ নং | (ক) ছিকিয়ৰ্ড ক্ৰেডিটৰ/শাখাৰ নাম আৰু ঠিকনা (খ) ঋণ লওঁতা/গেৰেণ্টাৰৰ নাম | স্থাৱৰ সম্পত্তিৰ সংক্ষিপ্ত বিৱৰণ | (ক) মুঠ অনাদায় (টকা) ঃ (খ) সংৰক্ষিত মূল্য (টকা) ঃ (গ) ইএমডি (টকা) ঃ (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট (টকা) ঃ |
|---|---|---|---|
| ১। | (ক) কানাড়া বেংক, শিৱসাগৰ শাখা, ভৰালী কমপ্লেক্স, হস্পিতাল ৰোড, শিৱসাগৰ-৭৮৫৬৪০ ফোন নং ঃ +৯১-৯৪৩৫১৫৭২৫১/ ০৩৭৭২-২৩২২৪৫ (খ) ঋণ লওঁতা মুষ্টেন অটোমোবাইলছ (স্বত্বাধিকাৰী ঃ মুষ্টেন শইকীয়া) ঠিকনা ঃ মেইন ৰোড, নাজিৰা টাউন ৱাৰ্ডনং-৬, নাজিৰা, অসম-৭৮৫৬৮৫ | ভূমিৰ পৰিমাপ- ১ বিঘা-২ কঠা, ৫ লেচা, আৱৰি আছে দাগ নং-৭৬০, পি পি নং-২৭৮। অৱস্থিত আছে- জোকতুলি মৌজাৰ অন্তৰ্গত ন-মাটি গাঁও, ডাকঘৰ-ন-মাটি, থানা-নাজিৰা, জিলা-শিৱসাগৰ, অসম। লগত আছে এটা আবাসিক অসম আৰ্হিৰ তথা আৰ চি চি বিল্ডিং। ভূমি চাৰিসীমা ঃ পূবে- ইনামুদ্দিন শইকীয়াৰ ভূমি, পশ্চিমে- ফৈজুদ্দিন শইকীয়াৰ ভূমি, উত্তৰে- ছিদ্দিক শইকীয়াৰ ভূমি আৰু পথ, দক্ষিণে- নিজৰ ভূমি। | (ক) মুঠ অনাদায় ঃ ৭৮.৫৭ লাখ টকা + অতিৰিক্ত সুত আৰু ব্যয়। (খ) সংৰক্ষিত মূল্য ঃ ৭৫.০০ লাখ টকা (গ) ইএমডি ঃ ৭.৫০ লাখ টকা (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট ঃ ১.০০ লাখ টকা |

বিক্ৰীৰ ক্ষেত্ৰত সবিশেষ তথ্য আৰু চৰ্তৰ বাবে কানাড়া বেংকৰ ৱেবছাইট (**www.canarabank.com**)ত দিয়া 'ই-নিলাম' লিংক চাওক বা যোগাযোগ কৰিব পাৰিব শিৱসাগৰ শাখাৰ মুখ্য প্ৰবন্ধক, যোগাযোগ নম্বৰ ঃ +৯১-৯৪৩৫১৫৭২৫১/৩৭৭২-২৩২২৪৫ বা শিৱসাগৰ শাখাৰ জ্যেষ্ঠ প্ৰবন্ধক, ফোন নং- ৯৯৫৭৭২৯৩২৫ ৰ সৈতে যিকোনো কৰ্ম দিনত কাৰ্যালয় চলি থকা সময়ৰ ভিতৰত।

**তাৰিখ ঃ ০৮.০৬.২০২২, স্থান ঃ শিৱসাগৰ** **কৰ্তৃত্বশীল বিষয়া, কানাড়া বেংক**

No. CE/H&UA/Tech/17/PT-II/21-22/59

**PRESS NOTICE**

The Chief Engineer, H&UA (Technical Cell), Assam on behalf of the Governor of Assam invites proposal from reputed Class-I Contractor/Farm registered under P.W.D, Assam and having extensive experience in the relevant field of work for the following work.

| SI No | Name of work | Approx value of work (in Lakhs) | Cost of RFP and BID Document | EMD / BID security | Last Day of Submission of Bid |
|---|---|---|---|---|---|
| 1 | Construction of open Air Theater cum Library for senior Citizen at Bishturam Baruah Hall premises and preservation as Heritage building at Jorhat under CIDF for the year 2021-22. | ₹ 247.50 Lakhs | ₹5,000.00 | Rs. 4.95 Lakhs for Unreserved Category & Rs. 2.48 Lakhs for ST/SC/ OBC/ MOBC/UGE | 23-06-2022 |

1. Details of the bid may be seen at e-procurement portal website i.e., www.assamtenders.gov.in and also in the office of the undersigned during office hours from 14:00 hrs of 10-06-2022 to 23-06-2022.
2. The BID validity period of the RFP shall be 180 days from the date of submission.
3. The Bidders must be registered with the E-tendering system (ETS) of the Govt, of Assam.
4. The Chief Engineer, H&UA (Technical Cell), Assam reserves the right to accept or reject any or all proposals without showing any reason thereof.

sd/-
Chief Engineer (Technical Cell)
Department of Housing and Urban Affairs
Assam, Guwahati-03

*Janasanyog /C/4254/22*

দৈনন্দিন বাৰ্তা
সম্পাদকীয়
১০ জুন ■ ২০২২ ■ ২৬ জেঠ ■ গুৱাহাটী

# শান্তি আলোচনাৰে অচলাৱস্থা দূৰ হওক

উত্তৰ-পূবৰ ৰাজ্যকেইখনত কেইবাটাও বিদ্ৰোহী সংগঠনে চলাই অহা সংগ্ৰামত ৰাজ্যবোৰত সমস্যাৰ সৃষ্টি হৈ অহাৰ কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। অথচ কেন্দ্ৰীয় চৰকাৰখনে এইক্ষেত্ৰত যেনেদৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল, তেনে ব্যৱস্থা লোৱাত অনিচ্ছা প্ৰকাশ কৰি অহাৰ কথা উত্তৰ-পূবৰ জনসাধাৰণে উপলব্ধি নকৰাকৈ থকা নাই। সময়ে সময়ে উত্তৰ-পূবৰ সংগঠনৰ লগত শান্তি আলোচনাৰ কথা প্ৰকাশ পাই আহিছে যদিও মূৰকত সেই আলোচনা বিফল হোৱাৰ ঘটনাই সকলোকে আচৰিত কৰি আহিছে। অলপতে নাগালেণ্ড জনজাতি পৰিষদৰ এক বিজ্ঞপ্তিত নগা সমস্যাৰ সমাধানৰ বাবে প্ৰধান বিদ্ৰোহী সংগঠন এনএছচিএনক (আইএম) সোনকালে এক সিদ্ধান্ত গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। যোৱা কেইবা দশক ধৰি নগা সমস্যা সন্দৰ্ভত শান্তি আলোচনাই বিশেষ কোনো ফলপ্ৰসু হোৱাত সমস্যাটোৰ সমাধানৰ ক্ষেত্ৰত আশাব্যঞ্জক আশা নোহোৱা হৈছে আৰু সামগ্ৰিকভাৱে ৰাজ্যখনৰ উন্নয়নো বাধাপ্ৰাপ্ত হৈছে। একৰকম স্থৱিৰ হৈছে। শেহতীয়াকৈ যোৱা দুটা মাহত শান্তি আলোচনাৰ প্ৰধান অংশীদাৰ তথা বিদ্ৰোহী সংগঠন এনএছচিএন (আইএম) আৰু কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি তথা মধ্যস্থতাকাৰীৰ মাজত হোৱা আলোচনাৰ পাছতো কোনো ধৰণৰ সিদ্ধান্তত উপনীত হ'ব নোৱৰাত সমস্যাটোৰ ভাল ফল পোৱা নহ'ল। বিদ্ৰোহী এনএছচিএন (আইএম)এ নগা জনগণৰ বাবে পৃথক পতাকা আৰু সংবিধানৰ দাবীত অটল হৈ আছে। এই দাবী বাদ দি সংগঠনৰ মুৰব্বী মুইভাই কোনো ধৰণৰ আপোচ কৰিবলৈ ইচ্ছুক নহয়। অৱশ্যে কেন্দ্ৰীয় চৰকাৰে নগাসকলৰ বাবে পৃথক সাংস্কৃতিক পতাকাৰ বাবে সন্মতি প্ৰকাশ কৰিছে যদিও এনএছচিএন (আইএম)-এ বিচাৰে এখন পৃথক জাতীয় পতাকা। যিখন ভাৰতৰ জাতীয় পতাকাৰ স্থানত নগা জাতীয় পতাকাৰ দাবী কৰা হৈছে। আৰু সেইখনেহে তেওঁলোকৰ সুকীয়া পৰিচয় বহন কৰিব। কেন্দ্ৰীয় চৰকাৰে এই দাবী মানি ল'বলৈ টান পাইছে, কাৰণ ভাৰতৰ এখনেই ৰাষ্ট্ৰীয় পতাকা আৰু ইয়াৰ তলত সকলো ৰাজ্য ঐক্যবদ্ধ হৈ আছে। নাগালেণ্ডো ভাৰতৰ এক অবিচ্ছেদ্য অংগ ৰাজ্য। তেনেস্থলত ইয়াত ভাৰতীয় ৰাষ্ট্ৰীয় পতাকা উৰিব আৰু পৃথক পতাকা উৰিবলৈ ভাৰত চৰকাৰে দিব নোৱাৰে। কাৰণ এই পতাকাখনে ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বৰ পৰিচয় দিয়ে। ইয়াৰ স্থানত সুকীয়া পতাকাই সাৰ্বভৌমত্ব সুৰক্ষিত কৰিব নোৱাৰিব। সংবিধানৰ পৃথকতাৰ ক্ষেত্ৰতো একে ধৰণৰ সমস্যাই দেখা দিয়ে। দেশৰ সকলো অংগ ৰাজ্যই ভাৰতৰ সংবিধানৰ শাসন স্বীকাৰ কৰে। ইয়াক বাদ দি কোনো ৰাজ্যই পৃথক সংবিধান গ্ৰহণ কৰিব নোৱাৰে। এনএছচিএন (আইএম)ৰ নেতাসকলে সাৰ্বভৌমত্বৰ কথা পোনপটীয়াকৈ কোৱা নাই যদিও সুকীয়া পতাকা আৰু সংবিধানৰ দাবীৰে এক ধৰণৰ তাকেই বিচাৰিছে বুলি ক'ব পাৰি। চৰকাৰ পক্ষয়ো ইয়াক আপোচ কৰিব নোৱাৰে। সেয়ে শান্তি আলোচনা বহু দূৰ আগবাঢ়িও থমকি ৰ'ব লগা হয়। এইক্ষেত্ৰত দুয়ো পক্ষ নমনীয় হ'লেহে শান্তি আলোচনাৰ অচলাৱস্থা দূৰ হ'ব বুলি আশা কৰিব পাৰি। আঁকোৰ-গোঁজ স্থিতি দুয়োপক্ষই পৰিত্যাগ কৰিব পাৰিলে শান্তি আলোচনাই আশাৰ সম্ভেদ দিয়াই নহয়, ৰাজ্যখনলৈও সমস্যাৰ সমাধানৰে শান্তিৰ পৰিৱেশ বিৰাজ কৰিব বুলি আশা কৰিব পাৰি। নাগালেণ্ডৰ শান্তি আলোচনাই শান্তি ঘূৰাই আনিলে, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চললৈ শান্তি ঘূৰি আহিব বুলি জনসাধাৰণেও গভীৰ উদ্বেগৰে বাটচাই আছে। সেয়েহে সকলোৰে মংগলৰ বাবে সকলো অচলাৱস্থা দূৰ কৰিব পৰাটো সকলোৰে কাম্য।

# বিহংগম দৃষ্টিত বাগিচাত শিক্ষাৰ সোণালী যুগৰ শুভাৰম্ভণী আৰু কিছু প্ৰাসংগিক চিন্তা

**মৃদুল কুমাৰ চাহু**

ব্যক্তিৰ জীৱন্ত আৰু মানসিক সমষ্টিয়েই হৈছে সমাজ। এই সমাজখনত আমাৰ চৰিত্ৰ, বিশ্বাস, ৰীতি-নীতি, চিন্তা-ভাৱনা আদিৰ দলগতভাৱে আমি গ্ৰহণ কৰা ভূমিকাৰ ওপৰত সামাজিক সত্তা বহুখিনি নিৰ্ভৰ কৰে। সেই মানসিক সত্তাক ধৰি ৰাখিবলৈ শিক্ষাৰ প্ৰয়োজন। সামাজিক সত্তায়ে বিচাৰে শিক্ষাক। শিক্ষাৰ জখলাত বগাই আমাৰ বিকাশ সাধন কৰিবলৈ অগ্ৰসৰ হওঁ। নীতি শিক্ষা আৰু মনোবিজ্ঞানৰ আধাৰত শিশু শিক্ষাতত্ত্ব গঢ়ি তোলাৰ বাবে শিক্ষক আৰু অভিভাৱকৰ ভূমিকা যথেষ্ট আছে। এখন সমাজক শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত আগবঢ়াই নিবলৈ হ'লে সমাজখনৰ সচেতন, শিক্ষিত ব্যক্তিসকলে শিক্ষাতত্ত্বৰ সম্পৰ্কত দাৰ্শনিকসকলে কৰা মন্তব্য আৰু দায়বদ্ধতাৰ দিশবোৰ গুৰুত্ব প্ৰদান কৰি সমাজত শিক্ষা সত্তাক আগবঢ়াই নিবলৈ চেষ্টা নকৰা বাবেই আজি একবিংশ শতিকাতো চাহ শ্ৰমিক সমাজখন প্ৰতিযোগিতামূলক দৃষ্টিভংগীৰে সামাজিক সত্তাক প্ৰতিষ্ঠা কৰিব নোৱাৰিলে। মানুহৰূপে সৃষ্ট শ্ৰমিকসকল কেৱল শ্ৰম আৰু শ্ৰমৰ তাগিদাত জীয়াই থকাৰ সংগ্ৰাম কৰি অসমৰ অৰ্থনৈতিক ক্ষেত্ৰখনলৈ শক্তিশালী বুনিয়াদ গঢ়ি আহিছে। শৰীৰৰ অংগক শ্ৰমৰ বাবে প্ৰতিটো দিনে অস্ত্ৰোপ্ৰচাৰ কৰিও অনুকম্পা নোহোৱাকৈ নিজক এগৰাকী অসমীয়াৰূপে প্ৰতিষ্ঠা কৰিবলৈ অদম্য সাহস বুকুত কঢ়িয়াই বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত মুখ্য ভূমিকা গ্ৰহণ কৰা চাহ শ্ৰমিকৰ সন্তানক নতুন চিন্তাৰ উদ্বেগ ঘটাই সামাজিক সত্তাৰ প্ৰতি থাকিব লগা দায়িত্বৰ প্ৰাণ-প্ৰতিষ্ঠাৰ নিমিত্তে ৰাজ্য চৰকাৰে বহুকেইটা যুগান্তকাৰী স্কুল স্থাপন কৰি বাগিচাত শিক্ষাৰ সোণালী যুগৰ সূচনাৰ যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া অত্যন্ত প্ৰশংসনীয়। অসমৰ ভূমিত ভৰি দিয়া দুশটা বছৰ অতিক্ৰম কৰা চাহ শ্ৰমিকসকল কেৱল শ্ৰমিকৰূপে এক গোলামী জীৱনক অধিকাৰী হৈ জীয়াই আছিল। চাহ শিল্পৰ লগত নিজক আত্মিকভাৱে জড়িত কৰি পুঁজিপতিৰ স্বাৰ্থত জীৱনটোক উছৰ্গা কৰা শ্ৰমিকসকলৰ সামাজিক সত্তাৰ ক্ষেত্ৰত কোনেও প্ৰাধান্য দিয়া নাছিল। দেশে স্বাধীনতা লাভ কৰা ৭৫টা বছৰ অতিক্ৰম কৰাৰ পিছতো বাগিচাত হাইস্কুল প্ৰতিষ্ঠা হোৱা নাছিল। প্ৰাথমিক বিদ্যালয় স্থাপন কৰি চাহ পুঁজিপতি আৰু চৰকাৰসমূহে নিজৰ দায়িত্ব পালন কৰিছিল। কিন্তু বাগিচাসমূহত চলি থকা প্ৰাথমিক শিক্ষা পদ্ধতিৰ ক্ষেত্ৰত দৃষ্টি প্ৰদান কৰি আধুনিক শিক্ষাৰ পদ্ধতি প্ৰভাৱ বিস্তাৰ কৰাত মনোনিৱেশ নকৰাৰ ফলত শিক্ষা ব্যৱস্থাই সমাজখনত সামাজিক সত্তা প্ৰতিষ্ঠা কৰাত চূড়ান্ত ব্যৰ্থ হয় আৰু তাৰ পৰিণতিত সমাজখনে লাভ কৰে অচেতন ব্যক্তিক। সামাজিক সত্তাক প্ৰতিষ্ঠা কৰিবৰ বাবে সমাজখনত প্ৰয়োজন সচেতন ব্যক্তিৰ। বিভিন্ন জাতি-উপজাতিৰে সংগঠিত হৈ থকা ৰাজ্যৰ চাহ শ্ৰমিকসকলৰ সমাজ ব্যৱস্থাত যিবোৰ মানুহ তেওঁলোকৰ অধিকসংখ্যকৰে নাই সচেতনতাৰ জ্ঞান। ৰাজনৈতিক প্ৰভাৱত নিজক মুক্ত কৰিব নোৱৰা অচেতনতাৰে ভৰি পৰা ব্যক্তিসকলে বছৰ বছৰ ধৰি চাহ শ্ৰমিকসকলক ভোট বেংকৰূপে ৰাজনৈতিক ক্ষেত্ৰখনত প্ৰতিষ্ঠা কৰি অহাত সমাজখনে শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত হৈ আহিছিল। কংগ্ৰেছে দীৰ্ঘ সময় ধৰি চাহ শ্ৰমিকসকলক ভোট বেংকৰূপে ৰাজনৈতিক ক্ষেত্ৰখনত প্ৰতিষ্ঠা কৰি অহাত সমাজখনে শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত হৈ আহিছিল। কংগ্ৰেছে দীৰ্ঘ সময় ধৰি চাহ শ্ৰমিকসকলক ভোট বেংকৰূপে ব্যৱহৃত কৰি ক্ষমতা কুক্ষিগত কৰিছিল যদিও বাগিচাসমূহত উচ্চ শিক্ষা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তিলমাত্ৰাও গুৰুত্ব প্ৰদান নকৰিলে। কংগ্ৰেছৰ মজিয়াত মন্ত্ৰী-বিধায়ক হৈ দপদপাই থকাৰ পিছতো ৰাজ্যৰ ৮৫০খন চাহ বাগিচাৰ ভিতৰত এখন চাহ বাগিচাক আদৰ্শ বাগিচাৰূপে গঢ় দিব নোৱৰাসকলে আহি হঠাৎ শ্ৰমিক দৰদী হৈ সামাজিক সত্তাৰ নিমিত্তে আস্ফালন কৰিবলৈ লৈছে। কংগ্ৰেছৰ সুৰত সুৰ মিলাই চাহ শ্ৰমিকক গোলামীৰ শিকলিৰে পিঞ্জৰাবদ্ধ কৰাত চাহ পুঁজিপতিক উৎসাহিত কৰি অহা নেতাসকলে শ্ৰমিক সমাজখনৰ সামাজিক গাঁথনিটোক শক্তিশালী কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপে তেওঁলোকৰ ভিতৰুৱা সুবিধাবাদী চৰিত্ৰক শ্ৰমিক দৰদী প্ৰলেপ লগাই ওলাই আহিছে যদিও বৰ্তমানৰ চৰকাৰখনে চাহ শ্ৰমিকৰ সামাজিক, শৈক্ষিক, অৰ্থনৈতিক ক্ষেত্ৰত নতুন চিন্তাৰ উদ্ৰেক ঘটাই নতুনকৈ সংগঠিত কৰি শ্ৰমিকৰ সামাজিক গাঁথনিটো শক্তিশালী কৰিবলৈ কৰা চেষ্টা আদৰণীয়। দীৰ্ঘ সময় ধৰি পংকিলতাৰে জীৱন অতিবাহিত কৰা সমাজখনক মনোবিজ্ঞানৰ দৃষ্টি কোণেৰে পৰ্যবেক্ষণ কৰি শিক্ষাৰ ক্ষেত্ৰত জোৰ দি নতুন যুগৰ সূচনা কৰিবলৈ দায়বদ্ধতাৰে চৰকাৰখনে গ্ৰহণ কৰা আঁচনিয়ে শিক্ষাৰ দৃষ্টিৰে সামাজিক অৱস্থাৰ দিশবোৰ অনুধাৱন কৰিব পৰা সচেতন ব্যক্তিৰ সংখ্যা বৃদ্ধিত অৰিহণা যোগাব। ইতিমধ্যে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে শোষিত, প্ৰতাৰিত জাতিটোৰ উত্তৰণৰ স্বাৰ্থত সমস্যাসমূহৰ সূত্ৰ উলিয়াই পৰ্যায় ক্ৰমে গ্ৰহণ কৰা আঁচনিসমূহ বাস্তৱত ৰূপায়ণ হ'লে নিশ্চয় জাতিটোৰ চিন্তা-চেতনাৰে এক নতুন যুগৰ শুভাৰম্ভণী ঘটিব।

উল্লেখ্য, বছৰ বছৰ ধৰি পংগুত্ব চিন্তা-ভাৱনাৰে পৰিচালিত হৈ অহা চাহ শ্ৰমিক সমাজখনক নতুন চিন্তাধাৰাৰে সামাজিক সত্তাৰ জ্ঞান দিয়াটো তেনেই সহজ নহয়। সমাজখনৰ বিকাশ সাধনৰ বাবে সমাজখনত প্ৰাদুৰ্ভাৱ ঘটিবনে মনোবিজ্ঞানৰ ভিত্তিত সকলো সূক্ষ্ম সূক্ষ্ম সমস্যাবোৰ বিশ্লেষণ কৰি সচেতন ব্যক্তিৰ সৃষ্টিৰ পটভূমি তৈয়াৰ কৰিব। বাগিচাত হাইস্কুল স্থাপন কৰিলেই সমাজখনে সোণালী যুগৰ সোৱাদ লাভ কৰিব পৰাকৈ চৰকাৰে বিদ্যালয়সমূহৰ চাহিদাত গুৰুত্ব দিব লাগিব। বাগিচাৰ শিক্ষাৰ্থীৰ উপযুক্ত, শিক্ষা লাভৰ ক্ষেত্ৰত চৰকাৰে আন বিদ্যালয়ৰ তুলনাত কিছু ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰিব লাগিব। যিহেতু মুখ্যমন্ত্ৰীগৰাকীয়ে ছাড়েন ভিজিট কৰিলেই বাগিচা আৰু বাগিচা অধ্যুষিত অঞ্চলৰ প্ৰাথমিক শিক্ষাৰ দুৰৱস্থাৰ ছবিখন দেখিব। যদিও বাগিচাৰ শৈক্ষিক পৰিদৰ্শন নকৰি পূৰ্বকল্পিতভাৱে সজাই-পৰাই তোলা বিদ্যালয় পৰিদৰ্শন কৰি হাইস্কুল স্থাপনৰে শিক্ষাৰ সোণালী যুগৰ সূচনাৰ সপোন দেখিছে, উক্ত সপোন ভাঙিবলৈ বৰ বেছি দিন অপেক্ষা কৰিব নালাগিব। কাৰণ আজিও চলি আছে ছাত্ৰ-ছাত্ৰী নাথাকিলেও আমাৰ চাকৰি চলি থাকিব এনে মানসিতাৰে শিক্ষা প্ৰদান প্ৰক্ৰিয়া। বাগিচাৰ অভিভাৱকসকল তেনেই সহজ-সৰল। শ্ৰম আৰু জীৱনৰ লগত একাত্মক হৈ জীয়াই থকাৰ সংগ্ৰামত ব্ৰতী থকা শ্ৰমিকসকলৰ অভিভাৱকত্বক কোনেও মানি নলয়। কাৰণ সহ্য কৰি থকাজন ভাল অভিভাৱক আৰু শিক্ষা আৰু শিক্ষকৰ দায়িত্বৰ খুঁত ধৰিলেই মূৰ্খ অভিভাৱক আখ্যা দিয়া শিক্ষাগুৰুসকলে চাহ শ্ৰমিক সমাজখনত শৈক্ষিক বাতাবৰণ প্ৰতিষ্ঠাত কিমান গুৰুত্ব প্ৰদান কৰিব তাৰ ওপৰতেই নিৰ্ভৰ কৰিব সোণালী যুগৰ সূচনা। চৰকাৰে বৰ্তমান ৯৬ বাগিচাত আদৰ্শ বিদ্যালয় স্থাপন কৰি চাহ বাগিচাত শিক্ষাৰ সোণালী যুগৰ সূচনা আৰম্ভ কৰিলে। কিন্তু উক্ত আদৰ্শ হাইস্কুলৰ শিক্ষকৰ বাবে বাগিচাৰ শিক্ষিত যুৱক-যুৱতীকেইগৰাকীক নিৰ্বাচন কৰা হ'ল। বাগিচাৰ যুৱকক চাহ শ্ৰমিক মজুৰিৰ ভিত্তিত চতুৰ্থ শ্ৰেণী কৰ্মচাৰীৰূপে নিযুক্তি ব্যৱস্থা কিমান গ্ৰহণযোগ্য। শেহতীয়াভাৱে সদৌ আদিবাসী চাহ জনগোষ্ঠী জাগৰণ সন্থা (আটজাই) আদৰ্শ হাইস্কুলসমূহত স্থানীয় শিক্ষিত যুৱক-যুৱতীক নিযুক্তি দিয়াৰ দাবী কৰিছে। সংগঠনটোৱে অভিযোগ কৰা মতে সদ্য উদ্বোধন কৰা আদৰ্শ হাইস্কুলসমূহত পশ্চিমবংগ, শিলিগুড়ি, মুৰ্ছিদাবাদ, মালদাৰ পৰা টকাৰে ৯৭ শতাংশ নম্বৰপ্ৰাপ্ত শিক্ষাৰ প্ৰমাণ-পত্ৰ ক্ৰয় কৰি অনা যুৱক-যুৱতীক আদৰ্শ হাইস্কুলত শিক্ষকৰূপে নিযুক্তি দিয়া ব্যৱস্থা কৰা বুলি সংগঠনটোৰ নেতা সন্তোষ কুৰ্মীয়ে উত্থাপন কৰা অভিযোগৰ সত্যতা কিমান আমি নাজানিলেও বিশেষ জনগোষ্ঠীক প্ৰাধান্য দি চৰকাৰখনে আদৰ্শ হাইস্কুলত নিযুক্তি দিয়া শিক্ষক-শিক্ষয়িত্ৰীৰ দ্বাৰা চাহ বাগিচাত শিক্ষাৰ সোণালী যুগৰ সূচনাই সমাজখনক সময়ৰ লগত ফেৰ মাৰিব পৰাকৈ এটা যুগৰ শুভাৰম্ভণী ঘটোৱাত সফল হ'বনে? চাহ বাগিচাত আদৰ্শ হাইস্কুল প্ৰতিষ্ঠা কৰি সোণালী যুগৰ সূচনাৰ পাতনি মেলা চৰকাৰখনে আদৰ্শ হাইস্কুলৰ শিক্ষাৰ মাধ্যমেৰে সমাজখনত মূল্যবোধৰ শিক্ষা প্ৰতিষ্ঠাত কিমান গুৰুত্ব পাব সময়ত ছবিখন স্পষ্ট হৈ পৰিব যদিও শিক্ষাত মূল্যবোধৰ প্ৰশ্নটোৰ উত্তৰ দিয়াটো বৰ সহজ সাধ্য নহয়। সত্যক মূল্যবোধৰ আধাৰৰূপে দাৰ্শনিকসকলে ক'ব বিচাৰে। দাৰ্শনিকসকলৰ মতত প্ৰকাশ পোৱা মতে বৌদ্ধিক দিশ আৰু প্ৰমূল্যৰ মনোবৈজ্ঞানিক প্ৰক্ৰিয়াৰ ঘটনা ক্ৰমিক বিশ্লেষণৰ মাধ্যমত সত্য আৰু প্ৰমূল্য যে প্ৰকৃততে পৃথক তাকে প্ৰমাণ কৰিছে। সেয়ে প্ৰমূল্য আৰু উন্নত ধাৰণাৰ বাবে দৰ্শনক স্বতঃসিদ্ধৰূপে গ্ৰহণ কৰি প্ৰমূল্যবোধ প্ৰতিষ্ঠাত গুৰুত্ব প্ৰদান কৰিব পৰা শিক্ষাগুৰুসকলৰ ওপৰতে চাহ সমাজখনৰ শৈক্ষিক দিশটোৱে এক নব্য যুগৰ সূচনা কৰাত এক যুগান্তকাৰী ভূমিকা পালন কৰিব। শিক্ষাৰ্থীৰ মনত আত্মবিশ্বাস জন্মাব পাৰিব লাগিব। সময় আৰু পৰিস্থিতিৰ লগতে প্ৰতিযোগিতামূলক চিন্তাকে নিজক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত বাগিচাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আত্মপ্ৰত্যয় ভাব জাগ্ৰত কৰি আন্ধাৰৰ বেহু ফালি পোহৰৰ সন্ধান কৰিব পৰা ছাত্ৰ-ছাত্ৰী আদৰ্শ হাইস্কুলৰ মজিয়াৰ পৰা ওলাই আহি সৃজনশীলতাৰে সামাজিক সত্তাৰ বিকাশ সাধন কৰিব পাৰিলেই চৰকাৰৰ সপোন সফল হ'ব। চাহ শ্ৰমিকৰ সমাজখনত মানৱ সম্পদ গঢ়াৰ ক্ষেত্ৰত হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে যেনেদৰে গুৰুত্ব দিছে তেনেদৰে চাহ শ্ৰমিকৰ দৈনিক মজুৰিৰ ক্ষেত্ৰত মান্যতা প্ৰদান কৰি বিশেষ কেবিনেট কমিটী গঠন কৰি কমিটীখনে যুগুত কৰিব শ্ৰমিক মজুৰি বৃদ্ধিৰ পৰামৰ্শমূলক প্ৰতিবেদন। উক্ত প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি চৰকাৰে মজুৰি বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰিব। চাহ মজদুৰ সংঘৰ প্ৰতিনিধিসকলৰ সৈতে মিলিত হোৱাত পিছতে চৰকাৰে শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ সম্পৰ্কত গুৰুত্বপূৰ্ণ সিদ্ধান্ত লয়। চৰকাৰখনে এটা বছৰ অতিক্ৰম কৰাৰ সন্ধিক্ষণতেই বছৰ বছৰ ধৰি সকলো দিশতে প্ৰতাৰিত-প্ৰৱঞ্চিত হৈ থকা চাহ শ্ৰমিক সমাজখনৰ মজিয়াৰ পৰা মানুহ বনোৱাৰ নিমিত্তে উল্লেখনীয় দিশৰ শুভাৰম্ভ কৰিছে। বাগিচাৰ সকলো শিশুক শিক্ষিত কৰাৰ যি সংকল্প লৈছে তেনেদৰে সমাজখনত মানুহৰূপে গঢ় দিয়াৰ ক্ষেত্ৰতো সমানে গুৰুত্ব দিয়ক। যিহেতু অতদিনে চাহ শ্ৰমিকৰ মাজত নেতা সৃষ্টিৰ কাৰখানাৰূপে সমাজখনক ৰাজনৈতিক দলসমূহে ব্যৱহাৰ কৰি আহিছিল। সমাজখনৰ পৰা ওলোৱা নেতা-মন্ত্ৰীসকল পত্নী-কন্যা-পুত্ৰ আৰু মই সমাজত সীমাবদ্ধ থাকি শ্ৰমিকৰ মূৰত কঁঠাল ভাঙি খাই আহিছে। তেনে পৰম্পৰাক নস্যাৎ কৰি বৰ্তমানৰ চৰকাৰখনে আৰম্ভ কৰা আলোক সন্ধানী যাত্ৰাই সমাজখনলৈ নতুন দিগন্ত কঢ়িয়াই আনিব। জাতিক লৈ ক্ষমতা খঁকুৱা তোষামোদকাৰীয়ে চৰকাৰৰ সংকল্পক বাস্তৱ ৰূপ দিয়াত বিধি-পথালি দিবলৈ সমাজখনত একাংশ সক্ৰিয় হৈ থকাটোও অসম্ভৱ নহয়।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

# আমি কেতিয়া সপোনৰ শান্তিৰ পৃথিৱীখন বিচাৰি পাম ?

আমি কেতিয়া সপোনৰ শান্তিৰ পৃথিৱীখন বিচাৰি পাম? তেনে কিছু প্ৰশ্ন সকলোৰে মনত উদয় হয়। সকলোৰে মনত উদয় হোৱাটো অৱশ্যে স্বাভাৱিক বিষয়। আমি সকলোৱে এখন শান্তিৰ পৃথিৱী বিচাৰোঁ। য'ত মানুহৰ মাজত থকা অসূয়া-অপ্ৰীতি, হিংসা-দাবানলবোৰ নাথাকিব। য'ত মানুহৰ মাজত থকা সম্পৰ্কবোৰ শক্তিশালী এক বান্ধোনেৰে বান্ধ খাই থাকিব। আমি মানুহবোৰে যিদিনা বুজি পাম আচল শান্তিৰ সংজ্ঞা সেইদিনাই হয়তো আমি সকলোৱে প্ৰতিষ্ঠা কৰিব পাৰিম শান্তিৰ বাতাবৰণ। আমি সকলোৱে নিজকে প্ৰচেষ্টা কৰিব লাগিব, যাতে আমাৰ সমাজত শান্তিৰ পৰিৱেশ ঘূৰি আহে। সকলোৱে উদ্যম আৰু আশাটো এৰিব নালাগে। সেই উদ্যম আৰু আশাশুধীয়া প্ৰচেষ্টাই পূৰণ কৰিব পাৰিব আমি দেখা সপোনবোৰক। আমি সকলোৱে বৰ্তমান সময়ত ঘটা অবাঞ্ছনীয় ঘটনা-দুৰ্ঘটনাবোৰৰ প্ৰতি চকু ৰাখিব লাগিব। আমি বুজি উঠিব লাগিব সেই অবাঞ্ছনীয় ঘটনাবোৰৰ উৎস কি? কিয় তেনে পৰিস্থিতিসমূহ সমাজত গঢ়ি উঠিছে? সেই কাৰণবোৰ অনুধাৱন কৰিবলৈ সক্ষম হৈ আমি তাক নিৰাময় আৰু প্ৰতিৰোধৰ ব্যৱস্থাও গ্ৰহণ কৰিব লাগিব। তেনে সদা সজাগ-সচেতনতাই আমাৰ সমাজখনত চলি থকা দুৰ্যোগসমূহ আঁতৰাই এক শান্তিৰ পৰিৱেশ ঘূৰাই অনাত সহায় কৰিব পাৰিব। সপোনৰ শান্তিৰ পৃথিৱী কিমান দূৰ প্ৰাসংগিক বা কিমান দূৰ বাস্তৱ প্ৰতিফলন ঘটোৱাত কৃতকাৰ্যতা লাভ কৰিব পাৰে তাক কোৱাটো সম্ভৱপৰ নহয়। কিয়নো শান্তিৰ পৃথিৱী বুলি ক'লে তাৰ সংজ্ঞাটো নিৰ্ণয় কৰাতো অসুবিধা আছে। অৱশ্যে অশান্তিৰ বিপৰীত দিশটোকে আমি শান্তি বুলি গণ্য কৰি আহিছোঁ। য'ত হাই-কাজিয়া,অসূয়া-অপ্ৰীতি, হিংসা, কটাকটি, হত্যাৰ দৰে নেতিবাচক দিশবোৰ অনুপস্থিত থাকে। য'ত মানুহৰ মৰ্যাদা, আত্ম-স্বাভিমান, আত্মসন্মান আদি বৰ্তাই ৰাখিব পাৰে। য'ত মানুহৰ মাজত সুখ-সম্প্ৰীতি, সহযোগিতা, পাৰস্পৰিক বুজাপৰাৰ দৰে দিশবোৰ প্ৰতিফলন ঘটে। শান্তি লাগে বুলি কৈ থাকিলেই সমাজত শান্তি স্থাপন হৈ নুঠে। তাৰ বাবে আমি সকলোৱে প্ৰচেষ্টা আৰু যত্ন কৰিব লাগিব। প্ৰতিজন লোকে সজাগ-সচেতন হৈ সমাজৰ আকৰ্ষণীয় দিশবোৰ প্ৰতিফলন ঘটোৱাত আগভাগ ল'ব লাগিব। সমতা আৰু ভাতৃত্ববোধৰ নিজৰা বিয়পাব লাগিব। ইতিবাচক চিন্তাধাৰা, সু-কৰ্মবোৰ কৰি যোৱাত সকলোৱে সক্ৰিয় ভূমিকা ৰূপায়ণ কৰিব লাগিব। নিজৰ দায়িত্ব, কৰ্তব্যবোধ আৰু ভূমিকাবোৰ ৰূপায়ণত পিছপৰি থাকিলে নহ'ব। সাহসী আৰু সবল ভূমিকাৰে আগভাগ লোৱাত পথ-প্ৰদৰ্শক হ'ব লাগিব। অস্ত্ৰ-শস্ত্ৰৰ ঝনঝনিত শান্তিৰ পৰিৱেশ ঘূৰি নাহে। অস্ত্ৰবল- বাহুবল আৰু দমন নীতিৰে শান্তি পাব নোৱাৰে। শান্তিৰ পৰিৱেশ ঘূৰি আহিব পাৰস্পৰিক বুজাপৰা, এৰা-ধৰা, ত্যাগ স্বীকাৰ, আদান-প্ৰদান, আলোচনাৰ মাধ্যমৰেহে। গতিকে সকলোৱে হিংসাৰ পথ এৰি অহিংসা নীতিৰ পথ গ্ৰহণ কৰাটো বাঞ্ছনীয়। কিয়নো মানুহ হত্যা কৰি বা মানৱৰ তেজেৰে ফাঁকু খেলি কোনোপধ্যেই শান্তি পাব নোৱাৰি। গণতান্ত্ৰিক দৃষ্টিকোণেৰে সকলোকে একতা আৰু সমতা প্ৰদান কৰিবলৈ সক্ষম হ'লেহে শান্তিৰ কথা বিবেচনা কৰিবলৈ আগবাঢ়িব পাৰি। শান্তিৰ পৃথিৱী সকলোৱে কামনা কৰাটো উচিত। সকলোৱে সমাজত এক সুস্থ সম্পৰ্ক বজাই ৰাখি আগবাঢ়ি যোৱাটো নিতান্তই দৰকাৰী। কাৰো অধিকাৰ খৰ্ব নকৰাকৈ নিজৰ নিজৰ দায়বদ্ধতা সততাৰে ৰূপায়ণ কৰাত গুৰুত্ব দিব লাগিব। সকলোকে জীয়াই থাকিব পৰাকৈ এক পৰিৱেশ আৰু সুবিধা প্ৰদান কৰিব লাগিব। পাৰস্পৰিক বুজাপৰা, সম-অধিকাৰ, সম-ন্যায় প্ৰদান আৰু পোৱাত সকলোকে নিশ্চয়তা দিব লাগিব। জাতি-বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলোৱে সম-স্বাধীনতা আৰু অধিকাৰ সাব্যস্ত কৰিবলৈ সক্ষম হ'লেই আপোনা-আপুনি সমাজলৈ শান্তিৰ বাতাবৰণ ঘূৰি আহিব। তাৰ বাবে সকলোৱে লাগিব সদিচ্ছা আৰু ইতিবাচক মনোভাব। আমি সকলোৱে নৈতিক, প্ৰমূল্যবোধ আৰু সামাজিক সুস্থ সম্পৰ্কবোৰ গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগিব। কাৰণ তেনে সু-সম্পৰ্ক আৰু গুণবোৰে এক শান্তিৰ বাতাবৰণ স্থাপন কৰাত অৰিহণা যোগাব পাৰিব। আমাৰ মাজত থকা বিভিন্ন বৈষম্য বা বিভেদসমূহক আলাপ-আলোচনা আৰু বুজাবুজিৰ মাধ্যমেৰে সমাধা কৰাত সহায় কৰিব। গতিকে আমি সকলোৱে এক ইতিবাচক চিন্তাধাৰাসমূহ সমাজত বৰ্তাই ৰাখিব লাগিব। লগতে সমাজখনক এক সু-শৃংখলাবদ্ধভাৱে সজাই-পৰাই লৈ যোৱাত গুৰুত্ব দিব লাগিব। মুঠতে আমি সকলোৱে এক সুখ-শান্তিৰ পৰিৱেশ বিৰাজ থকা সমাজ গঠনৰ কামনা কৰোঁ।

■ নন্দেশ্বৰ মিলি
ফোন ঃ ৮৬৩৮৮-৮১৯৫৩

# যোগ বিজ্ঞানৰ অন্যতম বিবিধতা পূৰ্ণ আসন 'ভুজংগাসন'

■ ৰেখামণি দাস

'ভুজংগাসন' শব্দটো সংস্কৃত শব্দ 'ভুজংগ'ৰ পৰা উদ্ভৱ হৈছে। 'ভুজংগ' শব্দৰ অৰ্থ হ'ল 'সাপ'। ভুজংগাসন কৰোঁতে শৰীৰটোৱে ফেট তুলি উঠা সাপৰ আকৃতি লয় বাবে এই আসনটোৰ নাম ভুজংগাসন ৰখা হৈছে। এই আসনটোৰ নাম ভুজংগাসন হোৱাৰ আন এটা কাৰণো এনেদৰে দৰ্শাব পাৰি যে ইয়াৰ অভ্যাসত মানৱ দেহত থকা ৭টা চক্ৰৰ ভিতৰত দেহৰ একেবাৰে তল ভাগত অৱস্থিত মূলাধাৰ চক্ৰত কুণ্ডলী পকাই সুপ্ত অৱস্থাত থকা কুণ্ডলিনী শক্তি জাগ্ৰত হয় বাবেও ইয়াক ভুজংগাসন বোলা হয়। কাৰণ পাক খাই থকা এই কুণ্ডলিনী শক্তিক ভুজংগিনী বুলিও জনা যায়। যোগ বিজ্ঞানৰ ক্ষেত্ৰখনত 'ভুজংগাসন' ধতাপূৰ্ণ আসন। যাৰ শুদ্ধ, সঠিক আৰু প্ৰণালীবদ্ধ অভ্যাসত অভ্যাসকাৰীজনৰ সমগ্ৰ শৰীৰৰ বিবিধ উপকাৰ সাধিত হয়। এই আসনে ৰাজহাড়, দুচিন্তা, পেটৰ নিম্নাংশৰ বিভিন্ন সমস্যা আদিৰ নিচিনা শৰীৰৰ ভিন্ ভিন্ গম্ভীৰ ৰোগৰ পৰা ব্যক্তিক পৰিত্ৰাণ কৰাৰ উপৰি যোগাভ্যাসৰ মূল উদ্দেশ্য কুণ্ডলিনী শক্তিৰ জাগ্ৰতকৰণৰ জৰিয়তে মানৱ দেহত অৱস্থিত ষট্ চক্ৰকো বিশেষভাৱে প্ৰভাৱিত কৰে। যোগ বিজ্ঞান মতে মানৱ দেহত সাতটা চক্ৰ থাকে আৰু এই সাতটা চক্ৰকে ষট্ চক্ৰ বুলি কোৱা হয়। গুৰুৰ পৰা আয়ত্ত কৰা এই ভুজংগাসনৰ অলৌকিক প্ৰভাৱত উক্ত সাত চক্ৰৰ ভিতৰত মূলাধাৰ চক্ৰ, স্বাধিষ্ঠান চক্ৰ, মণিপুৰ চক্ৰ, অনাহত আৰু বিশুদ্ধি। এই পাঁচটা চক্ৰই কুণ্ডলিনী শক্তি জাগ্ৰত হোৱাৰ ফলত খোল খাই পৰে, যি মনুষ্য জীৱনৰ অপাৰ শক্তিৰ আধাৰপুঞ্জ।

ভুজংগাসন কৰাৰ অভ্যাস বিধি—

প্ৰথমে, যোগাসন কৰাৰ বাবে গঢ়ি তোলা উপযুক্ত পৰিৱেশত ভৰি দুখন লগলগাই মেলি পেট পেলাই বিপৰীত শয়ন স্থিতিত শুই ল'ব লাগে। হাত দুখনৰ তলুৱা তলফালে ৰাখি শৰীৰৰ দুয়োকাষে স্থাপিত কৰি কপালখন মাটিত লগাব লাগে। দ্বিতীয়তে, দুয়োখন হাতৰ তলুৱা তলমুৱাকৈ ৰাখি কিলাকুটি ভাজ কৰি বুকুৰ দুয়োকাষে থ'ব লাগে আৰু কিলাকুটি ভাজ কৰি ৰাখিয়ে পেটৰ পৰা ওপৰৰ অংশখিনি উশাহৰ লগে লগে লাহেকৈ সামান্য দাঙি ওপৰলৈ চাব লাগে। আসনটোৰ এই স্থিতিক সৰল ভুজংগাসন বোলা হয়। এই স্থিতিত ১০-১৫ ছেকেণ্ড কুম্ভক অৱস্থাত থাকি নিশাহ এৰি এৰি আগৰ অৱস্থালৈ ঘূৰি আহিব লাগে। এনেদৰে প্ৰথমে ২-৩ বাৰ আৰু পিছলৈ ৪-৫ বাৰলৈ বঢ়াই নিব লাগে।



তৃতীয়তে, ওপৰোক্ত দ্বিতীয় চৰণটো শুদ্ধভাৱে কেইদিনমান কৰি অভ্যস্ত হ'লেহে তৃতীয় চৰণ কৰাৰ বাবে সাজু হ'ব লাগে। তৃতীয় চৰণত উশাহ-নিশাহৰ নিয়ম একেই ৰাখি দ্বিতীয় চৰণৰ স্থিতিলৈ আহি লাহে লাহে আৰু সাৱধানে নাভিৰ পৰা ওপৰৰ অংশ ওপৰলৈ দাঙি কিলাকুটি সম্পূৰ্ণৰূপে চিধা কৰিব লাগে আৰু ওপৰলৈ চাব লাগে। আৰু এই স্থিতিত ১০-১৫ ছেকেণ্ড কুম্ভক কৰি নিশাহৰ লগে লগে আগৰ অৱস্থালৈ ঘূৰি যাব লাগে। প্ৰথম অৱস্থাত ২-৩ বাৰ আৰু অভ্যস্ত হ'লে ৪-৫ বাৰ বা ৬-৭ বাৰলৈও এই স্থিতিটোৰ অনুশীলন বঢ়াই নিব পৰা যায়। এই কিন্তু মন কৰিব লাগে যাতে হাতত বৰ বেছি জোৰ নপৰে। এনেদৰে কিছুদিন অভ্যাস কৰাৰ পিছত কোনো অসুবিধা নাপালে চতুৰ্থ চৰণলৈ আহিব লাগে।

চতুৰ্থতে, আসনটোৰ এই চৰণটো দ্বিতীয় বা তৃতীয় চৰণৰ স্থিতিলৈ আহি (উশাহ-নিশাহৰ নিয়ম একেই) হাতৰ তলুৱা দুখন কিলাকুটি ভাজ কৰি ভূ-পৃষ্ঠৰ পৰা সাধ্য মতে অলপ ওপৰত ৰাখি কৰিবলৈ যত্ন কৰিব লাগে (যিসকলে কোনো অসুবিধা নোহোৱাকৈ পাৰে আৰু যিসকলে নোৱাৰে বা কাৰোবাৰ আন কিবা অসুবিধা আছে, তেন্তে তেওঁ তৃতীয় চৰণটোৱে শুদ্ধভাৱে কৰিব)। এনে কৰিলে অধিক সুফল পোৱা যায়।

পঞ্চমতে, যিসকলে চতুৰ্থ চৰণলৈ অনায়াসে কৰিব পৰা হৈছে তেওঁলোকে আৰু অধিক সুফল লাভৰ বাবে, যদিহে কোনো অসুবিধা নাই বা শৰীৰ যথেষ্ট নমনীয় হৈ আছে এই পঞ্চম চৰণটো অনুশীলন কৰিব পাৰে। এই স্থিতিয়ে হ'ল ভুজংগাসনৰ পূৰ্ণ স্থিতি। এই স্থিতি কৰিবলৈ হ'লে প্ৰথমতে উশাহৰ লগে লগে নাভিৰ পৰা ওপৰৰ অংশ দাঙি মূৰটো যিমান পাৰি পিছলৈ নিব লাগে আৰু ভৰি দুখন আঁঠুত ভাঁজ কৰি ভৰিৰ তলুৱাৰে মূৰটো স্পৰ্শ কৰিবলৈ চেষ্টা কৰিব পাৰে। এনে অৱস্থাত কিছু সময় কুম্ভকত থাকি নিশ্বাস এৰি এৰি আগৰ অৱস্থালৈ ঘূৰি আহিব লাগে। এনেদৰে ২-৩বাৰ কৰিব লাগে। পিছলৈ অভ্যাস ভাল হ'লে ৪-৫ বাৰলৈ বঢ়াই নিব পাৰি।

ভুজংগাসন অনুশীলনৰ লাভ ঃ ভুজংগাসন এটি বিবিধতাপূৰ্ণ আসন। ইয়াৰ প্ৰণালীবদ্ধ, শুদ্ধ অভ্যাসত ৰাজহাড় যথেষ্ট পৰিমাণে নমনীয় হৈ উঠি বৃদ্ধ অৱস্থাতো বাৰ্ধক্যগ্ৰস্ততাৰ পৰা ব্যক্তিক মুক্ত ৰখাৰ লগতে দেহটোক বিভিন্ন ধৰণৰ ৰোগৰ পৰাও ৰক্ষা কৰি ৰাখে। উদাহৰণ স্বৰূপে- পিঠিৰ বিষ, কঁকালৰ বিষ, স্পণ্ডেলাইটিছ, অজীৰ্ণ, চায়টিকা, দুশ্চিন্তা, মেৰুদণ্ডৰ ওপৰৰ ভাগৰ বক্ৰতা, কোষ্ঠ-কাঠিন্যতা, ডায়বেটিছ, মহিলাৰ ঋতুজনিত বিভিন্ন সমস্যা, গেছৰ সমস্যা, পেটৰ অনাৱশ্যক চৰ্বি, পেটফুলা, শ্বাসজনিত, কিডনীৰ পাথৰ, লিভাৰৰ সমস্যা আদি বিভিন্ন ধৰণৰ ৰোগৰ পৰা নিদান লাভ কৰিব পাৰি।

তদুপৰি ইয়াৰ অভ্যাসত নাৰী-পুৰুষ উভয়ৰে যকৃত, বৃক্ক-অধিবৃক্ক আদিত বিশুদ্ধ ৰক্ত সঞ্চালন; বস্তি অঞ্চলৰ স্নায়ু-তন্ত্ৰসমূহ আৰু হৃদযন্ত্ৰ অধিক শক্তিশালী আৰু মজবুত হৈ উঠে, কম বয়সৰ পৰাই কৰা এই আসনৰ সঠিক অভ্যাসে বক্ষস্থলৰ গঠন দেখনিয়াৰ কৰি তোলে, চকুৰ দৃষ্টিশক্তি বৃদ্ধি কৰে। তদুপৰি যোগ বিজ্ঞানৰ এই অন্যতম বিবিধতাপূৰ্ণ আসন, ভুজংগাসনৰ পূৰ্ণ প্ৰণালীবদ্ধভাৱে কৰা সঠিক আৰু শুদ্ধ অভ্যাসত যোগাসনৰ মূল লক্ষ্যস্বৰূপ কুণ্ডলিনী শক্তি জাগ্ৰত হৈ দেহক অপাৰ শক্তিৰ পুঞ্জী প্ৰদান কৰে আৰু মূলাধাৰ চক্ৰত কুণ্ডলী ৰূপত (পাক খাই) সুপ্ত হৈ থকা এই শক্তিৰ মহাপুঞ্জ কুণ্ডলিনী শক্তি জাগ্ৰত হোৱাৰ লগে লগেই ই আমাৰ দেহৰ ষট্ চক্ৰকো এক সন্তুলিত অৱস্থা প্ৰাপ্ত কৰায়। যাৰ ফলত ব্যক্তিৰ সম্পূৰ্ণ সত্তা, সম্পূৰ্ণ চেতনা, সম্পূৰ্ণ ভাৱধাৰা আনকি সম্পূৰ্ণ দৃষ্টিকোণেই সলনি হৈ তেওঁৰ সমগ্ৰতে জীৱন ধাৰণৰ অন্য এক মাদকতা ঢলাৰ জৰিয়তে অৱশেষত তেওঁক পৰমাত্মা প্ৰাপ্তিৰ অপাৰ আনন্দ লাভ কৰায়।

ভুজংগাসন অনুশীলনৰ ক্ষেত্ৰত ল'বলগীয়া সাৱধানতা ঃ এই আসনটো গৰ্ভাৱস্থা, হাৰ্নিয়া, বিশেষ কাৰণবশতঃ হোৱা মূৰৰ বিষ, ৰাজহাড়ৰ গম্ভীৰ সমস্যা আদি আৰু পেটৰ অস্ত্ৰোপচাৰ কৰা থাকিলে কেই মাহমান কৰাৰ পৰা বিৰত থাকিব লাগে। তদুপৰি ডিঙিৰ বিশেষ সমস্যাত ভোগাসকলেও আসনটো কৰাৰ ক্ষেত্ৰত যথেষ্ট সাৱধানতা অৱলম্বন কৰা উচিত।

(বিঃ দ্ৰঃ- যোগাসন সদায় প্ৰশিক্ষণপ্ৰাপ্ত আৰু অভিজ্ঞ যোগ বিশেষজ্ঞৰ নিৰ্দেশনাতহে কৰা উচিত আৰু অধিক ফলপ্ৰসু।)

ফোন ঃ ৯৮৬৪৭-৩৬৭২৬

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

# সাৱধান, আৰম্ভ হৈ গ'ল মাতব্বৰৰ একশ্বন

এইবাৰ জাগিছে মাতব্বৰ, নাশ হ'ব ড্ৰাগছৰ অবাধ প্ৰচলন। হয় এইবাৰ প্ৰাণঘাতী ড্ৰাগছৰ বিৰুদ্ধে জাগি উঠিছে মাতব্বৰ সমাজ। পলমকৈ হ'লেও মাৰাত্মক ড্ৰাগছৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিছে জাগীৰোডৰ মাতব্বৰসকল। তেওঁলোকে দেখুৱাই দিলে নিজৰ মাতব্বৰী। জাগীৰোডৰ শিলভঙা, ৰাম মন্দিৰ আদি এলেকাৰ সন্দেহযুক্ত ড্ৰাগছ ব্যৱসায়ী আৰু সেৱনকাৰীসকলক সকীয়নি দিয়া দেখা গ'ল এইসকল মাতব্বৰক। স্থানীয় মাতব্বৰ ক্ৰমে— আব্দুল মালিক আৰু নুৰ উদ্দিন মহাজনে ড্ৰাগছ ব্যৱসায়ী আৰু সেৱনকাৰীসকলক ড্ৰাগছৰ দৰে ৰাগীয়াল দ্ৰব্যৰ ব্যৱসায় আৰু সেৱনৰ পৰা আতৰি থাকিবলৈ কঠোৰ সকীয়নি প্ৰদান কৰে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ড্ৰাগছমুক্ত অসমৰ সপোন বাস্তৱায়িত কৰিবলৈ স্থানীয় মাতব্বৰসকলে এই পদক্ষেপ গ্ৰহণ কৰে। সমাজৰ অভিশাপস্বৰূপ নিচাজাতীয় মাদক দ্ৰব্যক সমূলঞ্চে নিৰ্মূল কৰিবলৈ মাতব্বৰ শ্ৰেণীৰ লোকসকল আগবাঢ়ি অহাটো ধৰ্ম, সমাজ তথা ৰাষ্ট্ৰৰ বাবে শুভ লক্ষণ। উল্লেখ্য যে, আজি ড্ৰাগছৰ বাবেই অসমত সঘনাই চুৰি-ডকাইতি, হত্যা, হিংসা, ধৰ্ষণ, অপহৰণ, নাৰী নিৰ্যাতন, গৃহ কন্দল, সংঘৰ্ষৰ সূত্ৰপাত আৰু অকস্মাৎ দুৰ্ঘটনা আদিৰ দৰে ঘটনা সংঘটিত হৈ আছে, জাগীৰোডো তাৰ ব্যতিক্ৰম নহয়। গতিকে ৰাজ্যজুৰি ড্ৰাগছৰ ৰমৰমীয়া বেহা-বেপাৰ চলি থকাৰ সময়তে ড্ৰাগছমুক্ত সমাজ এখন গঢ়াৰ লক্ষ্য আগত ৰাখি স্থানীয় মাতব্বৰ আব্দুল মালিক, নুৰু উদ্দিন মহাজন সমন্বিতে বহুকেইজন ব্যক্তিয়ে লগ লাগি জাগীৰোড থানাৰ অন্তৰ্গত শিলভঙা, মাধৱ নগৰ, ৰাম মন্দিৰ, পৰ্বত নগৰ, ২নং নখোলাগ্ৰাণ্ট আদি এলেকাত থকা সন্দেহভাজন ড্ৰাগছ ব্যৱসায়ী আৰু সেৱনকাৰী উভয় পক্ষকেই অবৈধ ড্ৰাগছ বিক্ৰী আৰু সেৱন বন্ধ কৰিবলৈ কঠোৰ সকীয়নি প্ৰদান কৰি তেওঁলোকক কঠোৰভাৱে জনাই দিয়া হয় যে, অনাগত দিনত যদি কোনোবাই জীৱননাশী ড্ৰাগছৰ ব্যৱসায় তথা সেৱন কৰে তেন্তে সিহঁতক ৰাজহুৱা বিচাৰ কৰি আৰক্ষীৰ হাতত গতাই দিয়া হ'ব। স্থানীয় মাতব্বৰ আৰু সৰ্বসাধাৰণ ৰাইজৰ সময়োপযোগী এই পদক্ষেপক সকলোৱে সমৰ্থন জনোৱাৰ লগতে তেওঁলোকৰ শলাগ লৈছে। আচলতে মাতব্বৰসকলে এই কাম বহু দিন আগতেই কৰিব লাগিছিল, পলম হ'ল বাবেই আজি সমাজখনক ড্ৰাগছে ছানি ধৰিছে। মাতব্বৰসকলক সকলোৱেই মানে, সন্মান কৰে। তেওঁলোকৰ কথাত উঠা-বহা কৰে সাধাৰণ ৰাইজ। গাঁও অঞ্চলত একচেটিয়া ৰাজত্ব কৰে মাতব্বৰসকলে। মাতব্বৰী ৰাজত কঠোৰৰ পৰা কঠোৰ শাস্তিৰ ব্যৱস্থা আছে। তাৰ পাছতো কেনেকৈ মাতব্বৰী ৰাজত সমাজবিৰোধী কাৰ্যকলাপ চলিব পাৰে? মাতব্বৰসকলে ইচ্ছা কৰিলে দিনক ৰাতি কৰিব পাৰে। তেওঁলোকে যেনেদৰে সমাজ এখন গঢ়িব পাৰে ঠিক তেনেদৰে সমাজ এখন ভাঙিবও পাৰে। এয়াই হৈছে মাতব্বৰৰ বিশেষত্ব। গতিকে জুৱা, মদ, ভাং, ড্ৰাগছ আদিকে ধৰি সমাজৰ পৰা সকলো ধৰণৰ অসামাজিক কাৰ্যকলাপ নিৰ্মূল কৰিবলৈ পুলিচ প্ৰশাসনে মাতব্বৰসকলক দায়িত্ব অৰ্পণ কৰিব লাগে আৰু পুলিচে তাৰ তদাৰক কৰিব লাগে। বহু সময়ত অভিযোগ পোৱা যায় যে, মাতব্বৰসকলৰ আত্মীয়-স্বজনেই অপৰাধ-অপকৰ্ম তথা অসামাজিক পাপ কাৰ্যত জড়িত। যদি এনেকুৱাই হয় তেন্তে মাতব্বৰ অবিহনে সমাজৰ পৰা গৰ্হিত কামসমূহ নাইকিয়া কৰা সম্ভৱ নহয়। সেয়ে প্ৰথমে মাতব্বৰসকলৰ লগতে গাঁওবুঢ়া, শিক্ষিত যুৱ সমাজ আৰু সমাজৰ গণ্য-মান্য ব্যক্তিসকল এইক্ষেত্ৰত অগ্ৰণী ভূমিকা ল'ব লাগিব। তদুপৰি সমূহ অসমবাসী ৰাইজেও এখন ড্ৰাগছমুক্ত বা অপৰাধমুক্ত অসম গঢ়াৰ লক্ষ্যৰে স্বতঃস্ফূৰ্তভাৱে ওলাই আহি প্ৰাণঘাতী ড্ৰাগছৰ বিৰুদ্ধে ব্যাপক জনমত গঢ়ি তোলা উচিত আৰু অপৰাধ-অপকৰ্ম তথা ড্ৰাগছৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰাসকলৰ মনোবল বৃদ্ধি কৰা দৰকাৰ। আনহাতে, চৰকাৰ-প্ৰশাসনে বিভাগীয় নিয়ম অনুসৰি ড্ৰাগছৰ বিৰুদ্ধে অব্যাহত ৰখা যুদ্ধখনত জয়যুক্ত নোহোৱালৈকে তাৰে ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি ড্ৰাগছবিৰোধী অভিযান আৰু অধিক জোৰদাৰ কৰিব লাগিব। গতিকে আহক আমি সকলোৱে ড্ৰাগছবিৰোধী অভিযানৰ অংশ হিচাপে এই শ্ল'গান দিওঁ যে, 'আমাক ড্ৰাগছ নহয় গাখীৰ লাগে, ড্ৰাগছ মুক্ত সমাজ লাগে'।—

■ জুলহাছ আলী আহমেদ

■ শিক্ষা বিভাগৰ সিদ্ধান্ত বাতিলৰ দাবী ■

# দেৰগাঁৱত বিদ্যালয় একত্ৰীকৰণৰ বিৰোধিতাৰে ৰাইজৰ উত্তাল প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ৯ জুন ঃ** দেৰগাঁৱৰ ব্ৰহ্মপুত্ৰ অঞ্চলৰ মিছিং জনগোষ্ঠী অধ্যুষিত টায়ুং গাঁৱত ৭ জুনত সৃষ্টি হয় এক উত্তেজনময় পৰিস্থিতিৰ। গাঁওখনত ১৯৬২ চনতে স্থাপিত দেৰগাঁও উত্তৰ শিক্ষা খণ্ডৰ অন্তৰ্গত টায়ুং গাঁও প্ৰাথমিক বিদ্যালয়খন সমীপৱৰ্তী অন্য এখন বিদ্যালয়ৰ লগত সংলগ্ন কৰাৰ নিৰ্দেশনাক কেন্দ্ৰ কৰি বিদ্যালয়ৰ চৌহদত স্থানীয় ৰাইজে সৃষ্টি কৰে এক উত্তেজনাময় পৰিস্থিতিৰ। বৰ্তমান সময়ত এই বিদ্যালয়খনত প্ৰায় ৬০গৰাকী ছাত্ৰ-ছাত্ৰী আৰু দুগৰাকী শিক্ষয়িত্ৰীয়ে সুচাৰুৰূপে চলায় আছে বিদ্যালয়খন। কিন্তু চৰকাৰী নিয়ম মতেই ওচৰা-উচৰিকৈ থকা দুখন বিদ্যালয় একত্ৰীকৰণ কৰাৰ ব্যৱস্থাৰ বাবেই এই বিদ্যালয়খন সমীপৱৰ্ত্তী চকীয়াল প্ৰাথমিক বিদ্যালয়ৰ লগত সংলগ্ন কৰাৰ নিৰ্দেশনা আহিছে। নিয়ম মতে কমসংখ্যক ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়খন ছাত্ৰ-ছাত্ৰী অধিক থকা বিদ্যালয়ৰ সৈতে সংলগ্ন কৰা হয়। কিন্তু এইখন বিদ্যালয়ত প্ৰায় ৬০গৰাকী ছাত্ৰ-ছাত্ৰী থকাৰ লগতে বিদ্যালয়ৰ আন্তঃগাঁথনিও উন্নত মানৰ। আনহাতে, চকীয়াল প্ৰাথমিক বিদ্যালয়লৈ কণ কণ ছাত্ৰ-ছাত্ৰীসকলে এখন দলং আৰু অতি ব্যস্ত কমলা মিৰি পথৰ বাঘবাৰী চাৰিআলি পাৰ হৈ যাব লাগিব। যাৰ বাবে চিন্তিত হৈ পৰিছে অভিভাৱকসকল। সেয়ে চৰকাৰৰ এই একত্ৰীকৰণৰ সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিবাদমুখৰ হৈ পৰিছে স্থানীয় ৰাইজ। ৰাইজে বিদ্যালয়ৰ সন্মুখ ভাগতে এখন ৰাজহুৱা প্ৰতিবাদী সভা অনুষ্ঠিত কৰি কোনো কাৰণতে টায়ুং গাঁও প্ৰাথমিক বিদ্যালয়খন অন্য বিদ্যালয়ৰ লগত সংলগ্ন কৰিবলৈ দিয়া নহ'ব বুলি ৰাজহুৱা সিদ্ধান্ত গ্ৰহণ কৰি গাঁওখনৰ মাজেদি এটি প্ৰতিবাদী সমদল বাহিৰ কৰি চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। এই কাৰ্যসূচীৰ জৰিয়তে শিক্ষা বিভাগৰ লগতে বিভাগীয় মন্ত্ৰী ড° ৰণোজ পেগু আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক টায়ুং গাঁও প্ৰাথমিক বিদ্যালয়খনৰ একত্ৰীকৰণৰ নিৰ্দেশনা স্থগিত ৰাখিবলৈ আহ্বান জনায়।



## ফকিৰগঞ্জৰ অনামিকা খাতুনৰ সফলতা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৯ জুন ঃ** ধুবুৰী জিলাৰ ফকিৰগঞ্জৰ অতি দুখীয়া দৰিদ্ৰ পৰিয়ালৰ সন্তান হামিদাবাদ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী অনামিকা খাতুনে তাঁতৰ কাপোৰ বনাই দিন হাজিৰা কৰি নিজে পৰিয়াল চলাই লিখা পঢ়া কৰি অতি কষ্টৰে সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত এটা বিষয়ত লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ 69 শতাংশ লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁৰ শিক্ষাৰ বাবে সকলো দৰিদ্ৰতা নেওচি সফলতাৰে লক্ষ্যত উপনীত হোৱা বাবে অঞ্চলবাসী আনন্দিত হৈছে। আজি দক্ষিণ শালমাৰা মানকাচৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি ছৰিফুল ইছলাম প্ৰধানীৰ লগতে প্ৰাক্তন উপ-সভাপতি সাহিন জাবেদ আহমেদে ছাত্ৰীগৰাকীৰ ঘৰত গৈ সম্বৰ্ধনা জনাই আগন্তুক দিনত যাতে আৰু অধিক সুন্দৰ ফলাফল কৰি অঞ্চললৈ সুনাম কঢ়িয়াই আনিব পাৰে তাৰ বাবে ছাত্ৰীগৰাকীক উৎসাহিত কৰি আশীৰ্বাদ কৰে



## শ্ৰেণী কোঠা দান কৰিলে ভোলাবাৰী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কেশৱ চহৰীয়াই

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ৯ জুন ঃ** সমস্যাৰে জৰ্জৰিত এখন বিদ্যালয়। এই বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২১৩জন। পিছে শ্ৰেণী কোঠাৰ অভাৱত শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীক বাহিৰত পাঠদান কৰিবলগীয়া হয়। ওদালগুৰি জিলাৰ খৈৰাবাৰী শিক্ষা খণ্ডৰ অন্তৰ্গত ভোলাবাৰী চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়। বিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল ১৯৪৮ চনতে। উল্লেখ্য যে বিদ্যালয়খনৰ শ্ৰেণী কোঠাৰ অভাৱ দেখি গুণোৎসৱতে বিদ্যালয় শ্ৰেণী কোঠা দান কৰাৰ প্ৰতিশ্ৰুতি দিছিল ভোলাবাৰী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কেশৱ চহৰীয়াই। আজি হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলৰ দিনটোত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কেশৱ চহৰীয়াই দান কৰা শ্ৰেণী কোঠাৰ শিলান্যাস কৰে বিটিচিৰ ই এম দিগন্ত বৰুৱা আৰু খৈৰাবাৰী শিক্ষা খণ্ডৰ বি অ' বহথি বড়োৱে। উল্লেখ্য যে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত দান-বৰঙণি আগবঢ়োৱা মহানুভৱৰ ব্যক্তি কেশৱ চহৰীয়াক বিদ্যালয়খনৰ শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক আৰু ৰাইজে উচ্চ প্ৰশংসা কৰে। আজি বিদ্যালয় শ্ৰেণী কোঠাৰ শিলান্যাস অনুষ্ঠানৰ আনুষ্ঠানিক সভাত অঞ্চলটোৰ গুণমুগ্ধ ব্যক্তি উপস্থিত থকা সভাখনত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সমাজ সেৱক আনন্দি শৰ্মাই। আজিৰ এই অনুষ্ঠানত উপস্থিত থাকে বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী গীতিকা দাস, সাংবাদিক ভুৱন বণিযা, আব্দুল মজিদ আদিৰ লগতে বহু বিশিষ্ট ব্যক্তিসকল।

## ওদালগুৰিত জিলা বিজেপিয়ে বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনালে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৯ জুন ঃ** ভাৰতীয় জনতা পাৰ্টীৰ ২০১৪ চনৰ পৰা দেশ শাসনৰ ৮ বছৰীয়া সেৱা উপলক্ষে, সু-শাসন গৰিব কল্যাণৰ লগত সংগতি ৰাখি ৮ জুনত ভাৰতীয় জনতা পাৰ্টী, ওদালগুৰি জিলাৰ তৰফৰ পৰা ওদালগুৰি জিলাৰ বিভিন্ন দিশত বিশেষ অৰিহণা যোগোৱা কৃতিত্বসম্পন্ন ব্যক্তি তথা ৰাষ্ট্ৰীয় পুৰস্কাৰ পোৱা অৱসৰপ্ৰাপ্ত ব্যক্তিসকলক সম্বৰ্ধনা জনোৱা হয়। তেওঁলোক ক্ৰমে তাৰাপতি উপাধ্যায়, ৰবিৰাম ব্ৰহ্ম, টিৰেন বড়ো, নবীন মল্ল বড়ো, পুষ্পধৰ শৰ্মা, বিদ্যাপতি দাহাল, নৰেশ্বৰ ডেকা, প্ৰতিভা চহৰীয়া, কুঞ্জলতা বড়ো, বিছোপ বসুমতাৰী ব্ৰহ্ম, ডালিম বায়ন, মিলন দাস আদি। উক্ত অনুষ্ঠানত ৰাজ্যিক কাৰ্যবাহী সদস্য ক্ৰমে নিৰঞ্জন সিং, নীলিমা ব্ৰহ্ম, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য ক্ৰীড়া বিভাগৰ দেৱজিত গগৈ, ওদালগুৰি জিলা বিজেপি সাধাৰণ সম্পাদকদ্বয় ক্ৰমে জয়কান্ত শৰ্মা আৰু বলেন্দ্ৰ ব্ৰহ্ম, জিলা বিজেপি কৃষাণ মৰ্চাৰ সভাপতি প্ৰাচুৰ্য দাস, জিলা বিজেপি কৃষাণ মৰ্চা প্ৰভাৰী বিকন ডেকা, জিলা কাৰ্যবাহী সদস্য ক্ৰমে মৌচুংগ্ৰা বসুমতাৰী আৰু চানী বড়ো, বিজেপি সহঃ কাৰ্যালয় সম্পাদক অনুপম শৰ্মা, ওদালগুৰি জিলা মণ্ডল সভাপতিসকলকে আদি কৰি বিভিন্ন দায়িত্বত থকা কাৰ্যকৰ্তা আৰু শুভকাংক্ষীসকলে অংশগ্ৰহণ কৰে।





## মাজবাট টাউনত নতুন ট্ৰেন্সফৰ্মাৰ স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ৯ জুন ঃ** ওদালগুৰি জিলাৰ মাজবাট টাউনৰ দোকানীসকল যোৱানিশা অন্ধকাৰত ব্যৱসায়-বাণিজ্য কৰিব লগাত পৰিছিল। জানিব পৰা মতে ৭ জুন নিশা মাজবাট টাউনৰ মাজমজিয়াত থকা এ পি ডি চি এলৰ ট্ৰেন্সফৰ্মাৰটো বিকল হৈ পৰাত এ পি ডি চি এলৰ কৰ্মচাৰীসকলে আহি মেৰামতিৰ কাৰণে মাজবাটৰ ইলেক্‌ট্ৰনিক ডিপাৰ্টমেণ্টৰ কাৰ্যালয়লৈ লৈ যায়। যদিও সন্ধিয়ালৈকে মেৰামতি নোহোৱাত সন্ধিয়াৰ পৰা মাজবাট টাউনৰ দোকানীসকলে অন্ধকাৰত মম জ্বলাই ব্যৱসায়-বাণিজ্য কৰিব লগাত পৰিছিল। টাউনৰ ব্যৱসায়ীসকলৰ লগতে মাজবাট বণিক সন্থায়ো এ পি ডি চি এলৰ বিষয়া-কৰ্মচাৰীসকলক দাবী জনাইছিল যে অতি সোনকালে ট্ৰেন্সফৰ্মাৰটো মেৰামতি কৰি বিদ্যুৎ পোহৰ ব্যৱস্থা কৰি দিবলৈ। অৱশেষত মাজবাট টাউনৰ মাজমজিয়াত থকা ট্ৰেন্সফৰ্মাৰটো আজি দিনৰ ১১.৩০ বজাত স্থাপন কৰা হ'ল। ট্ৰেন্সফৰ্মাৰটো স্থাপন কৰা দেখা পাই মাজবাট টাউনৰ ব্যৱসায়ীসকলৰ লগতে মাজবাট বণিক সন্থায়ো এ পি ডি চি এলৰ বিষয়া-কৰ্মচাৰীসকলক ধন্যবাদ জ্ঞাপন কৰে।

## দৰং জিলা যুৱ ক্লাবলৈ আৰ্থিক সাহায্যৰ বাবে আৱেদন

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ৯ জুন ঃ** দৰং জিলাৰ ১০টা পঞ্জীকৃত যুৱ ক্লাবক আৰ্থিক সাহায্য প্ৰদান কৰিব ৰাজ্য চৰকাৰে। ইয়াৰ বাবে চাৰিটা বিধানসভা সমষ্টিৰ যুৱ ক্লাবসমূহৰ পৰা আৱেদন আহ্বান কৰিছে দৰং জিলা ক্ৰীড়া বিষয়া তথা জিলা বাছনি সমিতিৰ সদস্য সচিব লুটুৰাজ বসুমতাৰীয়ে। এই সম্পৰ্কত জিলাখনৰ চাৰিটা বিধানসভা সমষ্টি ক্ৰমে কলাইগাঁও, ছিপাঝাৰ, মঙলদৈ আৰু দলগাঁও সমষ্টিৰ বিধায়ক লৈ চিঠি প্ৰেৰণ কৰা হৈছে। চৰকাৰী নিৰ্দেশনা অনুসৰি যুৱ ক্লাবসমূহ পঞ্জীকৃত হ'ব লাগিব ২০১৯ৰ পৰা ২১-২২লৈ তিনিটা বৰ্ষৰ হিচাপ-নিকাচ অডিট ৰিপৰ্ট জমা দিব লাগিব আৰু তিনি বছৰৰ কাম-কাজৰ খতিয়ানৰ লগতে নিজা বেংক একাউণ্ট থকা বাঞ্ছনীয়। ক্লাবসমূহে নিৰ্ধাৰিত আৱেদন-পত্ৰ ১৩ জুনৰ ভিতৰত দৰং জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ত জমা দিব লাগিব। জিলা বাছনি সমিতিৰ অনুমোদিত ক্লাব এই আৰ্থিক সাহায্যৰ বাবে বিবেচিত হ'ব বুলি জিলা ক্ৰীড়া বিষয়া লুটুৰাজ বসুমতাৰীয়ে জনাইছে।



## হাইস্কুল শিক্ষান্ত পৰীক্ষাত বাঁশবাৰীৰ এ এন একাডেমীৰ কৃতিত্ব

**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীপুৰ, ৯ জুন ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্ব অৰ্জন কৰাত উৎফুল্ল হৈ পৰিছে পশ্চিম গোৱালপাৰাৰ বাঁশবাৰীৰ এ এন একাডেমী নামৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় কৰ্তৃপক্ষ আৰু ছাত্ৰ-ছাত্ৰীসকল। এইবেলি প্ৰথমবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল বিদ্যালয়খনৰ ২১গৰাকী ছাত্ৰ-ছাত্ৰী। প্ৰথমবাৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ ১৫গৰাকী ছাত্ৰ-ছাত্ৰীয়ে কৃতিত্ব সহকাৰে উত্তীৰ্ণ হয়। ইয়াৰে তিনিগৰাকী ডিষ্টিংশ্বন, দুগৰাকী ষ্টাৰ, প্ৰথম আৰু দ্বিতীয় বিভাগত ৫গৰাকীকৈ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। ইয়াৰে আঞ্জুমা খাতুন আৰু ৰুমিয়া খাতুনে ষ্টাৰ পোৱাৰ বিপৰীতে আৰজুমা ইয়াছমিন, উম্মে হাবিবা আৰু ইনজামুল হকে ডিষ্টিংশ্বন পাবলৈ সক্ষম হৈছে। এনে প্ৰেক্ষাপটত ফলাফলৰ পিছতেই ছাত্ৰ-ছাত্ৰীসকলক তাৎক্ষণিকভাৱে একোখনকৈ ফুলাম গামোচাৰে সম্ভাষণ জনোৱা হয়। ইপিনে কৃতিত্ব অৰ্জন কৰা প্ৰায়সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে চিকিৎসক হোৱাৰ সপোন পুহি ৰাখিছে। তাৎক্ষণিকভাৱে অনুষ্ঠিত কৰা এই সম্ভাষণ অনুষ্ঠানত বিদ্যালয়খনৰ অধ্যক্ষ আবুল কালাম আজাদক আৰু পৰিচালক শ্বৰিফুল ইছলামকো ভূয়সী প্ৰশংসা কৰাৰ লগতে একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনায় বিদ্যালয় কৰ্তৃপক্ষৰ লগতে ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলে।

## পদপথত ব্যৱসায়ীক সংস্থাপন নকৰাকৈ উচ্ছেদ কৰা কাৰ্যক তীব্ৰ বিৰোধিতা আপৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ৯ জুন ঃ** গুৱাহাটী পৌৰ নিগমে যোৱা কিছুদিন ধৰি দুখীয়া পদপথৰ ব্যৱসায়ীসকলক বিকল্প স্থান নিদিয়াকৈ উচ্ছেদ কৰা কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰিছে আম আদমি পাৰ্টীয়ে। গুৱাহাটীৰ শ শ যুৱক-যুৱতীয়ে সংস্থাপন হেৰুৱাবলগীয়া হোৱা পৌৰ নিগমৰ এই কাৰ্যত উদ্বেগ প্ৰকাশ কৰে। আম আদমি পাৰ্টীয়ে এতিয়ালৈকে উচ্ছেদ কৰা গণেশগুৰি, ছয়মাইল উৰণীয়া সেতুৰ তলৰ বজাৰৰ ব্যৱসায়ীসকলক সংস্থাপন দিয়াৰ লগতে গুৱাহাটীৰ প্ৰতিগৰাকী পদপথ ব্যৱসায়ীক পৰিচয়-পত্ৰ প্ৰদান আৰু প্ৰধানমন্ত্ৰী স্ব-নিয়োজন আঁচনিৰ অধীনত ঋণ প্ৰদান কৰাৰ উপৰি গুৱাহাটী মহানগৰীত অতি কমেও ৫০খন ভেণ্ডি জ'ন স্থাপনৰ বাবে দলটোৱে দাবী জনায়।

## এশ শতাংশ উত্তীৰ্ণৰে উজলিল দাঁতিয়ালবড়ী জ্ঞানদীপ বিদ্যাপীঠ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৯ জুন ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত এশ শতাংশ উত্তীৰ্ণ ফলাফলেৰে উজলিল মৰিগাঁও জিলাৰ দাঁতিয়ালবড়ী জ্ঞানদীপ বিদ্যাপীঠ। বিদ্যালয়ৰ অধ্যক্ষ ৰেজুৱানুল কৰিম আৰু পৰিচালনা সমিতিৰ সম্পাদক ৰফিকুল ইছলামে জনোৱা মতে চলিত বৰ্ষৰ হাই স্কুল শিক্ষান্ত পৰীক্ষাত ২৩জন ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈছিল। তাৰে আটাইকেইজনে উত্তীৰ্ণ হৈছে। তাৰ মাজত ৭ জন প্ৰথম বিভাগত, ১৪জন দ্বিতীয় বিভাগত আৰু তৃতীয় বিভাগত ২জনে উত্তীৰ্ণ হৈ এশ শতাংশত ফলাফল কৰিলে। ২০১৬ চনত স্থাপিত হোৱা দাঁতিয়ালবড়ী জ্ঞানদীপ বিদ্যাপীঠৰ এই লৈ তৃতীয়বাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈ সুন্দৰ ফলাফল দি আহিছে। উল্লেখ্য যে এইবাৰৰ পৰীক্ষাত ষ্টাৰ মাৰ্ক ৩জন আৰু চাৰিটাত লেটাৰ পোৱাত বিদ্যালয়ৰ গৌৰৱ কঢ়িয়াই আনিছে। সম্প্ৰতি বিদ্যালয়খনত ৪৫০ৰো অধিক ছাত্ৰ-ছাত্ৰী আৰু ৩১জন শিক্ষকে পাঠদান কৰি আছে।

## গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত 'সৃষ্টিশীল লেখন পাঠ্যক্ৰম'ৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৯ জুন ঃ** ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু গড়গাঁও শাখা সাহিত্য সভাৰ সহযোগত যোৱা ১ জুনৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুমোদিত 'সৃষ্টিশীল লেখন' শীৰ্ষক এটি সংযোজিত পাঠ্যক্ৰম আৰম্ভ কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ তথা চিন্তাশীল নিবন্ধকাৰ, কবি ড° সব্যসাচী মহন্তই এই পাঠ্যক্ৰমৰ শুভ উদ্বোধন কৰি সৃষ্টিশীল সাহিত্য লেখনৰ বাবে শিক্ষাৰ্থীসকলক অনুপ্ৰেৰণা যোগায়। তেওঁ কয় যে পাঠ্যক্ৰমটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে চিন্তা-অভিজ্ঞতা, কল্পনাশক্তিৰ কলাত্মক প্ৰকাশেৰে সৃষ্টিশীল সাহিত্য লেখনৰ প্ৰতি আগ্ৰহী হোৱাৰ লগতে তেওঁলোকৰ লেখন দক্ষতা বৃদ্ধিত সহায় কৰিব। পাঠ্যক্ৰমটোৰ সমন্বয়ক তথা গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী নীলাক্ষী চেতিয়া আৰু একে বিভাগৰে সহকাৰী অধ্যাপক দেৱযানী বকলীয়ালে জনায় যে সৃষ্টিশীল লেখনৰ তাত্ত্বিক তথা ব্যৱহাৰিক পাঠসমূহ অনলাইন আৰু অফলাইন দুয়োটা মাধ্যমতে মহাবিদ্যালয়ৰ অধ্যাপক, অতিথি অধ্যাপক তথা সাহিত্যিকৰ দ্বাৰা আগবঢ়োৱা হৈছে আৰু পৰৱৰ্তী সময়তো এই পাঠদান কাৰ্যসূচী অব্যাহত থাকিব বুলি সমন্বয়কদ্বয়ে জনায়। যোৱা ৩ জুন তাৰিখে 'সাহিত্য আৰু সমাজ' শীৰ্ষক বিষয়ত পাঠ আগবঢ়ায় খোৱাং মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° সচ্চিদানন্দ শইকীয়াই। ৫ জুন তাৰিখে 'গল্প সাহিত্য লেখন : কলা আৰু কৌশল' শীৰ্ষক বিষয়ত পাঠ আগবঢ়ায় 'সাহিত্য অকাদেমি যুৱ বঁটা'প্ৰাপক বিশিষ্ট গল্পকাৰ বিপাশা বৰাই আৰু ৭ জুন তাৰিখে 'কবিতা : সৃষ্টি, স্বকীয়তা আৰু সম্পৰীক্ষা' শীৰ্ষক বিষয়ত পাঠ আগবঢ়ায় 'মুনীন বৰকটকী সাহিত্য বঁটা'প্ৰাপক তৰুণ কবি তথা গোগামুখ মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক অংকুৰ ৰঞ্জন ফুকনে। অধ্যক্ষ ড° সব্যসাচী মহন্তৰ লগতে আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° সুৰজিত শইকীয়া, অসমীয়া বিভাগৰ অধ্যাপক প্ৰণৱ দুৱৰা, ঋণজুন হাজৰিকা, ড° অংকুৰ দত্ত আৰু গড়গাঁও শাখা সাহিত্য সভাৰ বিশেষ সহযোগৰ বাবে সমন্বয়কদ্বয়ে ধন্যবাদ জ্ঞাপন কৰে।

## বড়মপুৰত বান্দৰৰ উৎপাতত অতিষ্ঠ গঞা ৰাইজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ৯ জুন ঃ** নগাঁও জিলাৰ বৃহত্তৰ বড়মপুৰ আৰু ইয়াৰ সমীপৱৰ্তী অঞ্চলৰ গাঁওসমূহত বান্দৰৰ উৎপাতত অতিষ্ঠ হৈ পৰিছে ৰাইজ। বান্দৰৰ উৎপাতৰ বাবে এতিয়া কোনো খেতি-বাতি কৰিব নোৱৰা অৱস্থা হৈছে। উল্লেখ্য যে, জিলাখনৰ কন্দলী, তপতজুৰি আদি পাহাৰৰ ঘন জংঘলত দীৰ্ঘদিন বসতি কৰি অহা জাক জাক বান্দৰৰ অভাৱনীয় বংশবৃদ্ধিৰ ফলত খাদ্যৰ নাটনি হৈ পৰিছে। ফলত বৃহত্তৰ বড়মপুৰ, শান্তিবন, হালোৱাগাঁও, আদৰ্শগাঁও, হাজৰিকাচুক, বেজৰগাঁও, নেধাৰগাঁও, শিৱস্থান, আমনি, ভকতগাঁও, ঘোগৰগাঁও আদিকে ধৰি কেইবাখনো গাঁৱত বিভিন্ন শাক-পাচলি, ফল-মূল, শস্য নষ্ট কৰাৰ উপৰি মানুহৰ ঘৰত প্ৰৱেশ কৰি ৰাইজৰ নিদ্ৰাহৰণ কৰি আহিছে। ঠায়ে ঠায়ে মহিলা, সৰু ল'ৰা-ছোৱালীক আক্ৰমণ কৰা ঘটনাও সংঘটিত হৈছে। জংঘলৰ পৰিৱৰ্তে এতিয়া জাক-জাক বান্দৰে বাস কৰিবলৈ লৈছে মানুহৰ বাৰী-ঘৰসমূহত। ফলত ঘৰৰ টিন-পাত, খেৰী ঘৰ, গোহালি আদি নষ্ট কৰা উপৰি কলগছ, অমিতা গছ আদিৰ বিস্তৰ ক্ষতিসাধন কৰি আহিছে। বান্দৰৰ এনে অত্যাচাৰৰ পৰা ৰক্ষা পাবলৈ হাতত কোনো উপায় নথকাত গঞা ৰাইজৰ চিন্তাৰ অন্ত নোহোৱা হৈছে। সেয়েহে গঞা ৰাইজে জিলা প্ৰশাসনৰ তৰফৰ পৰা সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি কঠোৰ পদক্ষেপ গ্ৰহণৰ বাবে আহ্বান জনাইছে।

## ধুবুৰী জিলাৰ এ কে মণ্ডল মেমোৰিয়েল জাতীয় বিদ্যালয়ৰ কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৯ জুন ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনায় স্কুল কৰ্তৃপক্ষই। আজি বিদ্যালয়ৰ পৰা ডিষ্টিংশ্বনসহ প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক মাল্যাৰ্পণ আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়খনৰ পৰা অৱতীৰ্ণ হোৱা ২৩গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত তিনিজনে ডিষ্টিংশ্বন, সাতজনে ষ্টাৰ মাৰ্কসহ প্ৰথম স্থান আৰু দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। বৰ্তমান বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৫০০ৰো অধিক। ২৩জন শিক্ষক-শিক্ষয়িত্ৰীয়ে চলাইছে পাঠদান। ইফালে নাজিয়া ইয়াছমিনে অংকত ১০০ ভিতৰত ১০০ নম্বৰ পাই বিদ্যালয়খনৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াবলৈ সক্ষম হয়।

## বাঘমাৰীত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ৯ জুন ঃ** বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত বাঘমাৰী অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে পিতৃ হাৰুণ ৰছিদৰ (শিক্ষক) সু-পুত্ৰ এৰশ্বাদ হুছেইনে সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সৰ্বাধিক ৫৬৭ (৯৪.৫ শতাংশ) নম্বৰেৰে সম্পূৰ্ণ বিষয়ত লেটাৰসহ ডিষ্টিংচন নম্বৰ লাভ কৰি বৃহত্তৰ বাঘমাৰী অঞ্চলক উজলাই তুলিছে। ইয়াৰ উপৰি শংকৰদেৱ জাতীয় বিদ্যালয়ৰ পৰা কুলছুমা বিবি, তছলিমা বেগম আৰু নাজিৰা বেগমে ষ্টাৰ নম্বৰ লাভ কৰিছে। ইফালে পিতৃহীন মফিদা আৰু দুখীয়া বেপাৰীৰ ছোৱালী জছমিনা খাতুনে মকবুল হুছেইন হাই মাদ্ৰাছাৰ পৰা সুখ্যাতিৰে লেটাৰ নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। দৰিদ্ৰতাক নেওচি হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত এই দুগৰাকী ছাত্ৰীয়ে যি সাফল্য অৰ্জন কৰিলে তাৰ বাবে সমগ্ৰ অঞ্চলজুৰি এক শৈক্ষিক পৰিৱেশ গঢ়িবলৈ আৰম্ভ হৈছে বুলি বিশেষ চৰ্চা লাভ কৰা দেখা পৰিলক্ষিত হৈছে। আনহাতে, বাপুজী হাইস্কুলৰ পৰা আৰিফা পাৰবিন আৰু জৰেদা খাতুন, হেপ্পী চাইল্ড ইংলিছ স্কুলৰ পৰা তাৰিকুল আলম আৰু ৰাকিবুল হুছেইন, লিটিল ষ্টাৰৰ পৰা তৌফিক উজ জামানে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ সমগ্ৰ অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে ঘৰে ঘৰে শিক্ষাৰ মূল মন্ত্ৰ লৈ বুধবাৰে সন্ধিয়া বাঘমাৰী আঞ্চলিক সমিতিয়ে একোখনকৈ ফুলাম গামোচা, কলম আৰু প্ৰশংসা-পত্ৰৰে উষ্ম আদৰণিৰ লগতে আন্তৰিকতাৰে অভিনন্দন জনাইছে। লগতে সম্বৰ্ধনা কাৰ্যত বাঘমাৰী আঞ্চলিক সমিতি ASSPৰ অন্যতম উপদেষ্টা ছহিদুল ইছলাম, সভাপতি ইমাম হুছেইন, সাধাৰণ সম্পাদক মোস্তাফিজুৰ আৰু আমিল হক, শিক্ষা সম্পাদক ছাইফুল ইছলাম আৰু আব্দুল হাছিদ,বিত্ত সম্পাদক আশ্ৰাফ আলী উপস্থিত হৈ অভিনন্দন জ্ঞাপন কৰে। সদৌ শেষত মফিদা খাতুনে পঢ়াৰ ক্ষেত্ৰত যদি কিবা অসুবিধাৰ সন্মুখীন হয় তেন্তে সম্পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি তেওঁৰ মাতৃক কথা দিয়ে বাঘমাৰী আঞ্চলিক সমিতি ASSP সভাপতি ইমাম হুছেইনে।



বকোত হাতী-মানুহৰ সংঘাত তুংগত

## খাটাজুলিত ঘৰ ভাঙি চূৰমাৰ দৰিদ্ৰ পৰিয়ালৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৯ জুন ঃ** ৰাজ্যৰ বনাঞ্চল সংকুচিত হৈ অহাৰ বাবে বনাঞ্চলৰ জীৱ - জন্তুৰ বিচৰণ ভূমি জনাঞ্চল হৈ পৰিছে। এই ক্ষেত্ৰত হাতী আৰু মানুহৰ সংঘাত তুংগত হৈ পৰিছে। তেনে ঘটনাৰ পৰিপ্ৰেক্ষিতত যোৱানিশা কামৰূপ জিলাৰ বকো ৰাজহ চক্ৰৰ অন্তৰ্গত খাটাজুলিত সংঘটিত হৈছে এক মৰ্মান্তিক ঘটনা। জানিব পৰা মতে যোৱানিশা এটা বনৰীয়া হাতীয়ে খাটাজুলি গাঁৱৰ প্ৰয়াত গুলীয়া ৰাভাৰ পত্নী ৰূপে ৰাভাৰ মুঠ চাৰিটা ঘৰ ভাঙি লণ্ড-ভণ্ড কৰে। পৰিয়ালটোৰ পাঁচগৰাকী সদস্যৰ বাবে থকা ঘৰ, ৰান্ধনী ঘৰ আৰু ভঁৰাল ঘৰসহ চাৰিওটা ঘৰ ভাঙি তাণ্ডৱ চলায়। উল্লেখ্য যে, নিশা পৰিয়ালটোৱে ভাত খোৱাৰ ব্যৱস্থা কৰি থকাৰ সময়তে হাতীয়ে আহি এফালৰ পৰা ঘৰকেইটা ভাঙি তাণ্ডৱ চলায়। জানিব পৰা মতে, নিশাৰ আহাৰ খোৱা নহ'ল পৰিয়ালটোৰ। ইফালে পৰিয়ালটোৰ আটাইকেইটা ঘৰ ভাঙি লণ্ড-ভণ্ড কৰাত নিৰাশ্ৰয় হৈ পৰিছে। নিশা বনৰীয়া হাতীৰ উপদ্ৰৱত শংকিত হৈ পৰিছে গঞা আৰু সৰ্বত্ৰ হাহাকাৰ



লাগিছে। পৰিয়ালটোক সহায় কৰিবলৈ আহ্বান জনাইছে সচেতন সমাজে।

## মহেশ্বৰ বৰকটকী বিদ্যালয়ত বিজ্ঞান মেলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ৯ জুন ঃ** অসম বিজ্ঞান সমিতিৰ যোৰহাট শাখাই উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ সহযোগত পূব যোৰহাটৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এক বিজ্ঞান মেলা অনুষ্ঠিত কৰে। বিজ্ঞান সমিতিৰ সভাপতি ড° ৰমেশ চন্দ্ৰ বৰুৱাই পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা কাৰ্যসূচীৰ গছপুলি ৰোপণ কৰে বিদ্যালয়ৰ অধ্যক্ষ মেৰিনা বেগমে। ইয়াৰ পিছতে বিজ্ঞান মেলা উদ্বোধন কৰে নেইষ্টৰ অৱসৰপ্ৰাপ্ত বিজ্ঞানী উমেশ চন্দ্ৰ বৰাই। বিজ্ঞান সমিতিৰ সম্পাদক ৰমেন গগৈয়ে আঁত ধৰা আৰু ড° ৰমেশ চন্দ্ৰ বৰুৱাই আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানত নেইষ্টৰ ড° যতীন কলিতা, অধ্যক্ষ মেৰিনা বেগম, অৱসৰপ্ৰাপ্ত অধ্যাপিকা নীলিমা বৰাই বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত উমেশ চন্দ্ৰ বৰাই বিদ্যালয়খনলৈ বিশ্বকোষৰ পাঁচটা খণ্ড আৰু গছপুলি প্ৰদান কৰে। মেলা উপলক্ষে ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত শ্ল'গান আৰু কুইজ পৰিচালনা কৰে বিজ্ঞান শিক্ষক হেমেন কুমাৰ শইকীয়া, অসীম কুমাৰ গগৈয়ে। কৃষি বিজ্ঞানী ডাঃ ৰাজেন্দ্ৰ প্ৰসাদ দাসে ছাত্ৰ-ছাত্ৰীসকলক কৃষিৰ বিভিন্ন দিশ সামৰি মূল্যৱান বক্তৃতা প্ৰদান কৰে। ইয়াৰ পিছতে যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহৰ পূৰৱী দেৱীয়ে প্ৰদৰ্শন কৰা বিজ্ঞানৰ যাদুৰে সকলোকে আকৰ্ষণ কৰে। অসম বিজ্ঞান লেখক সংস্থাৰ প্ৰাক্তন সভাপতি ড° অদিতি বেজবৰুৱাই বিজ্ঞান আৰু অন্ধবিশ্বাস সম্পৰ্কে অনুষ্ঠানত শিক্ষাৰ্থীসকলক দৃশ্য-শ্ৰব্য মাধ্যমেৰে আকৰ্ষণীয় বক্তৃতা প্ৰদান কৰে। সামৰণী অনুষ্ঠানত শ্ল'গানত স্থানপ্ৰাপ্ত প্ৰাচুৰ্যপ্ৰিয়ম ফুকন, অন্বেষা ফুকন, বন্দিতা বৰা আৰু কুইজত প্ৰথম হৰ্ষজিত বৰা, দ্বিতীয় অনিন্দিতা বৰঠাকুৰ, তৃতীয় হোৱা ৰিতৃষ্ণা গগৈ, জোন ফুকন, অন্বেষা ফুকনক পুৰস্কাৰ প্ৰদান কৰে। নেইষ্টৰ তৰফৰ পৰা বিজ্ঞান মেলাত এটা প্ৰদৰ্শন কেন্দ্ৰ স্থাপন কৰি তেওঁলোকৰ বিভিন্ন দিশ সম্পৰ্কে আলোকপাত কৰে।







## স্তন কৰ্কটৰে যুঁজ

### এতিয়া পুনৰ উৰিবলৈ সাজু


# মহিমা চৌধুৰী


**স্তন কৰ্কটৰ সৈতে যুঁজ দি থকা মহিমা চৌধুৰীক নিজৰ নতুন ছবিত অভিনয়ৰ প্ৰস্তাৱ অনুপম খেৰৰ**

**মহিমা সুস্থ হৈ উঠিছে আৰু এতিয়া ভালে আছে**

**অনুপম খেৰ বৰ্তমান ব্যস্ত তেওঁৰ ৫২৫ সংখ্যক ছবিৰ দৃশ্যগ্ৰহণৰ কামত**





অনুপম খেৰ বৰ্তমান ব্যস্ত তেওঁৰ ৫২৫ সংখ্যক ছবিৰ দৃশ্যগ্ৰহণৰ কামত। ছবি খনৰ দৃশ্যগ্ৰহণৰ বাবে আমেৰিকাত থকা অনুপম খেৰে মহিমা চৌধুৰীৰ বাবে লৈ আহিছে এক সুখবৰ। খেৰে তেওঁৰ নতুন ছবিত মহিমা চৌধুৰীক এটা চৰিত্ৰত অভিনয় কৰিবলৈ যোগাযোগ কৰিছে। অনুপম খেৰে তেতিয়াই তেওঁ গম পাইছিল যে মহিমা চৌধুৰী স্তনৰ কৰ্কট ৰোগৰ চিকিৎসা কৰোৱাবলৈ আমেৰিকাতে আছে। বহু দিন ধৰি ডাঙৰ পৰ্দাৰ পৰা আঁতৰি থকা মহিমা চৌধুৰীয়ে এটা ভিডিঅ'ত প্ৰকাশ কৰিছে যে তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰত স্তন কৰ্কট ৰোগৰ চিকিৎসা কৰি আছে। তেওঁ লগতে কৈছে যে মহিমাই খেৰক খবৰটো জনাইছিল আৰু অনুপম খেৰে তেওঁক ছবিখনত এটা চৰিত্ৰৰ বাবে প্ৰস্তাৱ দিছে। মহিমাই খেৰক সুধিছিল যে তেওঁ ছেটটোত এটা উইগ পিন্ধিব পাৰিবনে? খেৰে সেই কথাত সন্মতি দিছিল অনুপম খেৰেও এটা ভিডিঅ'ত কৈছে "মহিমাক আপুনি মৰম, শুভেচ্ছা, প্ৰাৰ্থনা আৰু আশীৰ্বাদ প্ৰেৰণ কৰক। তেওঁ পুনৰ ছেটলৈ উভতি আহিছে, য'ত তেওঁ এটা সময়ত আছিল। তেওঁ এতিয়া পুনৰ উৰিবলৈ সাজু!!" ভাল খবৰটো হ'ল যে মহিমা সুস্থ হৈ উঠিছে আৰু এতিয়া ভালে আছে। এই যুঁজত সাহসেৰে যুঁজ দিয়াৰ বাবে মহিমাক সকলোৱে শুভেচ্ছা জনোৱাৰ লগতে অভিনেত্ৰীগৰাকীক আকৌ এবাৰ পৰ্দালৈ উভতি অহা চাবলৈ অপেক্ষা কৰিছে।

## ছুপাৰ মডেল মালাইকা অৰোৰা

মালাইকা অৰোৰাক তাইৰ নো-মেকআপ অৱতাৰত ডেইজীৰ দৰে সতেজ দেখা গৈছিল। মালাইকা অৰোৰাই বহু বছৰ ধৰি বহুতো টুপী পিন্ধিছে। এগৰাকী চুপাৰমডেল হিচাপে এক অত্যাশ্চৰ্য সৌন্দৰ্য হোৱাৰ পৰা নৃত্যৰ ৰিয়েলিটি শ্ব'ৰ বিচাৰ কৰালৈকে— তেওঁ এটাতকৈ অধিক প্ৰতিভাৰ বাবে হেডলাইনিং কৰি আহিছে। তেওঁ বলীউডক কিছুমান আটাইতকৈ বেছি ফুট টেপিং নৃত্য ৰচনা কৰিছে আৰু আজিলৈকে, আমি তেওঁলোকক সহায় কৰিব নোৱাৰো।চহৰৰ এগৰাকী উপযুক্ত চেলিব্ৰেটী, মালাইকা সদায়ে তেওঁৰ ফিটনেছ প্ৰণালীৰ প্ৰতি সমৰ্পিত যি কেৱল তেওঁৰ শাৰীৰিক স্বাস্থ্যৰ প্ৰতিপ্ৰতিফলন নকৰে কিন্তু লগতে তেওঁৰ মুখৰ উজ্জ্বলতাও প্ৰতিফলিত কৰে। তাই প্ৰায়ে তাইৰ ছালৰ যত্নৰ ৰুটিনত থকা কিছুমান বিশ্বাসযোগ্য সৌন্দৰ্য পদ্ধতিৰ আভাস ছচিয়েল মিডিয়াত শ্বেয়াৰ কৰিছে, কিন্তু এজনে কেৱল চাব পাৰে যে ই কিমান ভালদৰে ফলাফল আনিছে যেতিয়া তাই তাইৰ কিছুমান ফটো শ্বেয়াৰ কৰে য'ত তাইৰ মুখখন চেঁচা পৰিষ্কাৰ আৰু সেই প্ৰাকৃতিক উজ্জ্বলতাৰ সৈতে দেখা যায়। ডিভাগৰাকী ছ'চিয়েল মিডিয়াত যথেষ্ট সক্ৰিয় আৰু প্ৰায়ে ঘৰত ঘূৰি ফুৰা, শনিবাৰে নিশা কটোৱা, বা কেৱল এটা সাধাৰণ দিনৰ বন্ধ উপভোগ কৰাৰ সময়ত ফটো শ্বেয়াৰ কৰে। ইয়াত তাই তাইৰ আইজি ফীডত শ্বেয়াৰ কৰা কিছুমান আটাইতকৈ প্ৰাকৃতিক ছবিৰ এটা ৰাউণ্ডআপ দিয়া হৈছে যিকেৱল তাই কি সৌন্দৰ্য দেখুৱাবলৈ গৈছিল— মেকআপৰ সৈতে বা অবিহনে, অন বা অফস্ক্ৰীণ!



**ৰিয়েলত কন্যা ৰূপত দক্ষিণৰ ছুপাৰষ্টাৰ নয়নতৰা**





## পশমিনা

**হৃত্বিক ৰোশনৰ ভগ্নী শীঘ্ৰেই কৰিব বলীউডত আত্মপ্ৰকাশ**



হৃত্বিক ৰোশনৰ ভগ্নী পশমিনাই বলীউডত আত্মপ্ৰকাশ কৰিব, অভিনেতাজনে তেওঁক অভিনন্দন জনাই কয়, সম্পৰ্কীয় ভগ্নী পশমিনা ৰোশনে বলীউডত আত্মপ্ৰকাশ কৰিবলৈ সাজু হৈছে। পশমিনাই শ্বাহিদ কাপুৰৰ ২০০৩ চনৰ ছবি 'ইশ্‌ক বিষক'ৰ চিকুৱেলেৰে কেৰিয়াৰ আৰম্ভ কৰিব। মই তোমাক লৈ বহুত গৌৰৱান্বিত। মোৰ মৰমী। 'ইশ্‌ক বিষক ৰিবাউণ্ড'ৰ গোটেই দলটোলৈ মোৰ শুভকামনা। এইটো এটা বহুত ভাল দল।

## শিল্পা ছেট্টীৰ ধুনীয়া চেহেৰাৰ ৰহস্য...



শিল্পা চেট্টী কুন্দ্ৰা এবছৰ ডাঙৰ হোৱাৰ লগে লগে, আমি তেওঁৰ উৎসাহী জীৱনশৈলীৰ ৰহস্যবোৰ ভাগ বতৰা কৰোঁ। শিল্পা চেট্টী কুন্দ্ৰা হৈছে বলীউডৰ আটাইতকৈ জীৱন্ত আৰু কঠোৰ পৰিশ্ৰমী অভিনেত্ৰী। অভিনেত্ৰীগৰাকীয়ে ১৯৯৩ চনৰ থ্ৰিলাৰ বাজিগৰত অভিনয়ৰ আৰম্ভণি কৰিছিল আৰু তেতিয়াৰ পৰা ৪০ খনতকৈও অধিক চলচ্চিত্ৰত কাম কৰিছিল। অভিনেত্ৰীগৰাকীয়ে তিনি দশক জুৰি তেওঁৰ কেৰিয়াৰত একাধিক প্ৰশংসা আৰু ব্যাপক অভিবাদন লাভ কৰিছে। তেওঁ এতিয়া অভিমন্যু দাসনী আৰু শ্বাৰ্লি চেতিয়া অভিনীত তেওঁৰ আহিবলগীয়া চলচ্চিত্ৰ নিকাম্মাৰ মুক্তিৰ বাবে অপেক্ষা কৰি আছে।অভিনেত্ৰীগৰাকীয়ে চুট আপ আৰু বাউন্স গানটো তৈয়াৰ কৰাৰ লগে লগে চোয়াল টোপাল কৰি তুলিছিল। বিকিনি পিন্ধা নৃত্য প্ৰদৰ্শনত, অভিনেত্ৰীগৰাকীক তেওঁৰ সুঠাম আৰু পেশীবহুল শৰীৰটো প্ৰদৰ্শন কৰাৰ সময়ত আকৰ্ষণীয় লাগিছিল। গানটো অভিনেত্ৰীগৰাকীৰ কেৰিয়াৰ-নিৰ্ধাৰিত প্ৰদৰ্শনহৈ পৰিণত হৈছিল। ২০০৮ চনৰ দোস্তানা চলচ্চিত্ৰৰ গানটো পুনৰ দৰ্শন কৰি, এজনে আচৰিত হ'ব পাৰে যে কেনেকৈ নিজকে চেট্টীৰ দৰে একে ফিটনেছৰ পথত উপনীত কৰিব পাৰি। ইয়াৰ উত্তৰ যিমান কল্পনা কৰিব পাৰি সিমান কঠিন নহ'ব পাৰে, কিয়নো শিল্পা চেট্টীয়ে সদায়ে তেওঁৰ আহাৰ আৰু ব্যায়ামৰ বিষয়ে এক স্বাস্থ্যকৰ আৰু সক্ৰিয় জীৱনশৈলীৰ বাবে ওকালতি কৰি আহিছে। স্বাস্থ্যৱান জীৱনৰ বাবে অনুপ্ৰেৰণা সম্পৰ্কে অভিনেত্ৰীগৰাকীয়ে কয়, "আপুনি যি প্ৰাপ্তকৰাৰ সপোন দেখে, জীৱনে সদায় অনুশাসন, নিষ্ঠা আৰু নিৰন্তৰ প্ৰচেষ্টা আৰু কিছু পৰিমাণৰ ব্যস্ততাৰ দাবী কৰিব। একেদৰে, 'পেশী'ৰ বাবেও! যেতিয়ালৈকে আপুনি নিজকে ঠেলি নিদিয়ে, আগবাঢ়ি যোৱাটো সদায়ে দূৰৰ সপোন যেন লাগিব।" তেওঁ লগতে কয়, "সময়সূচী প্ৰস্তুত কৰক, অতিৰিক্ত চেনী ত্যাগ কৰক, আপোনাৰ সময় আৰু পানী গ্ৰহণ ভালদৰে নিয়ন্ত্ৰণ কৰক সন্তুলিত অনুপাতৰ সৈতে পৰিষ্কাৰ খাব, আৰু কালিৰ তুলনাত সুস্থ হ'ব। এইটোৱেই আগবাঢ়ি যোৱাৰ একমাত্ৰ পথ। আপুনি এইটো কৰিব পাৰে!"অভিনেত্ৰী আৰু ফিটনেছ উৎসাহী গৰাকীয়ে যোগ, ব্যায়াম, ৰোগ প্ৰতিৰোধ ক্ষমতা আৰু আহাৰ কাৰ্যসূচী পূৰণ কৰা এক সামগ্ৰিক স্বাস্থ্য এপ, চিম্পলি ডিপ্ৰিভেল মুকলি কৰে। তেওঁ শ্বেপ অফ ইউ নামৰ এটা ৰেডিঅ' অনুষ্ঠানও আয়োজন কৰে আৰু নিজৰ ইউটিউব চেনেল পৰিচালনা কৰে য'ত তেওঁ এক সন্তুলিত জীৱনশৈলীৰ গুৰুত্ব প্ৰচাৰ কৰে। তাই এক স্বাস্থ্যকৰ জীৱনশৈলীক উৎসাহিত কৰি সজাগতা বিয়পাবলৈও প্ৰতিশ্ৰুতি দিছে। তেওঁৰ জনপ্ৰিয় দৰ্শন স্বস্ত ৰাহো, মস্ত ৰাহোৰ দ্বাৰা জীয়াই থকা অভিনেত্ৰীগৰাকীয়ে বহুতক সঠিক পথ অনুসৰণ কৰিবলৈ অনুপ্ৰাণিত কৰিছে। শিল্পা চেট্টী কুন্দ্ৰাই এক স্বাস্থ্যকৰ সন্তুলিত আহাৰ গ্ৰহণৰ প্ৰচাৰ কৰে আৰু ডায়েটিংৰ বিৰোধী।



## ভাৰতৰ প্ৰথম মহিলা যুঁজাৰু

**ৰবীন্দ্ৰ ভৱনত দৰ্শকৰ বিপুল সমাদৰ**


# বীৰাংগনা



এটা জাতিৰ সংস্কৃতি সময়ৰ সোঁতত হেৰাই যাবৰো পাৰে নতুবা কটকটীয়া হৈ সময়ৰ গতিত অধিক সুদৃঢ় হ'ব পাৰে। তাৰ বাবে জাতিটোৰ প্ৰতিগৰাকীয়ে ধৰি ৰাখিব লাগিব নিজস্বতাক। কেৱল সেৱাই নহয়, সময়ে সময়ে সংস্কৃতিক সঠিক ৰূপত উপস্থাপন কৰাৰ লগতে পৰিৱেশন কৰিব লাগিব নৱ-প্ৰজন্মৰ সন্মুখত, যাতে নৱ-প্ৰজন্ময়ো বাহক হিচাপে কাম কৰিব পাৰে। অসমীয়া নাৰী সমাজৰ স্বাভিমানৰ প্ৰতীকস্বৰূপ তথা এছিয়া মহাদেশৰ ভিতৰত প্ৰথম নাৰী বাহিনী গঠন কৰি যুদ্ধক্ষেত্ৰত জঁপিয়াই পৰা বীৰাঙ্গনা সতী সাধনীৰ জীৱনক লৈ আধাৰিত নাট বীৰাংগনাই দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। গুৱাহাটী মহানগৰীত বসবাস কৰা চুতীয়া সমাজৰ উদ্যোগত আৰু অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত ৫ জুনত মঞ্চায়ন হোৱা 'বীৰাংগনা' শীৰ্ষক নাটখনেই ৰবীন্দ্ৰ ভৱনত মঞ্চস্থ হোৱা চুতীয়া ৰাজশাসনৰ ওপৰত আধাৰিত প্ৰথমখন নাট। ফলত মৃত্যুঞ্জয়ী আদৰ্শ আৰু বীৰত্বৰে মহীয়ান চুতীয়া ৰাজশাসনৰ শেষৰগৰাকী ৰাণী তথা বীৰাংগনা সাধনীৰ জীৱন আধাৰিত নাটখন প্ৰায় চাৰি শতাধিক লোকে উপভোগ কৰাৰ লগতে নাটখনৰ কলা-কৌশলীসকলে দুৰ্দান্ত অভিনয়ৰ মাজেৰে দৰ্শকৰ মন জয় কৰিবলৈ সক্ষম হয়। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক ডঃ দেৱজিৎ খনিকৰে উদ্বোধন কৰা তথা শস্য উদ্যান বিভাগৰ সঞ্চালক তৰংগ ভাৰতী বৰা, প্ৰযোজক গৰিমা শইকীয়া গাৰ্গ, চুতীয়া উন্নয়ন পৰিষদৰ উপাধ্যক্ষ জ্যোতিপ্ৰসাদ চুতীয়াৰ সাধনীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনে আৰম্ভ হোৱা এই অনুষ্ঠানত নাট মঞ্চস্থৰ পূৰ্বে অসমীয়া সমাজ-জীৱনলৈ সেৱা আগবঢ়োৱা তথা চুতীয়া জনগোষ্ঠীৰ সু-সন্তানৰ বতাহঘুলিৰ অৱসৰপ্ৰাপ্ত অৱৰ সচিব গগন চন্দ্ৰ চুতীয়া, সৰুমটৰীয়াৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া ধীৰেন্দ্ৰ নাথ শইকীয়া, সমাজ কল্যাণ বিভাগৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত সঞ্চালক গিৰীন ভূঞা, বিশিষ্ট বৈজ্ঞানিক ডঃ জয়ন্তী চুতীয়া, হাতীগাঁৱৰ বোপাৰাম ভাজনী, এবিচিৰ ভৰত শইকীয়া আৰু কাহিলিপাৰাৰ অনন্ত নেওগক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য, মঞ্চস্থ হোৱা নাটখনৰ নাট্যদলটো মৰাণ লেঙেৰীৰ তথা বহুকেইগৰাকী প্ৰতিভাৱান অভিনেতা-অভিনেত্ৰীয়ে অভিনয় কৰা নাটকখনৰ সংগীত সুভাষ গগৈ, নাট্যকাৰ লীলা চুতীয়া আৰু পৰিচালনা ভৈৰৱ কুমাৰ ফুকনৰ। বীৰাংগনা সতী সাধনীৰ জীৱন আধাৰিত নাট 'বীৰাংগনা'ত মূল চৰিত্ৰ ধৰ্মধ্বজ পালৰ অভিনয় কৰে পবিত্ৰ বুঢ়াগোহাঁয়ে, সাধনীৰ চৰিত্ৰত অভিনয় কৰে পাহাৰী গগৈয়ে, নীতিপালৰ চৰিত্ৰত হীৰকজ্যোতি গগৈয়ে আৰু কনচেং বৰপাত্ৰগোঁহাইৰ চৰিত্ৰত অভিনয় কৰে যতীন বুঢ়াগোহাঁয়ে। নাটখনৰ সুন্দৰ দৃশ্যৰূপ আৰু প্ৰতিগৰাকী অভিনেতা-অভিনেত্ৰীৰ সুন্দৰ অভিনয়েৰে প্ৰতিগৰাকী দৰ্শকক আপ্লুত কৰাৰ লগতে উদ্যোক্তাসকল ক্ৰমে যুৱ সাংবাদিক ৰন্টু নেওগ, অগপ নেতা দিব্য ৰাজখোৱা, জ্ঞানেন চুতীয়া আৰু কুণ্ডিল চুতীয়াৰ প্ৰচেষ্টাক সকলোৱে শলাগ লয়। লগতে বীৰাংগনা সাধনীৰ ত্যাগ আৰু পৰাক্ৰমী ইতিহাসৰ বহু নজনা কথা নাটকখনৰ জৰিয়তে সফলভাৱে প্ৰকাশ কৰিবলৈ সক্ষম হৈছে নাট্যদলটো।

**কেৱল সেৱাই নহয়, সময়ে সময়ে সংস্কৃতিক সঠিক ৰূপত উপস্থাপন কৰাৰ লগতে পৰিৱেশন কৰিব লাগিব নৱ-প্ৰজন্মৰ সন্মুখত, যাতে নৱ-প্ৰজন্ময়ো বাহক হিচাপে কাম কৰিব পাৰে**

# সাধনী




## প্ৰথম পৃষ্ঠাৰ পৰা—

## মন্ত্ৰীসভা হ'ল ১৬ জনীয়া

নন্দিতা গাৰ্লোছাক। শপতগ্ৰহণৰ পিছতে চৰকাৰীভাৱে মন্ত্ৰীসকলৰ বিভাগসমূহ প্ৰকাশ কৰা হৈছে। পূৰ্বৰ মুখ্যমন্ত্ৰীকে ধৰি ১৪ মন্ত্ৰী আৰু বৰ্তমানৰ দুই মন্ত্ৰীৰ বাবে নতুনকৈ বিভাগসমূহ বিতৰণ কৰা হৈছে। বিগত এবছৰত প্ৰদৰ্শন কৰা সফলতাৰ ভিত্তিতে একাংশ মন্ত্ৰীৰ দপ্তৰ সালসলনি ঘটোৱা হৈছে। উল্লেখ্য যে আজি নতুনকৈ প্ৰকাশ কৰা তালিকাত মুখ্যমন্ত্ৰীৰ হাতত গৃহ, ৰাজনৈতিক, লোকনিৰ্মাণ বিভাগ আদিকে ধৰি অন্যান্য মন্ত্ৰীৰ বাবে আৱণ্টন নকৰা আটাইবোৰ বিভাগ থাকিল। এবছৰ পূৰ্বেও মুখ্যমন্ত্ৰীৰ হাতত এই বিভাগসমূহ আছিল। মন্ত্ৰীসভাৰ চৰকাৰী নিৰ্দেশনাত দ্বিতীয় স্থানত থকা ৰঞ্জিত কুমাৰ দাসৰ হাতৰ পৰা বিভাগ কৰ্তন কৰা হৈছে। জ্যেষ্ঠ মন্ত্ৰীজনৰ হাতত থাকিল পূৰ্বৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য আৰু অসামৰিক যোগান, গ্ৰাহক পৰিক্ৰমা, সাধাৰণ প্ৰশাসন বিভাগ। মন্ত্ৰীজনৰ হাতৰ পৰা ওলাই গ'ল জনস্বাস্থ্য কাৰিকৰী বিভাগ। অৱশ্যে পূৰ্বে ৰঞ্জিত দাসৰ হাতত সচিবালয় প্ৰশাসন বিভাগ আছিল যদিও এই বিভাগটো সাধাৰণ প্ৰশাসন বিভাগৰ সৈতে চামিল কৰা হৈছে। তালিকাৰ তৃতীয় স্থানত আছে অগপৰ মন্ত্ৰী অতুল বৰা। তেওঁৰ হাতত পূৰ্বৰ কৃষি, উদ্যানশস্য, পশুপালন আৰু পশু চিকিৎসা, সীমান্ত উন্নয়ন আৰু অসম চুক্তি ৰূপায়ণ বিভাগ আছে। পূৰ্বে থকা সমবায় বিভাগটো কৰ্তন কৰা হৈছে। ইয়াৰ পিছতে ইউ পি পি এলৰ উৰ্খাও গৌৰা ব্ৰহ্মৰ নাম আছে আৰু তেওঁৰ হাতত হস্ততাঁত আৰু বস্ত্ৰ শিল্প, ভূমি সংৰক্ষণ আৰু বড়োলেণ্ড কল্যাণ বিভাগ আছে। উল্লেখ্য যে বড়োলেণ্ড কল্যাণ বিভাগ নতুনকৈ গঠন কৰা হৈছে। তালিকাত চন্দ্ৰমোহন পাটোৱাৰীৰ স্থান পঞ্চমত। তেওঁৰ হাতত থকা কেবাটাও বিভাগ কৰ্তন কৰা হৈছে। বৰ্তমান বন আৰু পৰিৱেশ, এক্ট ইষ্ট পলিচি পৰিক্ৰমা আৰু সংখ্যালঘু কল্যাণ বিভাগ আছে। পাটোৱাৰীৰ হাতত থকা পূৰ্বৰ পৰিবহণ, উদ্যোগ আৰু বাণিজ্য, দক্ষতা বিকাশ আৰু উদ্যমিতা বিভাগ তিনিটা কৰ্তন কৰা হৈছে। বিজেপিৰ অন্য এজন জ্যেষ্ঠ মন্ত্ৰী পৰিমল শুক্লবৈদ্য পুৰস্কৃত হৈছে। তেওঁৰ হাতত বৰ্তমান পৰিবহণ বিভাগ, মীন বিভাগ আৰু আৱকাৰী বিভাগ তিনিটা আছে। অৱশ্যে তেওঁৰ হাতৰ পৰা বন আৰু পৰিৱেশ বিভাগটো কৰ্তন কৰা হৈছে। অগপৰ প্ৰতিনিধি কেশৱ মহন্তৰ হাতত থাকি গ'ল স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণা, বিজ্ঞান আৰু প্ৰযুক্তি, তথ্য-প্ৰযুক্তি বিভাগকেইটা। কেশৱ মহন্তৰ হাতলৈ নতুনকৈ আহিল চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগটো। বিজেপিৰ ডাঃ ৰণোজ পেগুৰ হাতত প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষা সামৰি সম্পূৰ্ণ শিক্ষা বিভাগটো থাকি গ'ল। অসম চৰকাৰৰ ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগটো বিলুপ্ত কৰা হৈছে। এই বিভাগটো নতুনকৈ জনজাতি কল্যাণ বিভাগ হিচাপে গঠন কৰা হৈছে। এতিয়া পেগুৰ হাতত সমৰ্পিত হৈছে এই বিভাগটো। লগতে খিলঞ্জীয়া জনজাতিৰ বিশ্বাস আৰু সংস্কৃতি নামৰ নতুনকৈ গঠন কৰা বিভাগটোৰ পুথিভঁৰাল আৰু সংগ্ৰহালয় সঞ্চালকালয় শাখা দুটাৰ দায়িত্বও পেগুৰ হাতত অৰ্পিত হৈছে। গুৱাহাটীৰ বানপানী সমাধানযোগ্য নহয় বুলি ইতিমধ্যে হাত দাঙি দিয়া অশোক সিংঘালৰ হাতৰ পৰা গুৱাহাটী উন্নয়ন বিভাগটো কৰ্তন কৰিছে। তেওঁৰ হাতত জলসিঞ্চন আৰু গৃহ নিৰ্মাণ, নগৰাঞ্চল পৰিক্ৰমা বিভাগকেইটা পূৰ্বৰ দৰে সংলগ্ন হৈ আছে। বিজেপিৰ মন্ত্ৰী যোগেন মহনৰ হাতত পূৰ্বৰ দৰে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, পাৰ্বত্য অঞ্চল উন্নয়ন বিভাগকেইটা অক্ষত আছে। কিন্তু পূৰ্বে থকা খনি আৰু খনিজাত সামগ্ৰীৰ বিভাগটো কৰ্তন কৰা হৈছে। অন্য এজন প্ৰভাৱশালী মন্ত্ৰী পীযুষ হাজৰিকাৰ হাতত পূৰ্বৰ জলসম্পদ, তথ্য আৰু জনসংযোগ, সংসদীয় পৰিক্ৰমা বিভাগকেইটা অক্ষত থকাৰ লগতে নতুনকৈ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগটো অৰ্পণ কৰি পুৰস্কৃত কৰা হৈছে। শেষৰ বিভাগটো অসম চৰকাৰে নতুনকৈ গঠন কৰিছে। বিগত এবছৰতে নিজৰ দক্ষতাৰে বিভিন্নজনৰ প্ৰশংসা আদায় কৰিছিল মন্ত্ৰী বিমল বড়াই। তেওঁৰ হাতত একাধিক বিভাগ তুলি দিয়া হৈছিল। বৰ্তমান পূৰ্বতে থকা সাংস্কৃতিক বিভাগটোৰ সৈতে নতুনকৈ অৰ্পণ কৰা হৈছে উদ্যোগ আৰু বাণিজ্য, ৰাজহুৱা প্ৰতিষ্ঠান দপ্তৰ। বিমল বড়াৰ পৰা কৰ্তন হ'ল ক্ৰীড়া আৰু যুৱকল্যাণ, শক্তি আৰু পৰ্যটন বিভাগকেইটা। আজি মন্ত্ৰীসভাত অন্তৰ্ভুক্ত হোৱা নন্দিতা গাৰ্লোছাৰ হাতত অৰ্পিত হ'ল শক্তি বিভাগ, সমবায় বিভাগ, খনি আৰু খনিজাত, খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস-সংস্কৃতি বিভাগকেইটা। নতুনকৈ অন্তৰ্ভুক্ত হোৱা জয়ন্ত মল্ল বৰুৱাৰ হাতত প্ৰদান কৰা হৈছে পৰ্যটন, জনস্বাস্থ্য কাৰিকৰী আৰু দক্ষতা বিকাশ, নিযুক্তি-উদ্যমিতা বিভাগৰ দায়িত্ব। বিত্তমন্ত্ৰী অজন্তা নেওগৰ স্থান মন্ত্ৰীসভাৰ তালিকাত দ্বাদশ আৰু তেওঁৰ হাতত পূৰ্বৰ দৰে বিত্ত বিভাগটো অক্ষত আছে। পূৰ্বতে থকা সমাজকল্যাণ বিভাগটো নতুনকৈ গঠন কৰি মহিলা আৰু শিশু কল্যাণ বিভাগ হিচাপে নামাংকিত কৰা হৈছে। এই বিভাগৰ দায়িত্বও অজন্তা নেওগৰ হাততে অৰ্পিত হ'ল। উল্লেখ্য যে মন্ত্ৰীসভাৰ তালিকাত স্থান পাবৰ বাবে বিজেপিৰ উপৰিও সহযোগী অগপ আৰু ইউ পি পি এলৰ পৰা আশা প্ৰকাশ কৰিছিল। কিন্তু তেওঁলোক কিছু পৰিমাণে আশাহত হ'ল। অৱশ্যে মন্ত্ৰীসভাত এতিয়াও তিনিটা পদ খালি আছে বুলি মুখ্যমন্ত্ৰীয়ে আশাহতসকলক আশান্বিত কৰি ৰাখিছে। অন্য এক উল্লেখনীয় দিশ হ'ল এয়ে যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দুই হাত হিচাপে পৰিচিত আছে পীযুষ হাজৰিকা আৰু জয়ন্ত মল্ল বৰুৱা। প্ৰথমখন মন্ত্ৰীসভাত জয়ন্ত মল্ল বঞ্চিত হ'লেও মুখ্যমন্ত্ৰীয়ে তেওঁক ৰাজনৈতিক সচিব আৰু কেবিনেট মৰ্যাদা অৰ্পণ কৰিছিল। এইবাৰ মন্ত্ৰীসভাত স্থান দিয়াৰ লগে লগে সোঁ-বাওঁ দুয়োহাত মুখ্যমন্ত্ৰীৰ সম্পূৰ্ণ হ'ল বুলি ৰাইজে মত প্ৰকাশ কৰিছে। আনহাতে নতুনকৈ স্থান পোৱা জয়ন্ত মল্ল বৰুৱা আৰু নন্দিতা গাৰ্লোছা বিজেপিৰ টিকটত প্ৰথমবাৰলৈ বিধানসভালৈ প্ৰৱেশ কৰিছিল। জয়ন্ত মল্লই পূৰ্বে এবাৰ কংগ্ৰেছ দলৰ পৰা বিধায়ক হৈছিল আৰু পিছত বিজেপি দলত যোগদান কৰিছিল। কিন্তু প্ৰথম বাৰলৈ বিধানসভাত প্ৰৱেশ কৰা নন্দিতা গাৰ্লোছাই এবছৰৰ ব্যৱধানতে কেবিনেট মন্ত্ৰীত্ব লাভ কৰি অন্যতম সৌভাগ্যৱতী হিচাপে চৰ্চিত হোৱা দেখা গ'ল।

## মৰিয়নিত দ্বিতীয় দিনাও

মানৰ পাছত ৰূপজ্যোতি কুৰ্মীয়ে গেৰুৱা বসন পিন্ধে। ইয়াৰ লগে লগে আসন্ন হৈ পৰে মৰিয়নিত উপ-নিৰ্বাচন। উপ-নিৰ্বাচনত বিজেপি দলৰ পৰা পঞ্চমবাৰৰ বাবে বিজয়ী হয় কুৰ্মী। ইফালে ৰূপজ্যোতি কুৰ্মী কংগ্ৰেছৰ বিধায়ক হৈ থকাৰ সময়ত বিজেপিৰ এজন স্থানীয় নেতাই মৰিয়নিত বিধায়ক পুঁজিৰ ব্যাপক অনিয়ম হোৱাৰ অভিযোগ তুলি তদন্তৰ দাবী কৰিছিল। এইঅভিযোগৰ ভিত্তিত মুখ্যমন্ত্ৰী দুৰ্নীতি নিবাৰক শাখাই পূৰ্বতে উপায়ুক্ত কাৰ্যালয়ত আৰু মৰিয়নিত তদন্ত কৰি অভিযান চলাইছিল। আনকি সভাই-সমিতিয়ে বিধানসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই ৰূপজ্যোতি কুৰ্মী জে'ললৈ যাব লাগিব বুলিও মুকলিকৈ ঘোষণা কৰিছিল। কিন্তু বিজেপিলৈ গমন কৰা পিছত ঘটনাটো অলপ তল পৰিছিল যদিও পুনৰ বিজেপি বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ পূৰ্বৰ বিধায়ক পুঁজি ব্যৱহাৰ কৰাৰ অনিয়ম হোৱা বিষয়টো মুখ্যমন্ত্ৰী দুৰ্নীতি নিবাৰক শাখাই তদন্তৰ বিষয়টো বিশেষ তাৎপৰ্য বহন কৰিছে। জানিব পৰা মতে পূৰ্বৰ এনে অভিযোগৰ ভিত্তিতে কালি পুৱাৰে পৰা মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰক শাখাৰ এটি দলে মৰিয়নিৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানক বিতৰণ কৰা বিধায়ক পুঁজি সঠিক ব্যৱহাৰ সম্পৰ্কে তদন্তকাৰী দলটোৱে অভিযান চলায়। এই অভিযান আজি আৰু কাইলৈও চলিব বুলি জানিব পৰা গৈছে। বিধায়ক কুৰ্মী মন্ত্ৰীসভা সম্প্ৰসাৰণ তালিকাত অন্তৰ্ভুক্ত হোৱা বুলি বু বু বা বা চলিছিল যদিও সেয়া মূৰকত নহ'ল। আজি মন্ত্ৰীসভাৰ দুজন নতুন মন্ত্ৰীয়ে শপত লোৱাৰ সময়ত বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ পূৰ্বৰ বিধায়ক পুঁজিৰ ধনৰ ব্যৱহাৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী দুৰ্নীতি নিবাৰক শাখাৰ চলা এই অভিযানক একাংশই নাটক বুলিও আখ্যা দিছে যদিও এই বিষয়টোৱে তাৎপৰ্য বহন কৰিছে।

**মৰিয়নিত দুৰ্নীতি নিবাৰকৰ তদন্তক লৈ প্ৰতিক্ৰিয়া ৰূপজ্যোতি কুৰ্মীৰ— ২০১১ৰ পৰা কিয়, ২০০৬ৰ পৰা তদন্তৰ আহ্বান**

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাঁহচৰা, ৯ জুন ঃ** শেহতীয়াকৈ মৰিয়নিত মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰক শাখাই চলোৱা তদন্ত সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। বুধবাৰে দুৰ্নীতি নিবাৰক শাখাই মৰিয়নিত বিধায়ক পুঁজি ব্যৱহাৰৰ অনিয়মৰ অভিযোগ সন্দৰ্ভত চলাইছিল তদন্ত। উল্লেখ্য যে ২০১১ৰ পৰা ২০১৭ বৰ্ষলৈ বিধায়ক পুঁজিৰ ব্যৱহাৰত ব্যাপক অনিয়ম হোৱা বুলি ২০১৭ চনত এগৰাকী বিজেপি নেতাই মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰক শাখাত অভিযোগ উত্থাপন কৰিছিল। সেই অভিযোগৰ ভিত্তিত দুৰ্নীতি নিবাৰক শাখাই ২০২১ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে মৰিয়নি আৰু যোৰহাট উপায়ুক্ত কাৰ্যালয়ত অনুসন্ধান চলাইছিল। কিন্তু বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে চতুৰ্থবাৰৰ বাবে কংগ্ৰেছী বিধায়ককৰূপে ২০২১ চনৰ বিধানসভা নিৰ্বাচনত জয়ী হোৱাৰ কেইমাহমান পাছতে বিজেপিত যোগদান কৰে। ইয়াৰ পিছতে বিধায়কগৰাকীৰ বিৰুদ্ধে চলা মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰক শাখাৰ তদন্তও একপ্ৰকাৰ স্তব্ধ হৈ পৰে। কিন্তু বুধবাৰে দুৰ্নীতি নিবাৰক শাখাৰ এটা দলে মৰিয়নিত চলালে তদন্ত। এই সন্দৰ্ভত আজি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ৰূপজ্যোতি কুৰ্মীয়ে কয়— 'বিধায়ক পুঁজিৰ সন্দৰ্ভত তদন্ত ২০১১ৰ পৰায়েই কিয়? মই ২০০৬ চনৰ পৰা বিধায়ক হৈ আছো। ২০০৬ৰ পৰা তদন্ত কৰক। চাৰিজনীয়া কিয়, বিশজনীয়া তদন্ত কমিটী দিয়ক।' মই আৰু পাঁচবাৰ বিধায়ক হ'ম, মোক কোনেও ৰখাব নোৱাৰে বুলিও স্বভাৱসুলভ মন্তব্য কৰে ৰূপজ্যোতি কুৰ্মীয়ে।

## যোগে মন আৰু শৰীৰৰ

কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়— 'যোগে মন, শৰীৰ আৰু আত্মাৰ মাজত যোগসূত্ৰ স্থাপন কৰি মানৱ জীৱনৰ উৎকৰ্ষ সাধন কৰে আৰু শান্তিৰ সন্ধান দিয়ে। গীতাই যোগৰ সাৰাংশ সুন্দৰভাৱে বিশ্লেষণ কৰিছে, যি হৈছে আত্মাৰ শুদ্ধিকৰণৰ জৰিয়তে নিজকে উন্নত কৰাৰ এক শক্তিশালী যাত্ৰা। ভাৰতৰ এই প্ৰাচীন পৰম্পৰা বিধক বিশ্বজুৰি অধিক জনপ্ৰিয় কৰাৰ বাবে ২১ জুনৰ আন্তৰ্জাতিক যোগ দিৱসৰ কাৰ্যসূচীসমূহক সাফল্যমণ্ডিত কৰি তুলিবলৈ সকলোকে আহ্বান জনাইছে।'

## ১৮ জুলাইত ৰাষ্ট্ৰপতি নিৰ্বাচন

ভোটগ্ৰহণ ১৮ জুলাইত অনুষ্ঠিত হ'ব আৰু ২১ জুলাইত ভোটগণনা অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰপতি ৰামনাথ ক'বিন্দৰ কাৰ্যকাল ২৪ জুলাইত শেষ হ'ব আৰু পৰৱৰ্তী ৰাষ্ট্ৰপতি নিৰ্বাচনৰ কথা মনত ৰাখি এই দিন ঘোষণা কৰা হৈছে। ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে মনোনয়ন প্ৰক্ৰিয়া দিল্লীত অনুষ্ঠিত হ'ব। দিল্লীৰ বাহিৰে আন কোনো ঠাইত কোনো মনোনয়ন নাথাকিব। নিৰ্বাচন আয়োগৰ মতে, ১৬সংখ্যক ৰাষ্ট্ৰপতিৰ নিৰ্বাচন প্ৰক্ৰিয়া ২৪ জুলাইৰ ভিতৰত সম্পূৰ্ণ হ'ব। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে লগতে জনায় যে মনোনীত সদস্যসকল (লোকসভা, ৰাজ্যসভা আৰু ৰাজ্যিক বিধানসভা) ভোটদানৰ অংশ নহয়। আয়োগে ভোটদানৰ বাবে তেওঁলোকৰ পৰা এটা কলম দিব যিটো ভোটাধিকাৰ সাব্যস্ত কৰাৰ সময়ত দিয়া হ'ব। ভোটটো কেৱল এই কলমৰ দ্বাৰাহে দিব লাগিব। আন যিকোনো কলমেৰে কৰা ভোটদান অবৈধ বুলি ঘোষণা কৰা হ'ব। নিৰপেক্ষ নিৰ্বাচনৰ প্ৰশ্নত মুখ্য নিৰ্বাচন আয়ুক্তই কয় যে এইটো এটা সম্পূৰ্ণ গোপন ভোটাধিকাৰ হ'ব। কলমৰ ব্যৱস্থা থাকিব, ভিডিঅ'গ্ৰাফীৰো ব্যৱস্থা কৰা হ'ব। মুখ্য নিৰ্বাচন আয়ুক্তই লগতে কয় যে সংসদ আৰু বিধানসভাত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ভোট দিবলৈ ১, ২, ৩ লিখি নিজৰ পছন্দ জনাব লাগিব, যদি প্ৰথম পছন্দটো জনোৱা নহয় তেন্তে ভোটটো নাকচ কৰা হ'ব। নিৰ্বাচনৰ সময়ত ক'ভিড বিধি অনুসৰণ কৰা হ'ব। মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে লগতে জনায় যে আপুনি মনোনয়ন-পত্ৰ দাখিলৰ বাবে দিল্লীলৈ আহিব লাগিব। ৰাজ্যসভাৰ প্ৰধান সচিব নিৰ্বাচনৰ দায়িত্বত থাকিব। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে জানিবলৈ দিয়া মতে, ২০২২ চনৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত মুঠ ৪,৮০৯জন ভোটাৰে ভোটদান কৰিব। আনহাতে, কোনো ৰাজনৈতিক দলে ইয়াৰ সদস্যসকলক হুইপ জাৰি কৰিব নোৱাৰিব বুলি মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে মন্তব্য কৰে।

## কিতাপ-পত্ৰ জুইত ভস্মীভূত

আনকি কিতাপ এখনো বচাব নোৱাৰিলে জুইৰ পৰা। তদুপৰি প্ৰয়োজনীয় কাগজ-পত্ৰ, ভোটাৰ আই ডি, এন আৰ চিকে প্ৰমুখ্য কৰি সকলো গুৰুত্বপূৰ্ণ নথি-পত্ৰও জুইত ভস্মীভূত হয় । জুয়ে আৱৰি ধৰা ঘৰটোৰ ভিতৰৰ পৰা পৰিয়ালৰ লোকসকলে সত্তৰ বছৰীয়া আলৰ বুঢ়ী মাককো কোনোমতে উদ্ধাৰ কৰে যদিও বুঢ়ীমাক হৈমন্তি চৌহান আৰু অজয় চৌহানৰ পুত্ৰ বিজয় চৌহান কিছু পৰিমাণে অগ্নিদগ্ধ হয়। নিশা থাকিবলৈ চালি এখনো জুইৰ পৰা ৰক্ষা নপৰা পৰিয়ালটোক আজি ভূৰাগাঁও ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা চাৰিখন তিৰ্পাল দিয়াৰ লগতে প্ৰতিৱেশী লোকসকলে খাদ্য-সামগ্ৰী, কাপোৰ আদি যোগান ধৰিছে যদিও পৰিয়ালটোৱে সম্প্ৰতি সকলো হেৰুৱাই চকুৰে অন্ধকাৰ দেখিছে। ইফালে লক্ষাধিক টকাৰ ক্ষয়-ক্ষতি হোৱা পৰিয়ালটোক চৰকাৰৰ ফালৰ পৰা সহায়ৰ হাত আগবঢ়াবলৈও অঞ্চলটোৰ ৰাইজে আহ্বান জনাইছে। অৱশ্যে মাজনিশা এই ভয়াৱহ অগ্নিকাণ্ডটো কেনেকৈ সংঘটিত হ'ল, এই সন্দৰ্ভত বাতৰি লিখাৰ সময়লৈকেও কোনো ধৰণৰ তথ্য পোহৰলৈ অহা নাই।

## দুই ফৈদৰ সংঘাতত মহিলাসহ

মহকুমাৰ মহকুমা আৰক্ষী বিষয়া নিতুমণি দাস, সৃজনগ্ৰামৰ চক্ৰ বিষয়া পল্লৱজ্যোতি নাথে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে আহতসকলক আৰক্ষীয়ে স্থানীয় লোকৰ সহযোগত চিকিৎসালয়লৈ প্ৰেৰণ কৰে। জানিব পৰা মতে, চৰকাৰে ত্ৰিশ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া আদৰ্শ আৱাসিক বিদ্যালয়ৰ ভূমি আবণ্টনক লৈয়ে স্থানীয় দুটা পক্ষৰ মাজত সৃষ্টি হয় সংঘৰ্ষৰ। প্ৰাপ্ত তথ্য অনুসৰি বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ অধীনস্থ সৃজনগ্ৰাম ৰাজহ চক্ৰই পাচনীয়া-খোৰাগাঁও পঞ্চায়তৰ মালেগড় পাহাৰৰ পাদদেশৰ ৪২নং দাগৰ ৪৫৬ বিঘা চৰকাৰী ভূমিৰ ৪২ বিঘা ভূমিত আদৰ্শ আৱাসিক বিদ্যালয় নিৰ্মাণৰ বাবে চৰকাৰে সিদ্ধান্ত লয়। সেই মতে কেন্দ্ৰীয় চৰকাৰে ২০১৮ চনতে এম এছ ডি পি আঁচনিৰ অধীনত ৩০ কোটি টকা মঞ্জুৰি দিয়ে। উল্লেখ্য যে জিলাখনৰ অনুসূচিত জাতিৰ বাবে সংৰক্ষিত দক্ষিণ অভয়াপুৰী বিধানসভা সমষ্টিত আৰ্থিক দৈন্যৰ বাবে বিদ্যালয়লৈ নোযোৱা তথা বিদ্যালয় আধাতে সামৰা ল'ৰা-ছোৱালীৰ সংখ্যা অধিক হোৱাত তেনে ল'ৰা-ছোৱালীৰ শৈক্ষিক, বৌদ্ধিক উত্তৰণৰ বাবে ৰাজ্য চৰকাৰে আৱাসিক আদৰ্শ বিদ্যালয়খন খোৰাগাঁৱত স্থাপনৰ বাবে সিদ্ধান্ত লৈছিল। কিন্তু বিগত প্ৰায় ৪ বছৰ ধৰি বিষয়াৰ মেৰপেঁচৰ বাবে নিৰ্মাণকাৰ্য স্থবিৰ হৈ থকাৰ পিছত শেহতীয়াকৈ বিভাগীয় বাধা আঁতৰে যদিও একাংশ ভূমি বেদখলকাৰী আৰু দালালৰ দপ্দপনিৰ বাবে বিদ্যালয়খনৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিব পৰা হোৱা নাছিল। বিদ্যালয় নিৰ্মাণ কৰিবলগীয়া ভূমিতে ১৫টা মান পৰিয়ালে বেদখল কৰি থকাত সৃজনগ্ৰামৰ ৰাজহ চক্ৰ বিষয়াই বেদখল এৰি দিবলৈ পৰিয়ালকেইটাক আহ্বান জনাইছিল যদিও বেদখলকাৰীয়ে ভূমি এৰি দিবলৈ মান্তি হোৱা নাছিল। জনা মতে, পিছলৈ উক্ত স্থানত বসবাস কৰা ভূমিহীন কেইবাটাও পৰিয়ালক চৰকাৰে নিকটৱৰ্তী এলেকাত ভূমি দি বসবাস কৰিব দিয়ে। অৱশ্যে পৰৱৰ্তী সময়ত জিলা প্ৰশাসনে বেদখলকাৰীৰ তীব্ৰ বাধা সত্ত্বেও বেদখলকাৰীক উচ্ছেদ কৰে। শেহতীয়াভাৱে আঁচনিৰ দায়িত্ব লাভ কৰা ঠিকাদাৰে বিদ্যালয়খন নিৰ্মাণৰ কাম আৰম্ভ কৰে। আৱাসিক বিদ্যালয়খন নিৰ্মাণৰ বাবে একাংশ শ্ৰমিকে কাম কৰি থকাৰ সময়তে ভূমিৰ বেদখলকাৰী একাংশ পুৰুষ-মহিলাই উক্ত স্থানত উপস্থিত হৈ শ্ৰমিকসকলক বাধা প্ৰদান কৰা দেখি স্থানীয় একাংশ সচেতন লোক তাত উপস্থিত হৈ বেদখলকাৰীক বুজনি দিয়াৰ চেষ্টা চলায়। পিছত দুয়োপক্ষৰ মাজত বাক্ যুদ্ধ আৰু পিছলৈ সংঘৰ্ষৰ সৃষ্টি হয়। ইপিনে উক্ত স্থানত পূৰ্বৰ পৰা উপস্থিত থকা আৰক্ষীৰ লোককো বেদখলকাৰীৰ দলটোৱে আক্ৰমণ কৰিবলৈ উদ্যত হয়। জানিব পৰা মতে দুয়োপক্ষৰ মাজত চলা এই সংঘৰ্ষত দুগৰাকী মহিলা আৰু এজন যুৱক গুৰুতৰভাৱে আহত হয়।

## ২৯ দেশৰ ১,০০০ৰো অধিক

মহিলাকে ধৰি দুৰ্বল প্ৰতিৰোধ ক্ষমতাৰ লোকসকলৰ সংক্ৰমণৰ বিপদাশংকা বেছি'। বিমান যাত্ৰীসকলৰ স্বাস্থ্য পৰীক্ষা কৰোৱাৰ বিষয়তো বিশ্ব স্বাস্থ্য সংস্থাই বিশেষ গুৰুত্ব দিছে। বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালকপ্ৰধান টেড্ৰোছ অধানম ঘেব্ৰেয়েচাছে এক সংবাদ মেলত কয় যে ২৯খন দেশত এহাজাৰৰো অধিক লোক মাংকি পক্সত আক্ৰান্ত হৈছে যদিও কোনো দেশৰ পৰা এতিয়ালৈকে মৃত্যুৰ খবৰ পোৱা হোৱা নাই। মাংকি পক্স হৈছে এক ভাইৰাছ, যি কেতবোৰ বিশেষ প্ৰাণী যেনে নিগনি আদিৰ দ্বাৰা বিয়পিব পাৰে। বেছি ভাগ মাংকি পক্সত আক্ৰান্ত হোৱাৰ ঘটনা মধ্য আৰু পশ্চিম আফ্ৰিকাত হৈছে। ১৯৫৮ চনত বিজ্ঞানীসকলে প্ৰথমবাৰৰ বাবে এই ৰোগটো চিনাক্ত কৰিছিল। সেই সময়ত বান্দৰৰ ক্ষেত্ৰত 'পক্স সদৃশ' ৰোগ ধৰা পৰিছিল। বান্দৰৰ দেহত প্ৰথমে পোৱাৰ বাবেই ৰোগ বিধৰ নাম মাংকি পক্স হৈ পৰে। মাংকি পক্সৰ প্ৰথম জ্ঞাত মানৱ সংক্ৰমণ ১৯৭০ চনত ধৰা পৰিছিল। সেই সময়ত কংগোৰ এটি ৯বছৰীয়া শিশুৰ দেহত এই ৰোগ ধৰা পৰিছিল। মাংকি পক্সত আক্ৰান্ত ৰোগীয়ে জ্বৰ, শৰীৰৰ বিষ, ঠাণ্ডা লগা আৰু ভাগৰ অনুভৱ কৰা আদি লক্ষণত ভোগে। ৰোগ অধিক গুৰুতৰ হ'লে আক্ৰান্ত লোকৰ মুখ আৰু হাতত চোকোৱা বান্ধে আৰু ঘা হ'ব পাৰে। সেই ঘা শৰীৰৰ আন অংশলৈ বিয়পি পৰিব পাৰে। কিন্তু প্ৰধানকৈ যৌন কাৰ্যৰ জৰিয়তে বিয়পি পৰা এই ৰোগ বিধ কিমান ভয়ানক হ'ব পাৰে? ইয়াৰ ফলত কাৰোবাৰ মৃত্যু হ'ব পাৰে নেকি? মাংকি পক্সৰ সংক্ৰমণৰ ইতিমধ্যে ইউৰোপৰ ইংলেণ্ড, জাৰ্মানী, ফ্ৰান্স, বেলজিয়াম, ছুইডেন, ইটালীলৈ বিয়পি পৰিছে। এই ৰোগটো আমেৰিকা যুক্তৰাজ্য, কানাডা আৰু অষ্ট্ৰেলিয়াতো পোৱা গৈছে। ভাৰতৰ কেন্দ্ৰীয় চৰকাৰে মাংকি পক্সৰ বিষয়ে দেশবাসীক সতৰ্ক কৰি দিছে। বিদেশৰ পৰা অহা বহু লোকক ভাৰত পোৱাৰ পিছতে স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰা হৈছে। অনাগত দিনত এই ৰোগৰ সংক্ৰমণ আৰু বৃদ্ধি পাব পাৰে বুলি বিশ্ব স্বাস্থ্য সংস্থাই সতৰ্কবাণী শুনাইছে। মাংকি পক্স হৈছে এক বিৰল ৰোগ। এই ৰোগ বিধ এটা সময়ত আফ্ৰিকাৰ কিছুমান দেশত চিনাক্ত কৰা হৈছিল। সেই সময়ত ভুক্তভোগীসকলৰ বেছি ভাগেই ৫ বছৰৰ তলৰ শিশু আছিল। কিন্তু এইবাৰ প্ৰথমবাৰৰ বাবে এই ৰোগ প্ৰাপ্তবয়স্ক লোকসকলৰ মাজতো বিয়পি পৰিছে। যিমান দূৰ জনা যায় এই ৰোগৰ তীব্ৰতা স্মল পক্সতকৈ কম। কিন্তু চিকেন পক্সকৈ অধিক। জ্বৰ, হাত আৰু ভৰিৰ বিষ, গোটেই শৰীৰত জোলা বন্ধা আদি লক্ষণসমূহে দেখা দিয়ে। এই লক্ষণবোৰ ২ সপ্তাহৰ পৰা ৪ সপ্তাহলৈকে থাকে। তাৰ পিছত, ৰোগটো নিজেই প্ৰশমিত হয়। মাংকি পক্সৰ এতিয়ালৈকে কোনো ঔষধ বা ভেকছিন ওলোৱা নাই। অৱশ্যে, যিসকলে পক্স ভেকছিন গ্ৰহণ কৰিছে, তেওঁলোকৰ বাবে এই ৰোগৰ তীব্ৰতা কম হয় বুলি ধাৰণা কৰা হৈছে। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে, কিছুমান লোকৰ ক্ষেত্ৰত ৰোগ বিয়পাৰ হাৰ তুলনামূলকভাৱে অধিক। এইটোও সন্দেহ কৰা হয় যে ৰোগটো যৌন কাৰ্যৰ দ্বাৰা বিয়পে, বিশেষকৈ সমকামী পুৰুষৰ মাজত মাংকি পক্সৰ সংক্ৰমণৰ আশংকা বেছি। বিপৰীত লিংগৰ যৌন মিলনৰ দ্বাৰাও এই ৰোগ বিয়পিব পাৰে, যদিহে কোনোৱা এগৰাকীৰ দেহত এই ভাইৰাছ থাকে।

## উত্তেজিত ৰাইজে জ্বলালে

লোকজন মৰাপাট খেতিত কাম কৰিবলৈ যোৱাত কুৰবান আলীৰ ফৈদে অতৰ্কিতভাৱে লোৰ ৰডেৰে প্ৰচণ্ডভাৱে আক্ৰমণ কৰে। এই ঘটনাত পৰিয়াল লোকে আগুৱাই যোৱাত কেইবাজনো লোকক দলটোৱে প্ৰচণ্ডভাৱে আক্ৰমণ কৰে। দুটা ফৈদৰ আক্ৰমণ-প্ৰত্যাক্ৰমণত ১২-১৫ জন লোক গুৰুতৰভাৱে আহত হয়। আহত লোকসকলক স্থানীয় ৰাইজে ততাতৈয়াকৈ সোণতলী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায়। দুটা ফৈদৰ গুৰুতৰভাৱে আহত ৰাবুল আলী, নুৰুল হক, ৰহিমা বেগম, নুৰ মহম্মদ, পাৰবিন বেগম, নুৰ জামাল হক, বানেছা খাতুন, তাহেজ আলী, ফজৰ আলী, সমেজ উদ্দিনক উন্নত চিকিৎসাৰ বাবে চিকিৎসকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। উল্লেখ্য যে আজিৰ ভূমিকেন্দ্ৰিক সংঘৰ্ষত আলী আকবৰ (৫০) নামৰ লোকজনৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। আনহাতে, ভূমি বিবাদত এজন লোক নিহত হোৱাৰ পিছমুহূৰ্তত সোণতলীৰ কিছমত কাঠমীৰ ৰাইজ উত্তেজিত হৈ পৰে। উত্তেজিত ৰাইজে কুৰপান আলী, হেলাছ আলী, ফটিক আলী, ফজৰ আলী আৰু তাহেজ আলীৰ ঘৰ-দুৱাৰ জ্বলাই দিয়াত পৰিৱেশ উত্তপ্ত হৈ পৰে। পিছত বকো আৰু সোণতলী আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ইপিনে মাৰপিটৰ ঘটনাৰ সৈতে জড়িত থকা ফজৰ আলী, সমেজ আলী, তাহেজ উদ্দিনক সোণতলী আৰক্ষীয়ে ইতিমধ্যে আটক কৰে। ইয়াৰে ধৃত ফজৰ আলী, সমেজ আলী, তাহেজ উদ্দিনক চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। ধৃত কামাল উদ্দিন আৰু হবিবুৰ ৰহমান সম্প্ৰতি বকো আৰক্ষীৰ জিম্মাত থকা বুলি জানিব পৰা গৈছে।

## ১০০ বছৰৰ পিছত

জনা গৈছিল। বটানিকেল ছাৰ্ভে অৱ ইণ্ডিয়াৰ গৱেষকসকলে অৰুণাচল প্ৰদেশৰ আজৱান জিলাত এই বিৰল প্ৰজাতিৰ গছ বিচাৰি পাইছে। ১৯১২ চনত ব্ৰিটিছ উদ্ভিদ বিজ্ঞানী ষ্টিফেন ট্ৰটে ডুন্নেই প্ৰথমে এই বিৰল গছবিধ চিনাক্ত কৰিছিল। 'লিপষ্টিক ট্ৰী'ৰ ৰঙা ৰঙৰ ফুলবোৰৰ বাবেই গছজোপাৰ এনে নাম দিয়া হৈছিল। কাৰণ সেই গছৰ ফুলবোৰ দেখাত লিপষ্টিকৰ দৰে। অৱশ্যে, এই উদ্ভিদৰ বৈজ্ঞানিক নাম হৈছে এচিনান্থাছ মুদ্ৰাকাৰিয়া ডান। বিজ্ঞান আলোচনী এখনত এদল গৱেষকে প্ৰকাশ কৰা মতে ১৯১২ চনৰ পৰা ভাৰতত 'লিপষ্টিক ট্ৰী' দেখা যোৱা নাছিল। এচিনান্থাছ শব্দটো গ্ৰীক শব্দ আইচাইন বা আইচিনৰ পৰা আহিছে। যাৰ অৰ্থ হৈছে লাজ। এন্থৰ অৰ্থ হৈছে ফুল। অক্টোবৰ মাহৰ পৰা এই গছত ফুল ফুলে। বিশেষজ্ঞসকলৰ মতে, এই প্ৰজাতিৰ গছবোৰ সাধাৰণতে চিৰসেউজ অৰণ্যৰ মাজত গজে। আৰ্দ্ৰ্য পৰিৱেশ এই গছৰ বাবে অনুকূল। 'লিপষ্টিক ট্ৰী'-এ নিজকে সকলো পৰিৱেশৰ সৈতে খাপ খুৱাই ল'ব নোৱাৰে। অৰুণাচলৰ আজৱান জিলাত মাজে মাজে ভূমিস্খলন হয়। তদুপৰি পাহাৰ ভাঙি ৰাস্তা, কংক্ৰিটৰ ঘৰ, বজাৰ আদি নিৰ্মাণ কৰাৰ ফলত 'লিপষ্টিক ট্ৰী'ৰ বাবে পৰিৱেশ নোহোৱা হৈ পৰিছে। এনেবোৰ কাৰকে 'লিপষ্টিক ট্ৰী' গছজোপা লাহে লাহে হেৰাই গৈছিল। 'লিপষ্টিক ট্ৰী' পুনৰ দেখিবলৈ পোৱাত আনন্দিত হৈ পৰিছে পৰিৱেশ বিজ্ঞানীৰ লগতে প্ৰকৃতিপ্ৰেমীসকল।

## ৭ আগষ্টত চতুৰ্থ বৰ্গ-২১

গঠিত ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি পৰিষদৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই পৰীক্ষাৰ বাবে তৃতীয় বৰ্গৰ বাবে মুঠ ৬,৭১,৮০৫ গৰাকী আৰু চতুৰ্থ শ্ৰেণীৰ পদৰ বাবে ৪,৪৩,৬৫৫ গৰাকী প্ৰাৰ্থীয়ে আবেদন কৰিছে। আনহাতে, তৃতীয় বৰ্গৰ অধীনত চালক পদৰ বাবে ৭৭,০৪৯ গৰাকী প্ৰাৰ্থীয়ে আবেদন কৰিছে আৰু এই পদসমূহৰ বাবে সুকীয়াকৈ পৰীক্ষাৰ দিন ধাৰ্য কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিষয়াসকলক সমগ্ৰ নিয়োগ প্ৰক্ৰিয়াটোত স্বচ্ছতা সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। এই পৰীক্ষা নিখুঁতভাৱে সম্পাদন কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে কেইবাটাও পৰামৰ্শ আগবঢ়ায়।

## Exit exam. কিয়?

তথা ইয়াৰ সত্যতা জানিব বিচাৰি যোগাযোগ কৰিছিলো অসম ফাৰ্মাচী পৰিষদৰ কেইবাজনো সদস্যৰ লগত। তেওঁলোকে ইয়াৰ সত্যতা স্বীকাৰো কৰিছিল। তেওঁলোকেও জানে যে ৪০/৫০ বছৰ বয়সত কোনেও স্কুল-কলেজত নাযায়, কেৰোণটো ইয়াৰ ক'ত সোমাই আছে তেওঁলোকো সম্পূৰ্ণ জ্ঞাত, সকলো জানি-শুনিও তেওঁলোক আজি নিৰুপায়। নথি-পত্ৰসমূহ যিহেতু আইন মতে সম্পূৰ্ণ শুদ্ধ গতিকে ফাৰ্মাচী পৰিষদে তেওঁলোকক পঞ্জীয়ন দিবলৈ বাধ্য। তাৰ মানে ইমান দিনে ঘুনুক-ঘানাককৈ শুনি অহা ভুৱা শিক্ষানুষ্ঠানৰ কথাটো সত্য, য'ত নেকি কোনো ধৰণৰ শিক্ষা নিদিয়াকৈয়ে একমাত্ৰ ধনৰ বিনিময়ত ফাৰ্মাচী শিক্ষাৰ সকলো প্ৰমাণ-পত্ৰ দিয়া হয়। এটাই ভাল লগা কথা যে সেই তালিকাখনত অসমৰ কোনো ফাৰ্মাচী শিক্ষানুষ্ঠানৰ নথি-পত্ৰ নাই। আটাইবোৰেই অসমৰ বাহিৰৰ শিক্ষানুষ্ঠানৰ। আনকি আমাৰ চুবুৰীয়া ৰাজ্য দুই-এখনৰো আছে। ঘুনুক-ঘানাককৈ শুনি অহা এই ধৰণৰ ভুৱা শিক্ষানুষ্ঠানৰ কথা ভাৰতীয় ফাৰ্মাচী পৰিষদৰ সভাপতিয়ে ৪ জুনত গিৰিজানন্দ ফাৰ্মাচী শিক্ষানুষ্ঠানৰ এক কৰ্মশালাত নিজ মুখে স্বীকাৰ কৰে যদিও পাকে-প্ৰকাৰে তেওঁ শিক্ষকসকলকহে জগৰীয়া কৰিব বিচাৰিলে যিটো মই ভাবো দুৰ্ভাগ্যজনক। কিয়নো ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানবোৰৰ শিক্ষকসকল সম্পূৰ্ণৰূপে মালিকৰ অধীনত থাকিবলগীয়া হয়। গতিকে ভুৱা শিক্ষানুষ্ঠানৰ বাবে যদি কোনোবা জগৰীয়া সেয়া ভাৰতীয় ফাৰ্মাচী পৰিষদ। পৰিদৰ্শকৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰিয়ে সেই শিক্ষানুষ্ঠানসমূহক অনুমতি প্ৰদান কৰা হৈছিল বুলি ভাৰতীয় ফাৰ্মাচী পৰিষদে এক দায় সৰা মন্তব্য দিব বিচাৰিলেও কিন্তু সাৰি যাব নোৱাৰিব, যিহেতু সেই পৰিদৰ্শকসকলকো ভাৰতীয় ফাৰ্মাচী পৰিষদেই নিযুক্তি দিয়ে। তেতিয়াহ'লে অকল পৰিদৰ্শকৰ প্ৰতিবেদনৰ ওপৰত নিৰ্ভৰ কৰি নতুন ফাৰ্মাচী শিক্ষানুষ্ঠানৰ অনুমতি নিদি এইক্ষেত্ৰত ৰাজ্যিক ফাৰ্মাচী পৰিষদসমূহকো জড়িত কৰক। মুঠৰ ওপৰত ভুৱা ফাৰ্মাচী শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত সকলো ফালৰ পৰাই ভাৰতীয় ফাৰ্মাচী পৰিষদ জগৰীয়া। হয়তো ৪০/৫০ বছৰীয়া এজনেও ফাৰ্মাচী শিক্ষাত নামভৰ্তিৰ সুযোগ পাইছে একমাত্ৰ ফাৰ্মাচী শিক্ষা নীতিত ফাৰ্মাচী শিক্ষাত নামভৰ্তিৰ বয়সৰ কোনো সীমা নিৰ্ধাৰণ কৰি দিয়া নোহোৱাৰ বাবে। আৰু ইয়াৰেই সুযোগ লৈছে এচাম ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানে। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ফাৰ্মাচিষ্ট সংগঠনসমূহৰ পৰা ইয়াৰ প্ৰতিবাদ হ'ব ধৰাত ভাৰতীয় ফাৰ্মাচী পৰিষদে কণা হাঁহক পতান দিয়াৰ দৰে ফাৰ্মাচিষ্টৰ নতুন পঞ্জীয়নৰ বাবে Exit Examৰ ঘোষণা কৰে। অৰ্থাৎ এতিয়াৰ পৰা শিক্ষানুষ্ঠানসমূহৰ পৰা অকল ডিপ্ল'মা উত্তীৰ্ণ হ'লেই নহ'ব ফাৰ্মাচিষ্ট হিচাপে পঞ্জীয়ন কৰিবলৈ ফাৰ্মাচী পৰিষদে অনুষ্ঠিত কৰিবলগীয়া পৰীক্ষাতো উত্তীৰ্ণ হ'ব লাগিব তেতিয়াহে তেওঁলোকে পঞ্জীয়নৰ সুবিধা পাব। এই পদ্ধতিৰে হৈ থকা দুৰ্নীতি বন্ধ কৰাৰ ক্ষেত্ৰত কিমানদুৰ সফল হ'ব তাত আমাৰ সন্দেহ আছে। বৰঞ্চ এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলকহে যেন বলিৰ পঠা সজোৱা হ'ল। ভুৱা শিক্ষানুষ্ঠানৰ স্বাৰ্থ কিন্তু সুৰক্ষিত হৈয়ে ৰ'ল, যিহেতু শিক্ষানুষ্ঠানসমূহৰ exit exam.ৰ সৈতে কোনো সম্পৰ্ক নাই। তেওঁলোকৰ উদ্দেশ্য যিহেতু টকা ঘটা, টকাৰ বিনিময়তেই হওক বা এনেয়ে হওক উত্তীৰ্ণ হোৱা প্ৰমাণ-পত্ৰ দিয়াৰ পিছত তেওঁলোকে আৰু ইয়াক লৈ মূৰ নঘমায়, কাৰণ পাবলগীয়া ধন ইতিমধ্যেই তেওঁলোকে আদায় পাইছে। মাজৰ পৰা কিছু সমস্যাৰ সন্মুখীন হ'ব লাগিব প্ৰকৃত শিক্ষানুষ্ঠান তথা শিক্ষাৰ্থীসকল। এক বৃহৎ পৰিমাণৰ ধন ব্যয় কৰি দুই-তিনি বছৰে পঢ়া-শুনা কৰি যিকোনো কাৰণতেই হওক এজন শিক্ষাৰ্থী exit exam.ত বহিব নোৱাৰিবও পাৰে বা এবাৰ-দুবাৰ কৃতকাৰ্য নহ'বও পাৰে। তেতিয়া সেই ছাত্ৰজনৰ লগত সেই পৰিয়ালটোও এক মানসিক অশান্তিত নুভুগিবনে? তদুপৰি exit exam পতাটোও ৰাজ্যিক ফাৰ্মাচী পৰিষদসমূহৰ বাবে এক প্ৰত্যাহ্বানৰূপে দেখা দিব পাৰে আৰু ইয়াতো অনিয়ম হ'ব পাৰে বা অনিয়ম হোৱাৰ অৱকাশ থাকি যাব। যিহেতু বিভিন্ন সময়ত এনেকুৱা পৰীক্ষাবোৰত অনিয়ম হোৱা আমি দেখিছো। প্ৰথম অৱস্থাত কোনো ধৰণৰ হকা-বাধা নকৰি শেষমুহূৰ্তত এইদৰে কেঁকোৱা চেপা দিয়াটোও মোৰ বোধেৰে খুব এটা যুক্তিসংগত নহয়। গতিকে প্ৰথমৰ পৰাই কঠোৰ হ'লে সকলোৰে বাবে মংগলজনক হ'ব। নামভৰ্তিৰ সময়তেই কঠোৰ পদক্ষেপ লোৱা যাওক যাতে যিয়ে সিয়ে সোমাবই নোৱাৰে। তেতিয়াহ'লে হয়তো এই সমস্যাৰ কিছু সমাধান হ'ব। লগতে ফাৰ্মাচিষ্টৰ মানো অটুট থাকিব। গতিকে exit exam.ৰ পৰিৱৰ্তে entranceৰ ব্যৱস্থা কৰা হওক। ইয়াত আৰু এটা সুবিধা হ'ল—entranceৰ ব্যৱস্থা নিজাববীয়াকৈ নকৰিলেও হ'ব। প্ৰতি বছৰে লাখ লাখ ছাত্ৰ-ছাত্ৰী সৰ্বভাৰতীয় পৰ্যায়ৰ neet পৰীক্ষাত অৱতীৰ্ণ হয়। ইয়াৰে এক চতুৰ্থাংশ ছাত্ৰ-ছাত্ৰীহে এম বি এছত নামভৰ্তিৰ সুবিধা পায় বাকী বৃহৎসংখ্যক ছাত্ৰ-ছাত্ৰী আন আন বিভাগলৈ যায়। গতিকে ফাৰ্মাচী শিক্ষাত নামভৰ্তিৰ বাবে যদি neet পৰীক্ষাত মাত্ৰ উত্তীৰ্ণ হোৱা বা অৱতীৰ্ণ হোৱাটোও যদি বাধ্যতামূলক কৰে আমাৰ বোধেৰে হৈ থকা দুৰ্নীতি বহু পৰিমাণে কমি যাব, কিয়নো তেতিয়া অন্ততঃ ৪০-৫০ বছৰ বয়সৰ কোনেও নামভৰ্তিৰ সুবিধা নাপাব। তদুপৰি ফাৰ্মাচী শিক্ষাত নামভৰ্তিৰ বয়সৰো এক উচ্চ সীমা নিৰ্ধাৰণ কৰা হওক। তেতিয়াও সমস্যাৰ কিছু সমাধান হ'ব বুলি আমি ভাবো। গোটেই বিষয়টো অসম ফাৰ্মাচী পৰিষদৰ আটাইকেইজন সদস্যৰ দৃষ্টিগোচৰ কৰিলো। মই ভবাৰ দৰেই যদি তেওঁলোকো একমত বিষয়টো ভাৰতীয় ফাৰ্মাচী পৰিষদৰ ওচৰত দাঙি ধৰিবলৈ অনুৰোধ জনালোঁ।

## প্ৰবল বৰষুণৰ বাবে শুৱালকুছি গণেশ দাস হাইস্কুলৰ পৰীক্ষা বাতিল

### বালক মজলীয়া বিদ্যালয়তো কৃত্ৰিম বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ৯ জুন ঃ** আজি পুৱা হোৱা মুষলধাৰ বৰষুণৰ বাবে শুৱালকুছি গণেশ দাস হাইস্কুলৰ গোট পৰীক্ষা বাতিল কৰা হয়। প্ৰায় দুঘণ্টাজোৰা প্ৰবল বৰষুণত স্কুলখনৰ শ্ৰেণী কোঠাসমূহত একাঁঠু পৰ্যন্ত পানী উপচি পৰে। অকল শ্ৰেণী কোঠাতে নহয় সমগ্ৰ স্কুল চৌহদত পানী উপচি পৰে। ফলত স্কুলৰ প্ৰথম শিক্ষা বৰ্ষৰ প্ৰথম গোট পৰীক্ষাৰ প্ৰথম দিনৰ পৰীক্ষা বাতিল কৰিব লগা হয়। উল্লেখ্য যে স্কুলত জমা হোৱা পানী বাহিৰ ওলাই যোৱাৰ কোনো নলা-নৰ্দমা নথকাৰ বাবে স্কুলৰ ভিতৰৰ পানী ওলাই যাবলৈ কেইবা ঘণ্টাৰো প্ৰয়োজন হ'ব। এই লৈ লক্ষ্য ৰাখি বৰষুণৰ পৰিমাণ যদি বৃদ্ধি হয় তেনেহ'লে কাইলৈও পৰীক্ষা বাতিল হোৱাৰ সম্ভাৱনা প্ৰকট। ইফালে মুখ্যমন্ত্ৰীৰ সমষ্টিৰ উচ্চ শিক্ষাৰ অনুষ্ঠান এখনৰ এনে পয়া লগা অৱস্থাত দুখ প্ৰকাশ কৰে সচেতন মহলে। আনহাতে, চৰকাৰৰ নতুন শিক্ষা নীতি যদি অতি শীঘ্ৰে বলৱৎ কৰা হয় তেনেহ'লে দুৰ্বল আন্তঃ গাঁথনিৰ এই স্কুলখনে উচ্চতৰ মাধ্যমিকৰ ছাত্ৰ-ছাত্ৰীক কিদৰে পাঠদান কৰিব এয়া চিন্তাৰ বিষয়। আনহাতে, গাঁওখনৰে অতি প্ৰাচীন শুৱালকুছি বালক মজলীয়া বিদ্যালয়ৰো একে অৱস্থা । আজিৰ মুখলধাৰ বৰষুণৰ ফলত চোতাল আৰু চৌহদ কৃত্ৰিম বানত বুৰ যায়। এনেকি অষ্টম শ্ৰেণীৰ কোঠাৰ উপৰি পাকঘৰকে ধৰি আন কোঠাতো প্ৰায় একাঁঠু পানী হয় । শীঘ্ৰে স্কুল দুখনৰ আন্তঃগাঁথনি মজবুত কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শুভাকাংক্ষী তথা স্থানীয় ৰাইজে।

## মানস ৰাইনো যাত্ৰীবাহী ৰে'লত অতিৰিক্ত দবা সংযোজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৯ জুন ঃ** উত্তৰ-পূব সীমান্ত ৰে'লৱেই অধিক ডবা সংযোজনেৰে নিউ বঙাইগাঁও আৰু গুৱাহাটীৰ মাজত চলি থকা এখন কম দূৰত্বৰ যাত্ৰীবাহী ৰে'লৰ ক্ষমতা বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে। ৰে'ল নং ০৫৮০১/০৫৮০২ত অস্থায়ী ভিত্তিত দুটা সাধাৰণ দ্বিতীয় শ্ৰেণীৰ ডবা দুমাহৰ বাবে ১০ জুনৰ পৰা সংলগ্ন কৰা হ'ব। ই যাত্ৰীসকলৰ বাবে, বিশেষকৈ কাৰ্যালয়লৈ যোৱা লোকসকলৰ বাবে লাভদায়ক হ'ব। শুকুৰবাৰৰ পৰা ৰে'ল নং ০৫৮০১/০৫৮০২ নিউ বঙাইগাঁও-গুৱাহাটী-নিউ বঙাইগাঁও যাত্ৰীবাহী ৰে'লখন বৰ্তমানৰ চাৰিটা সাধাৰণ দ্বিতীয় শ্ৰেণীৰ ডবাৰ পৰিৱৰ্তে ছটা সাধাৰণ দ্বিতীয় শ্ৰেণীৰ ডবাৰ সৈতে চলিব। ৰে'লখনত এতিয়া এইনতুন বৰ্ধিতকৰণৰ সৈতে ২৪টা ডবা থাকিব য'ত ১৬টা দ্বিতীয় শ্ৰেণীৰ বহাৰ সুবিধাযুক্ত ডবা থাকিব আৰু ছটা সাধাৰণ দ্বিতীয় শ্ৰেণীৰ ডবা আৰু দুটা লাগেজ কাম ব্ৰেক ভেন থাকিব। ডবা বৃদ্ধিয়ে গুৱাহাটীলৈ অহা-যোৱা কৰা যাত্ৰীসকলৰ অতিৰিক্ত ভিৰ কম কৰাত সহায় কৰিব আৰু যাত্ৰীসকলে এতিয়া অতি আৰামদায়ক যাত্ৰা কৰিব পাৰিব।

## নুমলীগড় শোধনাগাৰৰ অসম

প্ৰতিবাদ। শোধনাগাৰটোৰ বায়' ৰিফাইনেৰী বিভাগত কৰ্মৰত শ্ৰমিকসকলক পি এফ, ই এছ আই চি, অভাৰ টাইম আদিকে কৰি বিভিন্ন সুবিধা তথা শ্ৰমিকসকলৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰি অতি নিম্নতম মজুৰিৰে শ্ৰমিকসকলক খটুৱাই থকাৰ অভিযোগেৰে কৰ্তৃপক্ষ তথা নিৰ্মাণ কোম্পানীসমূহৰ বিৰুদ্ধে শ শ শ্ৰমিকে এই প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে শ্ৰমিকৰ ভৱিষ্যনিধি, স্বাস্থ্যসেৱা, সুৰক্ষা, নিৰাপত্তা আদি সুনিশ্চিত কৰাৰ ক্ষেত্ৰত শ্ৰমিকসকলে ইয়াৰ পূৰ্বে শোধনাগাৰ কৰ্তৃপক্ষৰ সৈতে বহুবাৰ আলোচনাত মিলিত হৈছিল যদিও আজি পৰ্যন্ত কোনো সুফল লাভ নকৰাৰ অভিযোগ শ্ৰমিকসকলৰ। ইফালে আগন্তুক এটা সপ্তাহৰ ভিতৰত উল্লিখিত দাবীসমূহৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ নকৰিলে অসম বায়' ৰিফাইনেৰীৰ নিৰ্মাণ কাৰ্য অচল কৰি দিয়াৰ সকীয়নি প্ৰদান কৰে নুমলীগড় ৰিফাইনেৰীৰ বৃহত্তৰ শ্ৰমিক ইউনিয়ন আৰু বায়' ৰিফাইনেৰী নিৰ্মাণ ঠিকা শ্ৰমিক ইউনিয়নে।

## চৰকাৰী ভূমি বেদখল কৰি

বিৰিজান ৰাজহ গাঁৱত থকা প্ৰায় ৬৪০ বিঘা ২ কঠা ১ লেচা সাধাৰণ চৰকাৰী মাটি বেদখল কৰা তথ্য দাঙি ধৰে। আনহাতে, আন এক ভয়ংকৰ তথ্য পোহৰলৈ আহিছে যে, বিহালী সমষ্টিৰ জনৈক বাৰেক নামৰ এজন ব্যক্তিয়ে ২৪১ দাগ নম্বৰৰ প্ৰায় ৪ বিঘা চৰকাৰী ভূমিৰ এটা অংশ বেদখল কৰি নিজৰ প্ৰকাণ্ড পকী ঘৰ নিৰ্মাণ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে তিনিজনকৈ চৰকাৰী গাঁওপ্ৰধানে। গাঁওপ্ৰধানে দিয়া লিখিত অভিযোগ অনুসৰি দীৰ্ঘদিন ধৰি চৰকাৰী ভূমি বেদখল কৰি ঘৰ সজা ব্যক্তিজনে অঞ্চলটোৰ বহু চৰকাৰী ভূমি বেদখলৰ দৰে ঘটনাৰে জড়িত থকাৰ কথাও প্ৰকাশ কৰে। ইফালে, এনেদৰে চৰকাৰী ভূমি বেদখল কৰা ঘটনা এতিয়া সৰ্বত্ৰতে চৰ্চা লাভ কৰিছে। এই ঘটনা পোহৰলৈ অহাৰ লগে লগে বিহালীত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। উপায়ুক্তৰ জৰিয়তে উচিত তদন্ত কৰি শীঘ্ৰেই চৰকাৰী ভূমিত উচ্ছেদ অভিযান চলাই বেদশলমুক্ত কৰিবলৈ দাবী জনাইছে বিভিন্ন দল-সংগঠনে।

## কিউ এছ ৰেংকিং ২০২৩ত

লণ্ডনস্থিত কিউ এছে বিশ্বৰ শীৰ্ষ-২০০ বিশ্বমানৰ বিশ্ববিদ্যালয়ৰ ৰেংকিঙত তিনিখন ভাৰতীয় শিক্ষানুষ্ঠানৰ সৈতে স্থান লাভ কৰিছিল। বেংগালুৰুস্থিত ইণ্ডিয়ান ইনষ্টিটিউট অৱ ছাইন্সে (IISC) ১০০ নম্বৰৰ ভিতৰত ১০০ নম্বৰ অৰ্জন কৰিছে। এইখনেই ভাৰতৰ প্ৰথম প্ৰতিষ্ঠান হৈ পৰিছে যিয়ে ১০০ৰ ভিতৰত ১০০ নম্বৰ লাভ কৰিছে। ইয়াৰ ৰেংকিং হৈছে ১৮৬। আনহাতে, Research Citations per Faculty কেটেগৰীত আইআইটি গুৱাহাটীয়ে ৪১সংখ্যক স্থান লাভ কৰিছিল। আইআইটি দিল্লীয়ে ১৮৫সংখ্যক স্থান লাভ কৰিছিল। আইআইটি দিল্লী ভাৰতৰ দ্বিতীয় শ্ৰেষ্ঠ বিশ্ববিদ্যালয় হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বুধবাৰে প্ৰকাশিত কিউ এছ ৱৰ্ল্ড ইউনিভাৰ্ছিটী ৰেংকিঙত বিশ্বৰ শীৰ্ষ ২০০খন বিশ্ববিদ্যালয়ত স্থান লাভ কৰা ভাৰতীয় বিশ্ববিদ্যালয়সমূহক অভিনন্দন জ্ঞাপন কৰি কয় যে ভাৰতৰ অধিক বিশ্ববিদ্যালয় আৰু প্ৰতিষ্ঠানে যাতে বিশ্বৰ উৎকৰ্ষৰ ক্ষেত্ৰত স্থান নিশ্চিত কৰে তাৰ বাবে চৰকাৰে সকলো ধৰণৰ প্ৰচেষ্টা চলাই আছে। এক টুইটযোগে প্ৰধানমন্ত্ৰীয়ে বিশ্ববিদ্যালয়সমূহক অভিনন্দন জ্ঞাপন কৰে আৰু কয়— 'বিশ্বব্যাপী উৎকৰ্ষত স্থান নিশ্চিত কৰিবলৈ আৰু যুৱসকলৰ মাজত বৌদ্ধিক দক্ষতা সমৰ্থন কৰাৰ বাবে সকলো প্ৰচেষ্টা চলাই থকা হৈছে।'

## হালোৱাটিঙত বিদ্যুৎ

আমগুৰি বৈদ্যুতিক উপ-সংমণ্ডল বিভাগৰ মিটাৰ ৰিডাৰ হিতেশ্বৰ শইকীয়া নামৰ কৰ্মচাৰীজনক প্ৰহাৰ কৰে। হালোৱাটিং থানাৰ অন্তৰ্গত বৰছিলাৰ পোনা গগৈ (হেমন্ত) নামৰ ব্যক্তিজনৰ ঘৰত সংঘটিত এই ঘটনাই সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ। জানিব পৰা মতে ১০০০ টকা বিদ্যুতৰ বিল অহাৰ বাবেই গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰিলে হিতেশ্বৰ শইকীয়া নামৰ মিটাৰ ৰিডাৰজনক। পোনা গগৈৰ বাসগৃহত বিদ্যুতৰ বিল দিবলৈ যাওঁতে হিতেশ্বৰ শইকীয়া নামৰ মিটাৰ ৰিডাৰজনক ইটাৰে আৰু ঘুচিয়াই আঘাত কৰে । ঘটনাৰ পিছতে হালোৱাটিং আৰক্ষী বৰছিলাৰ পোনা গগৈৰ বাসগৃহত উপস্থিত হৈ মিটাৰ ৰিডাৰ হিতেশ্বৰ শইকীয়াক উদ্ধাৰ কৰে। মুখমণ্ডল, হাত আৰু ভৰিত আঘাতপ্ৰাপ্ত হৈছে হিতেশ্বৰ শইকীয়া। আনহাতে, অভিযুক্ত পোনা গগৈয়ে মুখমণ্ডলত আঘাতপ্ৰাপ্ত হৈছে। ঘটনাৰ পিছত হালোৱাটিং আৰক্ষীয়ে মিটাৰ ৰিডাৰ হিতেশ্বৰ শইকীয়া আৰু অভিযুক্ত পোনা গগৈক আমগুৰি চিকিৎসালয়ত প্ৰাথমিক চিকিৎসা কৰে যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে জয়সাগৰলৈ প্ৰেৰণ কৰে। ইতিমধ্যে ঘটনা সন্দৰ্ভত আমগুৰি বিদ্যুৎ বিভাগে অভিযুক্ত পোনা গগৈৰ ওপৰত এজাহাৰ দাখিল কৰিছে।

## দিন-দুপৰতে নগাঁৱত অসমীয়া

হাৰ্ডৱেৰ নামৰ দোকানখনৰ পৰা ২০ লাখ টকাৰ সামগ্ৰী ক্ৰয় কৰিছিল। কিন্তু পূৰ্বাঞ্চল হাৰ্ডৱেৰক তেওঁ ২ হাজাৰ টকা আদায় দিবলৈ থকাত তেওঁক মূৰতাজা কালাম আজাদ নামৰ যুৱ কংগ্ৰেছৰ নেতাগৰাকীয়ে ৬ জুনৰ দিনৰ প্ৰায় ১১ বজাত ফোনত ধমক দিয়ে। ইয়াৰ পিছতে মূৰতাজা কালাম আজাদে ৬গৰাকী যুৱকৰ সৈতে এঞ্জেল কম্পিউটাৰত উপস্থিত হৈ মণ্টু দাসক গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰে। এই ঘটনাৰ সমগ্ৰ দৃশ্যাংশ বন্দী হয় এঞ্জেল কম্পিউটাৰৰ চি চি টিভিত। এই ঘটনাৰ পিছতে নগাঁও আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মূৰতাজাক আটক কৰে যদিও ৰহস্যজনকভাৱে কিছু সময়ৰ পিছতে তেওঁক জামিনত মুকলি কৰি দিয়ে। জানিব পৰা মতে, মূৰতাজা পূৰ্বাঞ্চল হাৰ্ডৱেৰৰ স্বত্বাধিকাৰী গুপ্তা নামৰ অনা-অসমীয়া ব্যৱসায়ীগৰাকীৰ বন্ধু হোৱাৰ বাবেই মণ্টু দাসক গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰে। এই ঘটনাৰ পিছতে নগাঁৱত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। যুৱ কংগ্ৰেছীৰ আক্ৰমণত গুৰুতৰভাৱে আহত হোৱা মণ্টু দাসক পৰিয়ালৰ লোকে গুৱাহাটীৰ এপ'ল' হাস্পতালত ভৰ্তি কৰায়। এই ঘটনাক কঠোৰভাৱে গৰিহণা দিছে বীৰ লাচিত সেনাৰ নগাঁও জিলা সমিতিয়ে। বীৰ লাচিত সেনাৰ নগাঁও জিলা সমিতিৰ সভাপতি ৰূপজ্যোতি শইকীয়াই আহত মণ্টু দাসৰ খবৰ লোৱাৰ লগতে খিলঞ্জীয়াৰ ওপৰত হোৱা আক্ৰমণ কোনো কাৰণতে সহ্য কৰা নহ'ব বুলিও হুংকাৰ দিছে।

# ১৮ জুলাইত ভাৰতৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচন

## ২১ জুলাইত ভোট গণনা, ২৪ জুলাইত সমাপ্ত হ'ব ৰামনাথ কোবিন্দৰ কাৰ্যকাল

**নতুন দিল্লী, ৯ জুন ঃ** দেশত ৰাষ্ট্ৰপতি নিৰ্বাচনৰ জাননী প্ৰকাশ পাইছে। নিৰ্বাচন আয়োগে আজি নতুন দিল্লীত এই কথা ঘোষণা কৰিছে। অহা ১৮ জুলাই তাৰিখে সকলো ৰাজ্যতে ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ২১ জুলাই তাৰিখে আছে ভোটসমূহৰ গণনা। সেইদিনাই বিয়লিৰ ভাগলৈ নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ সম্ভাৱনা আছে। ইফালে বৰ্তমানৰ ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ কাৰ্যকাল সমাপ্ত হ'ব ২৪ জুলাই তাৰিখে। উল্লেখ্য যে মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰ আৰু নিৰ্বাচন আয়ুক্ত অৰূপ চন্দ্ৰ পাণ্ডেই ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বিষয়ত সংবাদ মেলৰ জৰিয়তে ঘোষণা কৰিছে। চলিত মাহৰ ২৯ জুন তাৰিখে মনোনয়ন দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। ৩০ জুন তাৰিখে মনোনয়নসমূহ পৰীক্ষা কৰা হ'ব আৰু দুই জুলাই তাৰিখলৈকে মনোনয়ন প্ৰত্যাহাৰৰ সুবিধা থাকিব। উল্লেখ্য যে মনোনয়নপত্ৰসমূহ কাৰ্যালয় খোলা ৰখা দিনত ১১ বজাৰ পৰা ৩ বজালৈকে দাখিল কৰিব পাৰিব। প্ৰাৰ্থীয়ে নিজে আহিও মনোনয়ন দাখিল কৰাৰ উপৰিও তেওঁৰ প্ৰস্তাৱকসকলেও আহি মনোনয়ন দাখিল কৰিব পাৰিব। ক'ভিড প্ৰট'কলৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচন আয়োগে আহ্বান জনাইছে যাতে মনোনয়ন দাখিলৰ সময়ত অধিক লোকে ভিৰ নকৰে। উল্লেখ্য যে প্ৰত্যক্ষ ভোটৰ পৰিৱৰ্তে পৰোক্ষ ভোটৰ জৰিয়তেহে ৰাষ্ট্ৰপতিৰ নিৰ্বাচন অনুষ্ঠিত হয়। ৰাজ্যসমূহৰ বিধানসভাৰ সদস্য, কেন্দ্ৰীয় শাসিত প্ৰদেশসমূহৰ বিধানসভাৰ সদস্য, লোকসভা আৰু ৰাজ্যসভাৰ সদস্যসক, বিধান পৰিষদৰ সদস্যসকলে ৰাষ্ট্ৰপতি নিৰ্বাচনত ভাগ ল'ব পাৰে। উল্লেখ্য যে ২০১৭ চনত ৰামনাথ কোবিন্দ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হৈছিল। অহা ২৪ জুলাইলৈকে তেওঁৰ কাৰ্যকাল অব্যাহত থাকিব। গতিকে ইয়াৰ পূৰ্বেই দেশত এগৰাকী নতুন ৰাষ্ট্ৰপতি নিৰ্বাচনৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল আৰু শীঘ্ৰে ৰাজনৈতিক দলবোৰে নিজৰ প্ৰাৰ্থী প্ৰক্ষেপ কৰিব।








*বিশ্বজুৰি ত্ৰাসৰ সৃষ্টি কৰা মাংকিপ'ক্স ভাইৰাছৰ সংক্ৰমণৰ ফলত মানৱ শৰীৰত দেখা দিয়া পাৰ্শ্বক্ৰিয়া— বিশ্ব স্বাস্থ্য সংস্থাৰ মতে ১৫তকৈ অধিক মাংকীপ'ক্স আক্ৰান্ত ধৰা পৰিছে আৰু ২৯ খন দেশত চলিত বৰ্ষৰ মে' মাহৰ পৰা এই ভাইৰাছৰ সংক্ৰমণ অব্যাহত আছে, নিৰ্দিষ্টকৈ কোনো ঔষধ সদৰী কৰা হোৱা নাই যদিও মাংকিপ'ক্সৰ ফলত আক্ৰান্তৰ মৃত্যুৰ তথ্য বৰ্তমানলৈ পোহৰলৈ অহা নাই*

# জুনত বেংক বন্ধৰ আধিক্যত বিমোৰত গ্ৰাহক

**নতুন দিল্লী, ৯ জুন ঃ** চলিত জুন মাহত বিভিন্ন চৰকাৰী আৰু ৰাষ্ট্ৰীয়কৃত বেংকসমূহৰ বন্ধৰ আধিক্যই গ্ৰাহকক বিমোৰত পেলোৱাৰ আশংকা বৃদ্ধি পাইছে। বেংক কৰ্তৃপক্ষই চৰকাৰৰ বন্ধসমূহ উপভোগ কৰাৰ উপৰিও মাজে সময়ে স্থানীয় কৰ্তৃপক্ষই এন আই এক্ট, আৰ টি জি এছ হলিডে, বেংক একাউণ্ট ক্ল'জিং আদিৰ বাবেও বন্ধৰ দিন উপভোগ কৰি আহিছে। ৰিজাৰ্ভ বেংক কৰ্তৃপক্ষই ইতিমধ্যে প্ৰতি বছৰে বেংক বন্ধৰ তালিকা সুকীয়াকৈ প্ৰেৰণ কৰে। চলিত জুন মাহত বেংক বন্ধৰ আধিক্যই




কৰ্মচাৰীসকলক আনন্দিত কৰিলেও গ্ৰাহকক অসুবিধাত পেলোৱাৰ বিষয়টো চৰ্চালৈ আহিছে। উল্লেখ্য যে জুন মাহৰ ৫, ১২, ১৯ আৰু ২৬ তাৰিখকেইটা দেওবাৰ হোৱাৰ বাবে বেংকৰ লেনদেন আৰু কাৰ্যালয় বন্ধ থাকিব। ১১ জুনত দ্বিতীয় শনিবাৰ আৰু ২৫ জুনত চতুৰ্থ শনিবাৰ হ'ব পাৰে উক্ত দিন দুটাও বন্ধ হৈ থাকিব বেংকৰ কাৰণে। ইয়াৰ উপৰিও ১৪ জুন তাৰিখে সাধু গুৰু কবিৰ জয়ন্তী আছে। উক্ত দিনটোত চণ্ডীগড়, হিমাচল প্ৰদেশ, পঞ্জাৱ আৰু উৰিষ্যাত বেংকসমূহ বন্ধ থাকিব। ১৫ জুন তাৰিখে গুৰু হৰগোবিন্দৰ জন্মদিন। এই উপলক্ষ্যে উৰিষ্যা, মিজোৰাম, জম্মু আৰু কাশ্মীৰত বেংকসমূহ বন্ধ থাকিব। এনেকৈ জুন মাহত সমগ্ৰ দেশৰ লগতে কেতবোৰ ৰাজ্যত বিশেষভাৱে বেংকসমূহ বন্ধ হৈ থকাৰ বাবে গ্ৰাহকে লেনদেন কৰাৰ ক্ষেত্ৰত বঞ্চিত হোৱাটো নিশ্চিত হৈ পৰিছে। ফলত গ্ৰাহকসকল অসুবিধাৰ সন্মুখীন হ'ব বুলি আশংকা ঘনীভূত হৈ পৰিছে।

# তৃণমূল নেতা তপন দত্তৰ হত্যাৰ তদন্ত চিবিআইক অৰ্পণ

**কলকাতা, ৯ জুন ঃ** কলকাতা উচ্চ ন্যায়ালয়ে বৃহস্পতিবাৰে তৃণমূল কংগ্ৰেছৰ নেতা তপন দত্তক হত্যা কৰা ঘটনাৰ তদন্ত চিবিআইক অৰ্পণ কৰিছে। ১১ বছৰ পুৰণি এই গোচৰটো তদন্তৰ বাবে পশ্চিমবংগৰ আৰক্ষী সফল নোহোৱা বুলি অভিযোগ উঠিছে। উল্লেখ্য যে ২০১১ চনত হাওৰা অঞ্চলত তপন দত্তক অজ্ঞাত লোকে গুলীয়াই হত্যা কৰিছিল। ন্যায়ালয়ৰ ন্যায়াধীশ ৰাজাশেখৰ মন্থাৰ আদালতে চিবিআই তদন্তৰ নিৰ্দেশ জাৰি কৰিছে। প্ৰয়াত দত্তৰ পত্নীয়ে চিবিআইৰ তদন্ত বিচাৰি আদালতৰ দ্বাৰস্থ হৈছিল। হাওৰা অঞ্চলত ভূমি বেদখল আৰু জলাশয় তথা পতিত ভূমি উদ্ধাৰৰ বাবে তৃণমূলৰ নেতাজনে সংগ্ৰাম চলাই আহিছিল। ২০১১ বৰ্ষৰ ৬ মে' তাৰিখে তেওঁক গুলীয়াই হত্যা কৰা হৈছিল। এই ঘটনাত তৃণমূল কংগ্ৰেছৰ একাংশ নেতা, তেতিয়াৰ মন্ত্ৰী আদি জড়িত থকা বুলি প্ৰয়াত দত্তৰ পৰিয়ালে অভিযোগ কৰিছে। ৰাজ্য চৰকাৰে চি আই ডি তদন্তৰ নিৰ্দেশ দিছিল যদিও বৰ্তমানলৈকে এই তদন্ত সমাপ্ত নহ'ল। চিআইডিয়ে তপন দত্তৰ হত্যাকাৰীক চিনাক্ত কৰিবলৈ সক্ষম নহ'ল। ৰাজ্যিক তদন্তকাৰীসকলে অপৰাধীৰ বিৰুদ্ধে সফল নোহোৱাৰ কাৰণেই ন্যায়ৰ পৰা বঞ্চিত হৈ আছে পৰিয়ালটো। গতিকে এই হত্যাকাণ্ডৰ তদন্তৰ ভাৰ চিবিআইক অৰ্পণ কৰা হৈছে বুলি কলকাতা উচ্চ ন্যায়ালয়ে ঘোষণা কৰিছে। ইফালে তদন্তৰ সময়ত যাতে সকলো প্ৰকাৰে সহায় কৰে তাৰ বাবে পশ্চিমবংগৰ আৰক্ষীক সতৰ্ক কৰি দিয়া হৈছে। আগন্তুক ছমহাৰ ভিতৰতে এই তদন্ত সম্পূৰ্ণ কৰিব লাগিব বুলি ন্যায়ালয়ে আঙুলিয়াই দিছে। সেয়েহে এই তদন্তত এতিয়া তৃণমূলৰ নেতা তপন দত্তৰ প্ৰকৃত হত্যাকাৰীসকল পোহৰলৈ আহে নে নাই সেয়া ছমাহৰ পিছতহে স্পষ্ট হৈ পৰিব।



### ৰাজ্যসভাৰ নিৰ্বাচনৰ পূৰ্বে মহাৰাষ্ট্ৰত চৰকাৰী পক্ষৰ বিপদ

# কাৰাৰুদ্ধ অনিল দেশমুখ-নৱাব মালিকে ভোট দিব নোৱাৰিব

**নতুন দিল্লী, ৯ জুন ঃ** ৰাজ্যসভাৰ আগন্তুক নিৰ্বাচনৰ বাবে মহাৰাষ্ট্ৰত শাসকীয় পক্ষ বিপদত পৰাৰ আশংকা ঘনীভূত হৈ পৰিছে। কিয়নো কাইলৈ অৰ্থাৎ দহ জুনত ভোটদান কৰা হ'ব। কিন্তু দুজন বিধায়ক এতিয়াও কাৰাগাৰতে আছে। এন চি পি দলৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী অনিল দেশমুখ আৰু নৱাব মালিক কাৰাৰুদ্ধ হৈ আছে। দুইজনৰ জামিন আবেদন আজি পুনৰ নাকচ হৈছে। আনকি তেওঁলোকৰ জামিন নাকচৰ লগে লগে ভোটদানৰ বাবে সুযোগ লাভ কৰাটো অনিশ্চিত হৈ পৰিছে। উল্লেখ্য যে যোৱা ফেব্ৰুৱাৰী মাহতে নৱাব মালিকক এনফোৰ্চমেণ্ট বিভাগে ধনৰ অবৈধ লেনদেন আৰু মাফিয়া ডাউদ ইব্ৰাহিমৰ সৈতে সম্পৰ্ক থকাৰ অভিযোগত কাৰাৰুদ্ধ কৰি ৰাখিছে। একেদৰে দুৰ্নীতি আৰু ধনৰ অবৈধ সৰবৰাহৰ অভিযোগত নতুন গৃহমন্ত্ৰী অনিল দেশমুখ কাৰাগাৰৰ অতিথি হৈ আছে। দুয়োজন এন চি পি দলৰ সদস্য আৰু মহাৰাষ্ট্ৰৰ শাসকীয় মৰ্চাৰ অন্যতম অংশীদাৰ। বৰ্তমান বিৰোধীৰ আসনত আছে বিজেপি দল আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাৰনৱিচ ক'ভিডত আক্ৰান্ত হৈ আইছোলেচনত আছে। ইফালে কাইলৈ মহাৰাষ্ট্ৰত ৰাজ্যসভাৰ ছয় আসনৰ বাবে ভোটগ্ৰহণ হ'ব। সাতজন প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। যোৱা দুটা দশকত মহাৰাষ্ট্ৰত বিনা প্ৰতিদ্বন্দ্বিতাৰে ৰাজ্যসভালৈ প্ৰাৰ্থী নিৰ্বাচিত হৈছিল। কিন্তু এইবাৰ প্ৰতিদ্বন্দ্বিতাৰ সন্মুখীন হ'ব লগা হৈছে। ছয় আসনৰ বাবে শিৱসেনা দলে দুই প্ৰাৰ্থী ঠিয় কৰাইছে। সঞ্জয় ৰাৱত আৰু সঞ্জয় পাৱাৰ হ'ল দলটোৰ দুই প্ৰাৰ্থী। ইফালে বিজেপিয়ে ঠিয় কৰাইছে তিনিজন প্ৰাৰ্থী। তেওঁলোক হ'ল কেন্দ্ৰীয় মন্ত্ৰী পীযুষ গোৱেল, অনিল বন্দে আৰু ধনঞ্জয় মহাদীক। আনহাতে শাসকীয় মৰ্চাৰ অংশীদাৰ এন চিপি আৰু কংগ্ৰেছ দলে এজনকৈ প্ৰাৰ্থী ঠিয় কৰাইছে। তেওঁলোক হ'ল যথাক্ৰমে প্ৰফুল্ল পেটেল আৰু ইমৰাণ প্ৰতাপগড়ি। যিকোনো প্ৰাৰ্থীয়ে নিৰ্বাচনত জয়ী হ'বলৈ নিম্নতম ৪২টা ভোট লাভ কৰিব লাগিব। শিৱসেনা নেতৃত্বাধীন মহাবিকাশ আগশাৰীৰ মৰ্চাই নিশ্চিতবাৰে তিনিটা আসনত জয়লাভ কৰিব। মহাৰাষ্ট্ৰত ২৮৮ গৰাকী বিধায়ক আছে। বিৰোধী বিজেপিৰ হাতত আছে ১০৬ জন বিধায়ক। তেওঁলোকে দুখন আসনত অনায়াসে জয় লাভ কৰিব পাৰিব। কিন্তু বিজেপিয়ে তৃতীয় আসনৰ বাবেও ধনঞ্জয় মহাদিক নামৰ এজন প্ৰাৰ্থী ঠিয় কৰাইছে। গতিকে বিজেপিৰ তৃতীয়গৰাকী প্ৰাৰ্থীয়ে যুঁজিব লাগিব শিৱসেনাৰ দ্বিতীয়গৰাকী প্ৰাৰ্থী সঞ্জয় পাৱাৰৰ বিৰুদ্ধে। আনহাতে ক্ষুদ্ৰ ক্ষুদ্ৰ দল আৰু নিৰ্দলীয় প্ৰাৰ্থীৰ হাতত ভোট আছে ২৯টা। উল্লেখ্য যে দুটা আসনত জয়ী হোৱাৰ পিছত বিজেপিৰ হাতত ২২টা ভোট অতিৰিক্ত হিচাপে থাকি যাব। তৃতীয় গৰাকী প্ৰাৰ্থী জয়ী কৰাবলৈ বিজেপিক অতিৰিক্ত ২০টা ভোটৰ আৱশ্যক হ'ব। অৱশ্যে তেওঁলোকে সাতজন নিৰ্দলীয় বিধায়কৰ সমৰ্থন লাভ কৰা বুলি প্ৰকাশ কৰিছে। শিৱসেনা, এন চি পি আৰু কংগ্ৰেছ দলে তেওঁলোকৰ বিধায়কসকলক স্থানীয় ৰিজ'ৰ্টলৈ লৈ গৈছে। হৰ্ছ ট্ৰেডিং বা বিধায়কক ক্ৰয় ভোটিঙৰ জৰিয়তে ক্ৰয় কৰাৰ আশংকাত এনেদৰে আবদ্ধ কৰি ৰখা হৈছে। শাসকীয় পক্ষৰ তিনিজন প্ৰাৰ্থী জয়ী হোৱাৰ পিছত চতুৰ্থজনৰ বাবে ২৬টা ভোট থাকি যাব। জয়ী হ'বলৈ তেওঁলোকক লাগিব নিম্নতম ১৬টা ভোট। ইফালে শাসকীয় পক্ষৰ দুই সদস্য কাৰাৰুদ্ধ হৈ থকাৰ সমান্তৰালভাৱে বিজেপিৰ দেৱেন্দ্ৰ ফাৰনবিচ ক'ভিড আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছে। গতিকে কাইলৈ নিৰ্ণয় হ'ব শাসক আৰু বিৰোধী শক্তিৰ পৰীক্ষা।

# গুজৰাটলৈ দহটা হাতীৰ যোগান ঃ বন্যপ্ৰাণী সংগঠনে সতৰ্ক কৰিলে চৰকাৰক

**নতুন দিল্লী, ৯ জুন ঃ** অৰুণাচল প্ৰদেশৰ পৰা কমেও দহটা অপ্ৰাপ্ত বয়স্ক হাতী প্ৰেৰণ কৰা হ'ব গুজৰাটলৈ। অৰুণাচলৰ পৰা অসমৰ মাজেৰে এই হাতীকেইটা যোগান ধৰা হ'ব বুলি প্ৰকাশ পাইছে। অপ্ৰাপ্তবয়স্ক হাতীকেইটাৰ এই পৰিবহণত প্ৰয়োজনীয় নথিপত্ৰ আৰু স্বাস্থ্যৰ সুৰক্ষাৰ দিশটো চকু ৰাখিবলৈ বন্যপ্ৰাণী



সংগঠনে চৰকাৰৰ প্ৰতি আহ্বান জনাইছে। অৰুণাচল প্ৰদেশৰ পৰা ৩৪০০ কিলোমিটাৰ যাত্ৰা কৰি গুজৰাটৰ জাম নগৰত উপনীত হ'বলৈ এই যাত্ৰা সম্পন্ন কৰা হ'ব। উল্লেখ্য যে ইয়াৰ পূৰ্বেও উত্তৰ পূৰ্বাঞ্চলৰ পৰা গুজৰাট, উৰিষ্যা আদি দক্ষিণৰ কেবাখনো ৰাজ্যলৈ হাতী প্ৰেৰণ কৰা হৈছিল। তামিলনাডুৰ বিভিন্ন মন্দিৰত অঞ্চলটোৰ পৰা প্ৰেৰণ কৰা হাতীৰ আলৈ আথানি আৰু ৰোগাক্ৰান্ত দেহাৰ বিষয়ে সংবাদ মাধ্যমত ব্যাপক চৰ্চা হৈছিল। সেয়েহে বন্যপ্ৰাণী সংৰক্ষণৰ সৈতে জড়িত দ্য চেণ্টাৰ ফৰ ৰিচাৰ্চ অন এনিমেল ৰইটছ নামৰ সংগঠনটোৱে হাতী পৰিবহণৰ ক্ষেত্ৰত সংশ্লিষ্ট চৰকাৰসমূহক সতৰ্ক কৰি দিছে। গুজৰাট আৰু অৰুণাচল প্ৰদেশৰ লগতে অসম চৰকাৰলৈও সংগঠনটোৱে এই পত্ৰ প্ৰেৰণ কৰা বুলি প্ৰকাশ পাইছে। ইফালে অৰুণাচলৰ আদি ছাত্ৰ সন্থাই যোৱা ৬ জুন তাৰিখে দুখন এছ ইউ ভি বিলাসী বাহন জব্দ কৰিছে। এই দুই বাহনত হাতী সৰবৰাহৰ বাবে ব্যৱহাৰ কৰাৰ সন্দেহ আছে। আনহাতে হাতী সৰবৰাহৰ বাবে হাতীৰ গৰাকী আৰু জামনগৰত থকা ৰাধে কৃষ্ণ মন্দিৰ কল্যাণ ট্ৰাষ্টৰ সৈতে ইতিপূৰ্বে চুক্তি স্বাক্ষৰ হোৱা বুলি প্ৰকাশ পাইছে। হাতীৰ গৰাকীয়ে উক্ত মন্দিৰ কৰ্তৃপক্ষৰ সৈতে চুক্তি কৰি হাতী চালনাৰ বাবে সাজু হৈছে। উল্লেখ্য যে বিশাল ট্ৰাকত কাঠৰ বেৰা নিৰ্মাণ কৰি তাপ আৰু শীতৰ পৰা সুৰক্ষিত কৰি হাতী পৰিবহণৰ বাবে ব্যৱস্থা গঢ়ি তুলিছে। আনহাতে বিহাৰলৈ অঞ্চলটোৰ পৰা এনেদৰে হাতী সৰবৰাহ কৰা হৈছিল। মুঠতে অসম আৰু অৰুণাচল প্ৰদেশৰ পৰা দেশৰ অন্যান্য ৰাজ্য আৰু মন্দিৰসমূহলৈ হাতী সৰবৰাহ কৰিবৰ বাবে এক বিশেষ চক্ৰ সক্ৰিয় হৈ পৰাৰ অভিযোগ উঠিছে। মূলতঃ মন্দিৰ ন্যাসৰ বাবে হাতী সৰবৰাহ কৰা বুলি দেখুৱালেও এই হাতীসমূহ ব্যৱসায়িক কামত নিয়োগ কৰাৰ অভিযোগ পূৰ্বৰে পৰা আছে।

# গুজৰাট বিধানসভা নিৰ্বাচনৰ বাবে আম আদমী আৰু কংগ্ৰেছৰ ব্যাপক তৎপৰতা

## ৰাজ্যিক সমিতি ভংগ কেজৰিৱালৰ, কংগ্ৰেছৰ নতুন তত্বাৱধায়ক নিযুক্তি

**নতুন দিল্লী, ৯ জুন ঃ** আগন্তুক গুজৰাট বিধানসভা নিৰ্বাচনৰ বাবে আম আদমী পাৰ্টীৰ ব্যাপক তৎপৰতাৰ সমান্তৰালভাৱে কংগ্ৰেছ দলেও ৰাজ্যখনত সাংগঠনিক কাম-কাজ জোৰদাৰ কৰি তুলিছে। ইতিমধ্যে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টীৰ মুখ্য আহবায়ক অৰবিন্দ কেজৰিৱালে গুজৰাট প্ৰদেশত চাৰিখনকৈ বিশাল জনসভা সম্বোধন কৰিছে। এই সভাসমূহত ব্যাপক জনসমাগম পৰিলক্ষিত হৈছে। গুজৰাটত বিজেপি আৰু কংগ্ৰেছৰ পৰা সাধাৰণ ৰাইজে মুক্তি বিচৰা বুলি কেজৰিৱালে নিজৰ বক্তব্যত অভিহিত কৰিছে। গতিকে এইবাৰ ৰাইজে দুইটা দলকে বিদায় দি আম আদমী পাৰ্টীক সমৰ্থন জনাব বুলি অৰবিন্দ কেজৰিৱালে নিজৰ বক্তব্যত প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। ইফালে দলটোৰ সাংগঠনিক স্থিতি শক্তিশালী কৰাৰ উদ্দেশ্যৰে গুজৰাট ৰাজ্যিক সমিতিখন ভংগ কৰি দিছে। গুজৰাটৰ ৰাজ্যিক সভাপতি তথা আঞ্চলিক বা ভোট কেন্দ্ৰলৈকে গোটেই সমিতিখন ভংগ কৰি দি নতুনকৈ গঠন কৰিবলৈ সিদ্ধান্ত লোৱা বুলি প্ৰকাশ পাইছে। অচিৰেই গুজৰাট প্ৰদেশত এখন নতুন ৰাজ্যিক সমিতি লাভ কৰিব বুলি আশা কৰা হৈছে। কেবল ৰাজ্যিক সমিতিয়েই নহয় মহিলা আৰু যুৱকোষ, অনুসূচিত জাতি আৰু জনজাতি কোষ, সংবাদ কোষ, সামাজিক মাধ্যম গোট, মুখপাত্ৰ, সমষ্টিসমূহৰ মুৰব্বী, জিলা আৰু মহকুমাৰ মুৰব্বী, বিভিন্ন পৰিষদ আৰু ৱাৰ্ড লেভেলৰ মুৰব্বী, বিভিন্ন স্থানীয় সমিতিৰ মুৰব্বী, প্ৰতিটো পদবী আৰু বিষয়বাবৰ পৰা সকলো সদস্যক অপসাৰণ কৰা হৈছে। অচিৰেই গোটেই সমিতিখন নতুনকৈ গঠন কৰিব বুলি কেন্দ্ৰীয় সমিতিয়ে ব্যক্ত কৰিছে। আম আদমীৰ গুজৰাট ৰাজ্যিক সমিতিৰ সভাপতি গোপাল ইটালিয়াই কয় যে যিহেতু গুজৰাটৰ পৰা বিজেপিক পৰাভূত কৰিব খোজা হৈছে গতিকে এখন শক্তিশালী সমিতি আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰে নতুন সমিতি গঠন কৰিব খোজা হৈছে। গতিকে সকলো শাখা বা কোষ, স্থানীয় বা জিলা আৰু ৰাজ্যিক সমিতিৰ মুৰব্বীয়ে কেন্দ্ৰীয় সমিতিৰ এই পদক্ষেপৰ প্ৰতি সমৰ্থন জ্ঞাপন কৰিব। নতুন ধাৰণাৰে গুজৰাটত আম আদমীৰ এখন নতুন সমিতি অধিক দায়িত্বসহকাৰে কাম কৰিবলৈ প্ৰস্তুত কৰি তোলা হ'ব। যাতে এই সমিতিয়ে আগন্তুক নিৰ্বাচনত বিজেপিক পৰাভূত কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে আম আদমী পাৰ্টীয়ে বিভিন্ন বেচৰকাৰী আৰু আভ্যন্তৰীণ সমিতিৰ দ্বাৰা অধ্যয়ন চলাইছিল। গুজৰাটত দলটোক শক্তিশালী কৰিবলৈ হ'লে আভ্যন্তৰীণ অধ্যয়ন গোটসমূহে কেতবোৰ পৰামৰ্শ প্ৰদান কৰিছে। বৰ্তমানৰ সমিতিখনে ৰাজ্যত কংগ্ৰেছ আৰু বিজেপিৰ বিৰুদ্ধে শক্তিশালী ৰূপত থিয় দিব পৰাকৈ নতুন সদস্যৰ অংশগ্ৰহণ আৰু সদস্য ভৰ্তি কৰাত সফল হোৱাৰ সম্ভাৱনা নাই বুলি আশংকা কৰিছে। সেয়েহে ৰাজ্যিক সমিতিখন এক ব্যাপক প্ৰক্ৰিয়াৰে গঢ়ি তোলাৰ বাবেই এই পদক্ষেপ লোৱা হৈছে। আম আদমী পাৰ্টীৰ এনে তৎপৰতাৰ সমান্তৰালভাৱে কংগ্ৰেছ দলেও গুজৰাট প্ৰদেশৰ বাবে নতুন তত্বাবধায়ক নিযুক্তি দিছে। কিছুদিনৰ পূৰ্বে গুজৰাট প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি হাৰ্ডিক পেটেলে দল ত্যাগ কৰিছিল। তেওঁ ঘোষণা কৰিছিল যে গুজৰাটৰ কংগ্ৰেছ নেতৃত্বই সাধাৰণ ৰাইজৰ অভাৱ-অভিযোগ প্ৰতি যিমান গুৰুত্ব দিয়ে, তাতকৈ সভাসমিতিত চিকেন-পোলাও আদি খাবৰ বাবে অধিক সময় আৰু গুৰুত্ব প্ৰদান কৰে। নেতৃত্বৰ এনে ব্যৰ্থতাৰ বাবেই কংগ্ৰেছৰ প্ৰতি ৰাইজৰ মোহভংগ হৈছে। বৰ্তমান গুজৰাটত ৰঘু শৰ্মা আছে তত্বাৱধায়ক হিচাপে। কংগ্ৰেছৰ সাধাৰণ সম্পাদক মুকুল ৱাছনিক ইতিমধ্যে গুজৰাটত উপস্থিত হৈছে। ৰাজ্যসভাৰ নিৰ্বাচনৰ ফলাফলৰ পিছতে নতুন তত্বাৱধায়কৰ নাম ঘোষণা কৰাৰ সম্ভাৱনা আছে। হাৰ্ডিক পেটেল আৰু ৰঘু শৰ্মাই পৰস্পৰক আক্ৰমণ কৰি প্ৰকাশ কৰা বক্তব্যৰ বাবে গুজৰাট কংগ্ৰেছত এতিয়া ৰাইজৰ আস্থা অধিক নিম্নগামী হোৱা বুলি ধাৰণা কৰা হৈছে। সময়ত ৰঘু শৰ্মা গুজৰাট কংগ্ৰেছৰ নেতৃত্বৰ সৈতে সঠিকভাৱে যোগাযোগ ৰক্ষা কৰা নাছিল বুলিও অভিযোগ উঠিছে। একাংশ বিধায়কেই একেই অভিযোগ প্ৰকাশ কৰিছে। জয় ৰাজনীশ পাৰমাৰ, কেভাল যোশীয়াৰা, ইন্দ্ৰজিৎ ৰাজ্যগুৰু, শ্বেতা ব্ৰহ্মভট্ট আদি একাংশই ৰঘু শৰ্মাৰ বিৰুদ্ধে অভিযোগ কৰা পৰিলক্ষিত হৈছিল আৰু তেওঁলোকে পৰৱৰ্তী সময়ত কংগ্ৰেছ ত্যাগ কৰিছে। গতিকে দলটোৱে নেতৃত্ব আৰু তত্বাৱধায়ক সলনি কৰি আগন্তুক নিৰ্বাচনত যুঁজিবৰ বাবে প্ৰস্তুতি চলোৱা পৰিলক্ষিত হৈছে।





# দিল্লীৰ শ্বাহ মছজিদৰ সমীপত অগ্নিকাণ্ড

**নতুন দিল্লী, ৯ জুন ঃ** বৃহস্পতিবাৰে দিল্লীৰ দক্ষিণাঞ্চলত অৱস্থিত জামিয়া নগৰ এলেকাৰ শ্বাহ মছদিৰ নিকটৱৰ্তী স্থানত অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। পুৱাৰ ভাগতে হোৱা এই অগ্নিকাণ্ডৰ ফলত অৱশ্যে কোনো লোকৰ হতাহতৰ তথ্য অহা নাই। দিল্লীৰ অগ্নি নিৰ্বাপক সেৱাৰ সঞ্চালক অতুল গাৰ্গে প্ৰকাশ কৰা তথ্য অনুসৰি অভিযান চলাই ২০ জন লোকক উদ্ধাৰ কৰা হৈছে। এটা পঞ্চম মহলা ভৱনত অগ্নিকাণ্ডৰ সূত্ৰপাত হৈছিল আৰু সাতখন অগ্নিনিৰ্বাপক বাহনৰ দ্বাৰা অগ্নি নিৰ্বাপনৰ প্ৰচেষ্টা চলাইছিল। অগ্নিকাণ্ডৰ কাৰণ বৰ্তমানলৈকে পোহৰলৈ অহা নাই। সঞ্চালক গৰাকীয়ে কয় যে ঘটনাৰ সূত্ৰপাত হোৱা বুলি ৮.৪৮ বজাত অৱগত হোৱাৰ লগে লগে উদ্ধাৰ অভিযান চলোৱা হৈছিল। দিল্লীৰ বিভিন্ন অঞ্চলত সঘনে অগ্নিকাণ্ড হৈ অহা বিষয়টো চিন্তাৰ কাৰণ হিচাপে সঞ্চালকজনে প্ৰকাশ কৰিছে। ৰাইজৰ সতৰ্কতা আৰু সজাগৰ জৰিয়তে যিকোনো ধৰণৰ ভয়ানক দুৰ্যোগৰ পৰা উদ্ধাৰ কাৰ্যত সফলতা আহৰণ কৰিব পাৰি বুলি তেওঁ ব্যক্ত কৰিছে। অৱশ্যে আজি হোৱা অগ্নিকাণ্ডৰ উদ্ধাৰ অভিযান সম্পূৰ্ণ হোৱা বুলিও ব্যক্ত কৰে।



*কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অৰুণাচল প্ৰদেশত উপস্থিত হৈ আয়ুষ মন্ত্ৰালয়ৰ কাম-কাজ পৰ্যবেক্ষণ কৰে আৰু স্বচ্ছ ভাৰত অভিযানৰ অংশ হিচাপে আয়ুষ চৌহদত চাফাই অভিযানত অংশ লোৱা পৰিলক্ষিত হয়*

# দেশত নতুনকৈ ক'ভিডত আক্ৰান্ত হ'ল ৭২৪০

## বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালকপ্ৰধান ঘেব্ৰিয়াছাছে সকিয়ালে সতৰ্ক হ'বলৈ


**নতুন দিল্লী, ৯ জুন ঃ** দেশত ক'ভিড সংক্ৰমণৰ চতুৰ্থ ঢৌ আগ্ৰাসী হৈ পৰাৰ আশংকা বৃদ্ধি পাইছে। কিয়নো যোৱা ২৪ ঘণ্টাত নতুনকৈ ৭২৪০ জন লোক আক্ৰান্ত হৈছে। সংক্ৰমণৰ এই উৰ্ধমুখী গতি এতিয়া শংকাৰ কাৰণ হৈ পৰিছে সাধাৰণ ৰাইজৰ বাবে। সমান্তৰালকৈ বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰিছে নিজৰ আশংকা। সংস্থাৰ সঞ্চালকপ্ৰধান টেড্ৰোছ আধানম ঘেব্ৰিয়াছে ভাৰতৰ এই বৰ্ধিত সংক্ৰমনৰ বিষয়টো চৰকাৰক আঙুলিয়াই দিছে আৰু অধিক সতৰ্ক হ'বলৈ আহবান জনাইছে। প্ৰণিধানযোগ্য এয়ে যে বৃহস্পতিবাৰে কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়ালকল্যাণ মন্ত্ৰালয়ে নতুনকৈ হোৱা সংক্ৰমণৰ তথ্য সদৰি কৰিছে। সম্প্ৰতি সক্ৰিয় সংক্ৰমিত বৃদ্ধি হৈছে ৩২,৪৯৮ জনলৈ। যোৱা ২৪ ঘণ্টাত আঠজন ক'ভিড আক্ৰান্তৰ মৃত্যু হোৱা বুলিও কোৱা হৈছে। এদিনৰ পূৰ্বে অৰ্থাৎ আঠ জুন তাৰিখে দেশত নতুন ক'ভিড সংক্ৰমণ আছিল ৫২৩৩ জন। কিন্তু এদিনৰ ব্যৱধানতে সংক্ৰমণ ৪০ শতাংশ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। একেৰাহে দুটা দিন ক'ভিডৰ সংক্ৰমণ ৪০ শতাংশতকৈ অধিক বৃদ্ধি হোৱা কাৰ্য এতিয়া চিন্তনীয় বুলি সকলো মহলে ব্যক্ত কৰিছে। ইতিমধ্যে মহাৰাষ্ট্ৰত ক'ভিড সংক্ৰমণ বৃদ্ধি হোৱাটো নিশ্চিত হৈছে। যোৱা মঙলবাৰে ৰাজ্যখনত ২৭০১ জন নতুনকৈ ক'ভিডত আক্ৰান্ত হৈছে। ইয়াৰে ১৭৬৫ জন নগৰৰ বুলি কোৱা হৈছে। অৱশ্যে নতুনকৈ ক'ভিডত মৃত্যু হোৱা পৰিলক্ষিত হোৱা নাই। ইফালে কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীয়ে দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশলৈ জৰুৰী বাৰ্তা প্ৰেৰণ কৰিছে। ইয়াৰ ভিতৰত মহাৰাষ্ট্ৰ, কৰ্ণাটক, কেৰালা, দিল্লী, উত্তৰ প্ৰদেশ আৰু তেলেংগানাত ক'ভিডৰ সংক্ৰমণ আৰু সক্ৰিয় আক্ৰান্তৰ তথ্য প্ৰতিদিনে দাখিল কৰিবলৈ নিৰ্দেশ দিছে। ইফালে যোৱা শনিবাৰে মহাৰাষ্ট্ৰ চৰকাৰে জাৰি কৰা নিৰ্দেশনাত কোৱা হৈছে যে ৰাজ্যখনৰ সকলো নাগৰিকে ৰাজহুৱা স্থানলৈ ওলাই আহিলে মাস্ক পৰিধান কৰিব লাগিব। ৰে'ল বা বাছ যাত্ৰী, চিনেমাহল, প্ৰেক্ষাগৃহ, কাৰ্যালয়, হাস্পতাল, শিক্ষানুষ্ঠান আদি যিকোনো ৰাজহুৱা স্থানতে উপস্থিত থকাসকলে মাস্ক পৰিধান কৰিব লাগিব। মুম্বাইৰ উপৰিও পুনে, থানে, পালঘৰ, আদি জিলাসমূহতো ক'ভিডৰ সংক্ৰমন উৰ্ধমুখী হোৱা বুলি মহাৰাষ্ট্ৰৰ স্বাস্থ্য বিভাগে প্ৰকাশ কৰিছে। ইফালে বিশ্ব স্বাস্থ্য সংস্থাই নিজৰ সতৰ্কবাণীত কয় যে বিশ্বৰ কমেও ৬৮খন দেশত ক'ভিডৰ সংক্ৰমণ প্ৰতিৰোধত সফল হোৱা নাই। এই দেশসমূহত শেহতীয়াকৈ ৪০ শতাংশতকৈ অধিক লোক দৈনিক সংক্ৰমিত হৈছে। গতিকে চৰকাৰ আৰু প্ৰশাসনে ক'ভিড প্ৰট'কল কাৰ্যকৰী কৰিবলৈ কোৱা হৈছে।



### অল কায়দাৰ ভাবুকি প্ৰসংগ

# অঘটনৰ বাবে দায়ী হ'ব বিজেপি ঃ সঞ্জয় ৰাৱত

**নতুন দিল্লী, ৯ জুন ঃ** দেশৰ কেবাটাও স্থানত অল কায়দাৰ দ্বাৰা বিস্ফোৰণ তথা কূটাঘাত সংঘটিত কৰিবলৈ পৰিকল্পনা কৰা বুলি প্ৰকাশিত বাতৰিৰ পিছতে



শিৱসেনা দলৰ সাংসদ সঞ্জয় ৰাৱতে প্ৰতিক্ৰিয় প্ৰকাশ কৰিছে। বৰ্তমান দেশত বিজেপি নেতৃত্বাধীন চৰকাৰ আছে। এই দলটোৱে ক্ষমতাত আছে বাবেই অন্যান্য লোকসকলক চূড়ান্তভাৱে অপমান কৰি আহিছে। দলটোৰ মুখপাত্ৰ নূপুৰ শৰ্মাই বিজেপিৰ শীৰ্ষ নেতৃত্বৰ উচটনি আৰু অনুমতি অবিহনে বিতৰ্কিত মন্তব্য প্ৰকাশ কৰিব নোৱাৰে। গতিকে বিদেশত এতিয়া বিজেপিৰ দোষৰ বাবে ভাৰতৰ ভাবমূৰ্তি বিনষ্ট হৈছে। কাটাৰ, কুৱেইট, ইৰাণ, ডুবাই আদিত ভাৰতীয় ব্যৱসায়ী হাৰাশাস্তিৰ সন্মুখীন হোৱা বুলি অভিযোগ উঠিছে। দেশৰ ভিতৰতো যদিহে কিবা কূটাঘাত সংঘটিত হয় তাৰ বাবে প্ৰধান আৰু মূল দায়ী হ'ব বিজেপি দল আৰু চৰকাৰ। দেশৰ সাধাৰণ জনতাক বলিৰ পঠা সজাই ৰাজনৈতিক লাভালাভৰ বাবে বিজেপিয়ে চলোৱা বিভেদৰ ৰাজনীতিৰ বাবেই দেশবাসী শংকিত হোৱা বুলি শিৱসেনাৰ নেতাজনে ব্যক্ত কৰিছে। প্ৰণিধানযোগ্য এয়ে যে বিজেপিয়ে দুটা ধৰ্মৰ মাজত সংঘাত বিচাৰিছে। কিন্তু সাধাৰণ ৰাইজে বিচৰা নাই। গতিকে এনে সংঘাতৰ সূত্ৰপাত হ'লে পোনপটীয়াকৈ বিজেপি দল জগৰীয়া হ'ব।




*এক অকল্পনীয় সুবাদ ঃ বেইজিঙে প্ৰশংসা কৰিলে ভাৰতক, ক'ভিড সংক্ৰমণৰ সময়ত ভাৰতে শ্ৰীলংকা আৰু অন্যান্য দেশসমূহক ভেকচিন, চিকিৎসা সামগ্ৰী যোগান ধৰাৰ বাবে প্ৰথমবাৰলৈ চীনৰ চৰকাৰে ভাৰতক শলাগিলে*

# চাংসাৰিস্থিত নিৰ্মীয়মাণ এইমছৰ ৭ম মহলাৰ পৰা পৰি চিকিৎসকৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ৯ জুন ঃ** কামৰূপ জিলাৰ চাংসাৰিস্থিত এইমছৰ নিৰ্মীয়মান চৌহদত কালি বুধবাৰে এক শোকাবহ ৰহস্যজনক দুৰ্ঘটনা সংঘটিত হয় । নিৰ্মীয়মান এইমছৰ ৭ মহলীয়া অট্টালিকাৰ পৰা ৰহস্যজনকভাৱে তললৈ পৰি মৃত্যু হয় এগৰাকী অসমীয়া চিকিৎসকৰ। মৃত চিকিৎসকজনৰ নাম ডাঃ ফল্গু প্ৰতীম দাস ওৰফে ঋষি বুলি জানিব পৰা গৈছে । জানিব পৰা মতে তেওঁ ফাৰ্মাক'লজী বিভাগৰ জ্যেষ্ঠ চিকিৎসক তথা ফেকাল্টী আছিল ।ৰাষ্ট্ৰীয় পৰ্যায়ৰ চিকিৎসা প্ৰতিষ্ঠানখনৰ এগৰাকী জ্যেষ্ঠ অসমীয়া চিকিৎসকে এনেদৰে অকাল মৃত্যুক সাবটি লোৱা ঘটনাই গভীৰ ৰহস্যৰ সৃষ্টি কৰাৰ উপৰি সমগ্ৰ অঞ্চলটোত যথেষ্ট চাঞ্চল্যৰো সৃষ্টি কৰিছে ।প্ৰাপ্ত খবৰ মতে, গুৱাহাটী মহানগৰীৰ গীতানগৰ থানাৰ অন্তৰ্গত অম্বিকাগিৰী নগৰৰ সমীপৰ মিলন পথৰ জ্যোতিশিখা ফ্লেট নম্বৰ ৩ বিৰ বাসিন্দা আছিল ডাঃ ফল্গু প্ৰতীম দাস। চাংসাৰিস্হিত এইমছৰ নিৰ্মাণকাৰ্য এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই যদিও ইতিমধ্যে শিক্ষাৰ্থীৰ বাবে হোষ্টেল মুকলি কৰাৰ লগতে প্ৰথম, দ্বিতীয় ছেমিষ্টাৰৰ পাঠদান কাৰ্যও মুকলি কৰা হৈছে। উল্লেখ্য যে অসমীয়া



চিকিৎসক গৰাকীও আছিল এইমছৰ ফেকাল্টী। খবৰ অনুসৰি কালি দিনৰ ১১, ৩০ মান বজাত এইমছৰ চিকিৎসকৰ কোৱাৰ্টাৰৰ বাবে প্ৰায় সাজু হৈ উঠা এটা সাত মহলীয়া অট্টালিকাৰ পৰা পৰি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাত চিকিৎসক ফল্গু প্ৰতীমক ততালিকে উত্তৰ গুৱাহাটীৰ জি এন আৰ চি হাস্পতালত ভৰ্তি কৰায় যদিও কিছু সময় পিছতে তেওঁ মৃত্যুক আঁকোৱালি লবলগীয়া হয়। কালিৰ এই ঘটনাৰ পিছতে চিকিৎসালয়খনৰ লগতে সমগ্ৰ অঞ্চলটোত যথেষ্ট চাঞ্চল্যৰ সৃষ্টি হৈছে। এই অট্টালিকাটোলৈ চিকিৎসকজন কিয় গৈছিল, কিবা ষড়যন্ত্ৰৰ বলি হল নেকি চিকিৎসকজন , ইয়াক লৈও সন্দেহ প্ৰকাশ কৰিছে একাংশই । কাৰণ জানিব পৰা মতে সেই সময়ত অট্টালিকাটোত কোনো নাছিল। আনহাতে, সপ্তম মহলাৰ ছেভ গাৰ্ডলৈ লক্ষ্য কৰিলেও তাৰ পৰা পৰি যোৱাৰ সম্ভাৱনা বহুত কম। এনে পৰিপেক্ষিতত একাংশই এয়া আত্মহনন নাইবা হত্যা বুলি বুলি সন্দেহ প্ৰকাশ কৰিছে যদিও মৰণোত্তৰ পৰীক্ষা নহালৈকে প্ৰকৃত সত্য উদ্ধাৰ নহয়। কালিৰ এই ঘটনাৰ পিছত চাংসাৰি আৰক্ষীয়েও বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰি তদন্ত আৰম্ভ কৰিছে। আৰক্ষীৰ তদন্তৰ পিছত এয়া হত্যা, দুৰ্ঘটনা নে আত্মহত্যা এই সকলোবোৰ স্পষ্ট হ'ব বুলি আশা প্ৰকাশ কৰিছে সকলোৱে। উল্লেখ্য যে নিৰ্মাণকাৰ্যৰ প্ৰায় ৯০ শতাংশ কাম সম্পন্ন হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ চিকিৎসালয়খন চলিত বছৰতে ৰোগীৰ বাবে মুকলি হোৱাৰ কথা।

# কোকৰাঝাৰ জিলাত চলি আছে আধাৰ কাৰ্ডত নামভৰ্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ৯ জুন ঃ** কোকৰাঝাৰ জিলাৰ বিভিন্ন আধাৰ কেন্দ্ৰত বৰ্তমান আধাৰ কাৰ্ডৰ নামভৰ্তি প্ৰক্ৰিয়া চলি আছে। কোকৰাঝাৰৰ উপায়ুক্ত বৰ্ণালী ডেকাই এতিয়ালৈকে যি সকলে আধাৰৰ বনোৱা নাই তেওঁলোকক তেওঁলোকৰ ওচৰৰ আধাৰ কেন্দ্ৰত আধাৰ কাৰ্ডৰ বাবে নামভৰ্তি কৰিবলৈ আহ্বান জনায়ছে। আধাৰ ভাৰপ্ৰাপ্ত অতিৰিক্ত উপায়ুক্তয়ে জনোৱা মতে, জিলাত বৰ্তমান ৩৩টা আধাৰ নামভৰ্তি কেন্দ্ৰ সক্ৰিয় কৰা হৈছে আৰু শীঘ্ৰেই আধাৰ কেন্দ্ৰৰ আন ১৭ টা সক্ৰিয় কৰা হ'ব। উল্লেখযোগ্য যে যিকোনো চৰকাৰী লেনদেনৰ বাবে আৰু চৰকাৰী আঁচনিৰ সুবিধা লাভৰ বাবে আধাৰ এক অতি গুৰুত্বপূৰ্ণ নথিত পৰিণত হৈছে। আধাৰ কাৰ্ড নামভৰ্তিৰ বাবে সকলোৱে নিজৰ ভোটাৰ কাৰ্ড, পেন কাৰ্ড, বেংক পাছবুক, জন্মৰ প্ৰমাণ পত্ৰ আদি পৰিচয় আৰু বাসস্থানযঠিকনাৰ প্ৰমাণ হিচাপে লৈ আহিব লাগিব।

# লাকুৱাত কৰ ফাঁকিৰে ৰে'লেৰে বহিঃৰাজ্যলৈ প্ৰেৰণ কয়লা

## অব্যাহত আছে কয়লাৰ ছিণ্ডিকেট



**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৯ জুন ঃ** ৰাজ্যৰ শাসনাধীস্থ বি জে পি চৰকাৰে ৰাজ্যখনৰ পৰা চিণ্ডিকেট নিৰ্মূলৰ কথা কলেও ৰাজ্যখনত বৰ্তমানেও অব্যাহত আছে কয়লাৰ চিণ্ডিকেট। বিশেষকৈ লাকুৱা ৰেল ষ্টেচনত ৰেক স্থাপন কৰি বহিঃৰাজ্যলৈ শ শ টন কয়লা সৰবৰাহ কৰি আহিছে এটা ব্যক্তিগত কোম্পানীয়ে। ঝাৰখণ্ডৰ মেচাৰ্চ আটিমৰাজ প্ৰাইভেট লিমিটেড নামৰ প্ৰতিষ্ঠানটোৱে লাকুৱা ৰেল ষ্টেচনৰ পৰা বহিঃৰাজ্যলৈ কয়লা সৰবৰাহ কৰাৰ আঁৰত গঢ় লৈ উঠিছে এটা বিশেষ চক্ৰ। চুবুৰীয়া ৰাজ্য নগালেণ্ডৰ পৰা ডাম্পাৰেৰে লাকুৱা ৰেল ষ্টেচনত জমা কৰা কয়লা বহিঃৰাজ্যলৈ প্ৰেৰণ কৰা হয় ৰেলৰ মাধ্যমেৰে। ৰেলত তোলা প্ৰতি টন কয়লাৰ বাবদ এই চক্ৰটোৱে চাৰিশৰ পৰা পাঁচশ টকা পৰ্যন্ত কৰ সংগ্ৰহ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। আনহাতে ঝাৰখণ্ডৰ মেচাৰ্চ আটিমৰাজ প্ৰাইভেট লিমিটেড নামৰ প্ৰতিষ্ঠানটোৱে চুবুৰীয়া ৰাজ্য নগালেণ্ডৰ মোককচাং এনাকিৰ পৰা অনা কয়লা উক্ত ৰেকযোগে সৰবৰাহ কৰাৰ অনুমতি লাভ কৰিছে যদিও প্ৰতিষ্ঠানটোৱে অধিক মুনাফা আদায় কৰাৰ লালসাত নগালেণ্ডৰ নাগিনীমৰাৰ পৰা অনা কয়লা ৰেকযোগে সৰবৰাহ কৰি আহিছে। যিহেতু নগালেণ্ডৰ মোককচাং এনাকিতকৈ নাগিনীমৰাৰ পৰা লাকুৱাৰ দূৰত্ব কম হোৱাত এই পন্থা হাতত লৈছে প্ৰতিষ্ঠানটোৰ লগতে চিণ্ডিকেট চক্ৰটোৱে। মুঠৰ ওপৰত চৰকাৰী নীতি নিৰ্দেশনাকো কেৰেপ নকৰি চিণ্ডিকেট চক্ৰটোৰ আশীষধন্য হৈ বহিৰাজ্য ঝাৰখণ্ডৰ মেচাৰ্চ আটিমৰাজ প্ৰাইভেট লিমিটেড নামৰ ব্যক্তিগত ব্যৱসায়ীক প্ৰতিষ্ঠানটোৱে লাকুৱা ৰেল ষ্টেচনত ৰেক স্থাপন কৰি বৃহৎ মুনাফা আদায় কৰিবলৈ সক্ষম হৈছে। ইপিনে এই সমস্ত ব্যৱসায়ৰ পৰা চিণ্ডিকেটৰ নামত লাখ লাখ টকা সংগ্ৰহ কৰা এই বিশেষ চক্ৰটোত একাধিক কয়লা ব্যৱসায়ীৰ লগতে আলোচনাপন্থী আলফা নেতাৰ লগতে কেইবাটাও দল সংগঠনৰ একাংশ নেতা জড়িত থকা বুলি সৰ্বত্ৰে চৰ্চা চলিছে। যিহেতু এবাৰত ৰেলযোগে প্ৰতিষ্ঠানটোৱে প্ৰায় ২৫ শ টন কয়লা ৰেকটোৰ পৰা ৰেলযোগে বহিঃৰাজ্যলৈ প্ৰেৰণ কৰে। ফলশ্ৰুতিত প্ৰতি টন কয়লাৰ বাবদ চাৰিৰ পৰা পাঁচশ টকাকৈ সংগ্ৰহ কৰি লাখ লাখ টকা আদায় কৰিছে চিণ্ডিকেট চক্ৰটোৱে। কেৱল চুবুৰীয়া ৰাজ্য নগালেণ্ডৰ মন জিলাৰ নাগিনীমৰাৰ পৰা নহয় বৰঞ্চ চক্ৰটোৰ আশীৰ্বাদত বহিঃৰাজ্যৰ ব্যৱসায়ীক প্ৰতিষ্ঠানটোৱে নিকটৱৰ্তী নিমনাগড়ৰ পৰাও অনা কয়লা যাৱতীয় নথি পত্ৰৰ যোগেদি উক্ত কয়লা নগালেণ্ডৰ মোককচাঙৰ বুলি প্ৰতিপন্ন কৰি বহিঃৰাজ্যলৈ প্ৰেৰণ কৰা বুলি এক সূত্ৰই জানিবলৈ দিছে। ইয়াৰ উপৰিও সঘনে চলাচল কৰা কয়লা পৰিবাহী গধুৰ যান বাহনে লাকুৱাৰ ৰাজপথলৈ ভাবুকি কঢ়িয়াই অনা বুলি অভিযোগ তুলিছে স্থানীয় ৰাইজে।

# ৰাজ্যিক মাষ্টাৰ্ছ এথলেটিকছত শুৱালকুছিৰ খেলুৱৈৰ সাফল্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ৯ জুন ঃ** অসম এথলেটিকচ্ সন্থাৰ উদ্যোগত গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত সদ্যসমাপ্ত প্ৰথম বাৰ্ষিক ৰাজ্যিক মুকলি মাষ্টাৰছ এথলেটিকচ্ প্ৰতিযোগিতাত কামৰূপ জিলাক প্ৰতিনিধিত্ব কৰি শুৱালকুছিৰ কিশোৰ কুমাৰ দাসে সাফল্য বুটলিবলৈ সক্ষম হয়। ৩৫ বছৰ উৰ্ধ্বৰ শাখাত চটপুত আৰু জেভলিন থ্ৰ'ত ৰূপৰ পদক অৰ্জন কৰে কিশোৰ কুমাৰ দাসে। খেলুৱৈগৰাকীৰ এই সাফল্যৰ বাবে শুৱালকুছিবাসীয়ে শুভেচ্ছা জনোৱাৰ লগতে স্পোৰ্টছ একাডেমী অফ শুৱালকুছিৰ তৰফৰ পৰা খেলুৱৈগৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰে। পদক লাভেৰে সুনাম কঢ়িয়াই অনা খেলুৱৈগৰাকীয়ে অহা ১৬-১৯জুনত গুজৰাটৰ বদোদ্ৰাত ভাৰতীয় এথলেটিকচ্ ফেডাৰচনৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় মাষ্টাৰছ এথলেটিকচ্ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব।





*গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত নাগৰিকৰ সচেতনামূলক 'চাইবাৰ ছেফটি এণ্ড নেচনেল ছিকিউৰিটী' সন্দৰ্ভত নাট প্ৰদৰ্শন কৰিছে অসম পুলিচৰ একাংশ শিল্পীয়ে*

# নগাঁৱত গাঞ্জা-ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৯ জুন ঃ** নগাঁৱৰ হয়বৰগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া তৰংগ পাটোৱাৰীৰ আৰু উপ-পৰিদৰ্শক বিচিন্তা বড়োৰ নেতৃত্বত আৰক্ষীৰ এটা দলে কালি নিশা নগাঁও চহৰৰ পাৰ্শ্ববৰ্তী বৰভেটিত অভিযান চলাই এটা গাঞ্জা সৰবৰাহকাৰীৰ লগতে দুই ড্ৰাগছ সৰবৰাহকাৰীক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। অঞ্চলটোৰ ৰাইজৰ পোৱা তথ্যৰ ভিত্তিত আৰক্ষীয়ে কৰায়ত্ত কৰা গাঞ্জা সৰবৰাহকাৰীটো হৈছে আবুল হুছেইন(৩০)। আৰক্ষীয়ে ধৃত গাঞ্জা সৰবৰাহকাৰীটোৰ জিম্মাৰ পৰা ৪২০ গ্ৰাম গাঞ্জা জব্দ কৰে ।ইপিনে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ড্ৰাগছ সৰবৰাহকাৰী দুটা হৈছে ইছলামপট্টিৰ ইজাজ শ্বেখ(২৮) আৰু ৰেকিব হুছেইন (২৪)। আৰক্ষীয়ে ধৃত ড্ৰাগছ সৰবৰাহকাৰী দুটাৰ জিম্মাৰ পৰা চাৰিটা কন্টেনাৰ সহ কিছু হেৰ'ইন জব্দ কৰে ।

# দৰিদ্ৰতাক নেওচি ডিষ্টিংচনসহ প্ৰথম বিভাগত উজলিল বাক্সাৰ কুমগুৰিৰ অতি দুখীয়া পৰিয়ালৰ পিতৃহীন জ্যোতিষ্কৈ দাস

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ৯ জুন ঃ** আৰ্থিক দৈন্য যে প্ৰতিভা বিকাশৰ হেঙাৰ হব নোৱাৰে সেই কথাকেই প্ৰতিপন্ন কৰি সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ডিষ্টিংচন সহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ উজ্জ্বলি উঠিল বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত কুমগুৰীৰ প্ৰয়াত মাধৱ দাস আৰু অঞ্জুমনি দাসৰ পুত্ৰ অতি দুখীয়া পৰিয়ালৰ ছাত্ৰ জোতিস্ক দাসে । এবছৰ পুৰ্বে পিতৃৰ বিয়োগ হোৱা জ্যোতিস্কৰ মাতৃয়ে পথাৰত ৰুৱা ৰুই , দিনহাজিৰা কৰাৰ লগতে কণ কণ ছাত্ৰ-ছাত্ৰীক টিউচন কৰি পৰিয়াল পোহ পাল দি আহিছে দুই পুত্ৰক । গিৰিশ বিদ্যাপীঠ বিশেষ হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ ইংৰাজীত ৯৭ , অসমীয়াত ৯১ ,সাধাৰণ বিজ্ঞান ৮৪, উচ্চ গনিত ৮৯ , সমাজ বিজ্ঞান ৯০ নম্বৰেৰে লেটাৰ নম্বৰসহ ডিষ্টিংচন লৈ সৰ্বমুঠ ৫২৬ নম্বৰ লাভ কৰি প্ৰথম বিভাগত উতীৰ্ণ হয় । জোতিস্ক দাসৰ সফলতাত গাওঁবাসীৰ লগতে বিদ্যালয়খনত আনন্দৰ বন্যা বয়।

# গোসাঁইগাঁৱত দুৰ্ঘটনাত পতিত শিক্ষক সংকটজনক অৱস্থাত চিকিৎসাধীন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ৯ জুন ঃ** গোসাঁইগাঁও সদৰ চহৰৰ তিনিআলি নিবাসী প্ৰয়াত শান্তি ৰাম পাঠকৰ চতুৰ্থ পুত্ৰ তথা গোসাঁইগাঁওস্থিত শংকৰদেৱ বিদ্যা নিকেতনৰ জ্যেষ্ঠ আচাৰ্য কৰুণা কান্ত পাঠকে পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ সম্প্ৰতি গুৱাহাটীৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। জানিব পৰা মতে কালি সন্ধিয়া পাঠকে তেওঁৰ বাইকখনেৰে চহৰখনৰ টিপি পথত অৱস্থিত ইউকো বেঙ্কৰ গোসাঁইগাঁও শাখাত থকা এটিএমলৈ আহে ধন উলিওৱাৰ উদ্দ্যেশে। এটিএমৰ পৰা ধন উলিয়াই পাঠকে গৃহ অভিমুখে অগ্ৰসৰ হোৱাৰ সময়তে বাইকৰ আগেদি এজন মানসিক বিকাৰগ্ৰস্ত লোক দৌৰি পাৰ হৈ যাব ধৰোতে লোকজনক সম্ভাব্য দুৰ্ঘটনাৰ পৰা ৰক্ষা কৰিবলৈ গৈ পাঠক নিজেই বাইক সহ দুৰ্ঘটনাত পতিত হয় আৰু ভৰি,ঞ্জ বুকু আৰু মূৰত গুৰুতৰ আঘাত পায়। দুৰ্ঘটনাৰ খবৰ লাভ কৰা মাত্ৰকে পৰিয়ালৰ লোক আহি স্থানীয় লোকৰ সহযোগত পাঠকক ততাঁতৈয়াকৈ গোসাঁইগাঁৱৰ আৰএনবি অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও তাৰ পৰা তেওঁক বঙাইগাঁৱৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়লৈ স্থানান্তৰ কৰা হয়। তেওঁৰ আঘাত গুৰুতৰ হোৱা বাবে পিছত তেওঁক বঙাইগাওঁৰ পৰা পুনৰ উন্নত চিকিৎসাৰ বাবে গুৱাহাটীস্থিত এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়লৈ নি সম্প্ৰতি তাতে চিকিৎসা প্ৰদান কৰি থকা হৈছে বুলি পৰিয়ালৰ সুত্ৰে জানিব পৰা গৈছে। উল্লেখযোগ্য যে গোসাঁইগাঁও চহৰৰ বিভিন্ন স্থানত মানসিক বিকাৰগ্ৰস্ত লোকৰ সংখ্যা দিনক দিনে বৃদ্ধি পাই আহিছে। ইয়াৰে দুই এজন স্থানীয় যদিও বেছি ভাগেই ক'ৰ পৰা আহি থিতাপি লৈছে তাৰ খবৰ ৰাখোঁতা কোনো নাই। এই মানসিক বিকাৰগ্ৰস্ত লোকসকলে অদ্ভুত বেশভূষাৰে প্ৰায়েই চহৰখনৰ ইমূৰৰ পৰা সিমূৰলৈ উদ্দেশ্যবিহীন ভাৱে ঘূৰি ফুৰাৰ লগতে দুই এটাই মাজে সময়ে তাণ্ডৱৰ সৃষ্টি কৰি বিশেষ কৈ মহিলা আৰু শিশু পথচাৰীৰ মাজত আতংকৰ সৃষ্টি কৰা এক নিয়মীয়া ঘটনা হৈছে। ৰাইজে এই সকলক বিতাড়িত কৰাৰ বাবে নাইবা পগলা ফাটেকলৈ প্ৰেৰণ কৰাৰ বাবে সংশ্লিষ্ট পক্ষক অনুৰোধ জনাইছে।

## কুমাৰীকাটাৰ দৰিদ্ৰ পৰিয়ালৰ মেধাৱী ছাত্ৰ দীপক বড়োৰ ঘৰত এবছুৰ সভাপতি দ্বিপেন বড়ো

# দীপকৰ নামভৰ্তিকে ধৰি সকলো খৰচ বহন কৰিব এবছুৱে

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৯ জুন ঃ** আৰ্থিক দৈন্যকো নেওচি সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৯৭ক্ষ (মুঠ ৫৮২) নম্বৰ লাভ কৰি নিজৰ



লগতে বিদ্যালয় আৰু অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হোৱা তামুলপুৰ জিলাৰ ভাৰত- ভূটান সীমান্তৱৰ্তী কুমাৰীকাটাৰ নিকটৱৰ্তী আঙাৰকাটা মটঙাপাৰ গাওঁৰ মেধাৱী ছাত্ৰ দীপক বড়োৰ ঘৰলৈ আজি হঠাৎ আহি উপস্থিত হয় নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দ্বীপেন বড়ো। ।বড়ো মাতৃ ভাষাৰ বিদ্যালয় কুমাৰীকাটা ইউ এন একাডেমীৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হৈ তেওঁ আটাইকেইটা বিষয়তে লেটাৰ নম্বৰসহ ৯৭ শতাংশ নম্বৰ লাভ কৰি (সৰ্বমুঠ ৫৮২ নম্বৰ ) উত্তীৰ্ণ হয় । তেওঁৰ নম্বৰ তালিকাখন মাতৃভাষা (বড়ো) ৯৭, ইংৰাজীত ৯৭, গণিতত ১০০, সাধাৰণ বিজ্ঞানত ৯৫,সমাজ বিজ্ঞানত ১০০ আৰু উচ্চ গণিতত ৯৭। মাত্ৰ ছয় নম্বৰৰ বাবে দীপক বড়োৱে প্ৰথম দহটা স্থান অধিকাৰ কৰাৰ পৰা বঞ্চিত হ'ব লগা হয় । তথাপি দীপকৰ এনে সফলতাই স্বাভাৱিকতেই আনন্দৰ ঢল বোৱাই আনিছে বৃহত্তৰ কুমাৰীকাটা অঞ্চলৰ লগতে দীপকৰ জন্ম গাঁও মটঙাপাৰলৈ । আজি দীপক বড়োৰ ঘৰত উপস্থিত হৈ তেওঁ দীপকক মৰম, শুভেচ্ছা আৰু সম্বৰ্ধনা জ্ঞাপন কৰাই নহয় দীপকৰ পিতৃ-মাতৃকো ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পিছত তেওঁ দীপকে অধ্যয়ন কৰা কুমাৰীকাটাৰ ইউ এন একাডেমী লৈ গৈ শিক্ষক-শিক্ষয়িত্ৰী আৰু বিদ্যালয় কৰ্তৃপক্ষক শুভেচ্ছা জনোৱাৰ উপৰিও তেওঁলোকৰ সতে কিছুসময় মতবিনিময় কৰে। ইয়াৰ পিছতে সাংবাদিকৰে হোৱা বাৰ্তালাপত তেওঁ কয় এইটো এটা সহজ ফলাফল নাছিল কিয়নো ছেবাই যি শীৰ্ষৰ দহটা স্থান ঘোষণা কৰিছিল তাত সৰ্বোচ্চ ৯৯.৫ শতাংশ আৰু সৰ্বনিম্ন আছিল ৯৮শতাংশ। কেতিয়াবা এই ফলাফল শতাংশ হিচাপত বঢ়া-টুটাও হয় যদিও এইবাৰ বৃদ্ধি হৈছে। আমাৰ দীপক বড়োই কোনো টিউচন আদি নোলোৱাকৈ শিক্ষক-শিক্ষয়িত্ৰী য়ে যি পঢ়াইছিল তাকে আধাৰ কৰি লৈ সম্পূৰ্ণ নিজা প্ৰচেষ্টাৰে অতি কষ্টেৰে এইখিনি ফলাফল কৰিবলৈ সক্ষম হৈছে ,তাৰবাবে মই অতিশয় গৌৰব অনুভৱ কৰিছোঁ। তেওঁৰ ঘৰলৈ আহি মই প্ৰত্যক্ষ কৰিছোঁ তেওঁ অতি দৰিদ্ৰ পৰিয়ালৰ সন্তান, দেউতাক মাকে দিন হাজিৰা কৰি অতি কষ্টেৰে তেওঁক পঢ়াইছে। দীপকে বড়ো মাধ্যমৰ আটাইতকৈ বেছি ৯৭ শতাংশ লৈ উত্তীৰ্ণ হৈছে। এবছুৱে বিগত ১৫ টা বছৰে অহৰহভাৱে কেৰিয়াৰ কাউঞ্চেলিং, ছাত্ৰ-ছাত্ৰী ক মটিভেশ্বনেল প্ৰগ্ৰেম আদি গুণগত শিক্ষা ৰ বাবে যি প্ৰচেষ্টা চলাই আহিছে তাৰ এয়া সুফল বুলিও তেওঁ মন্তব্য কৰে। এবছুৱে লৰ দীপকৰ নামভৰ্তিৰ দায়িত্বঃ—এবছুৱে প্ৰতিবছৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰেৰে উত্তীৰ্ণ প্ৰথম দহজনক শিক্ষাবিদ,সাহিত্যিক কমল ব্ৰহ্মৰ নামত বটা প্ৰদান কৰি সম্বৰ্ধনা দি আহিছে ।এইবেলিও চিৰাং জিলাৰ বেংতলত অহা ১৪জুনত সম্বৰ্ধনা সভাৰ আয়োজন কৰা হৈছে। ইয়াত দীপক বড়োৱে ১ম স্থান পাবলৈ সক্ষম হোৱা বুলি তেওঁ সদৰি কৰে। দীপকৰ নামভৰ্তি ৰ সকলো খৰচ এবছুৱে বহণ কৰিব বুলিও নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি গৰাকীয়ে সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

# পুনৰ নাবালিকাক যৌন নিৰ্যাতন চলোৱা গোচৰৰ চূড়ান্ত ৰায় দান কৰে গোৱালপাৰা আদালতে

**দৈনন্দিন বাৰ্তাৰ সেৱা গোৱালপাৰা, ৯ জুন ঃ** যোৱা ২৩য০৯য২০১৫ ইং তাৰিখে গোৱালপাৰা চহৰৰ মিলন নগৰত সংগঠিত এজন ৫৫ বছৰীয়া পুৰুষে ঘৰৰ ওচৰৰ ছয় বছৰীয়া নাবালিকা ছোৱালীক নিজ ঘৰত মাতি নি অশ্লীল ভিডিও দেখাই যৌন নিৰ্যাতন চলোৱা গোচৰৰ চূড়ান্ত ৰায় দান কৰে গোৱালপাৰা বিশেষ আদালতৰ বিচাৰক শৰ্মিলা ভূঞা ৰ আদালতে। অধিবক্তা সঞ্জয় শৰ্মা জানিব দিয়া মতে নওসাদ আলী নামৰ আচামী জনক posco আইনৰ ১০ নং ধাৰাত দোষী সাব্যস্ত কৰি নওসাদ আলীক ৭ বছৰৰ বাবে শ্ৰম কাৰাদণ্ড দিয়ে আৰু ২০,০০০ (বিশ হাজাৰ) টকাৰ জৰিমনাৰ নিৰ্দেশ দিয়ে । যদি জৰিমনা নিদিয়ে তেতিয়াহলে অতিৰিক্ত ১ বছৰৰ কাৰাবাসৰ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে গোচৰটো ভুক্তভোগী তথা চৰকাৰী পক্ষৰ হৈ চলায় বুলি জানিব পৰা গৈছে, গোচৰ টো আছিল গোৱালপাৰা জিলা সদৰ থানাৰ,গোচৰ নম্বৰ 605য15, এই জঘন্য ঘটনাৰ গোচৰটো অতি গুৰুত্ব সহকাৰে আদালতত যুক্তি দৰ্শাই ছিল অধিবক্তা সঞ্জয় শৰ্মাই।

# নৱম আৰু দশম স্থান দখলেৰে মৰিগাঁও জিলালৈ গৌৰৱ কঢ়িয়াই আনিলে বিদিশা আৰু কৌস্তৱ জ্যোতিয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ৯ জুন ঃ** মঙ্গলবাৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণাৰ পাছৰেপৰা ৰাতিলৈকে বিভিন্ন দল সংগঠনৰ উপৰিও শুভাকাংশীসকলে মৰিগাঁও জিলালৈ গৌৰৱ কঢ়িয়াই অনা নৱম স্থান প্ৰাপ্ত চৰাইবাহী শংকৰদেৱ বিদ্যা নিকেতনৰ ছাত্ৰী বিদিশা নাথ আৰু দশম স্থান প্ৰাপ্ত মৰিগাঁও শংকৰদেৱ বিদ্যা নিকেতনৰ ছাত্ৰ কৌস্তৱ জ্যোতি নাথক শুভেচ্ছা, সম্বৰ্দ্ধনা ও অভিনন্দন জ্ঞাপন কৰিবলৈ তেওঁ লোকৰ বাসগৃহত যথেষ্ট ভিৰ পৰিলক্ষিত হয়। সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থা,সদৌ অসম নাথ যোগী ছাত্ৰ সন্থাৰ বিষয় ববীয়া সকলকে আদি কৰি দিনৰ ভাগত বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে শুভেচ্ছাৰ লগতে সম্বৰ্দ্ধনা জনোৱা দেখিবলৈ পোৱা যায়। পুৱাৰ ভাগত বিদিশা নাথক লৈ বৃহত্তৰ চৰাইবাহী অঞ্চলৰ ৰাইজে শোভাযাত্ৰা উলিওৱাৰ সমান্তৰালকৈ কৌস্তভ জ্যোতি নাথক লৈও মৰিগাঁও চহৰৰ মাজমজিয়াত বৃহৎ সমদল উলিয়ায়। এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত শীৰ্ষ দহটা স্থানৰ ভিতৰত নাথ যোগী জনগোষ্ঠীৰ পৰা চাৰিজনকৈ ছাত্ৰ-ছাত্ৰীয়ে স্থান লাভ কৰাত জনগোষ্ঠীটোৰ ৰাইজৰ মাজত এক আনন্দৰ লহৰ উঠিছে। বিশেষকৈ সন্ধিয়া ভাগত সদৌ অসম নাথ যোগী যুৱ পৰিষদৰ সভাপতি নিত্যানন্দ কাকতি, সম্পাদক বলিন্দ্ৰ কুমাৰ নাথ, উপ-সভাপতি নিপন নাথ, যুটীয়া সম্পাদক ভৰত কুমাৰ নাথ,সাংগঠনিক সম্পাদক দ্বীজু নাথ,নাথ যোগী সেৱা বাহিনীৰ নায়ক নিৰঞ্জন নাথ, মৰিগাঁও জিলা সমিতিৰ সভাপতি বিপ্ৰ নাথ লগতে মৰিগাঁও জিলা যোগী সন্মিলনীৰ সভাপতি সোমেশ্বৰ নাথ, কাৰ্যকৰী সভাপতি পবিত্ৰ কুমাৰ নাথ, সম্পাদক হেমন্ত কুমাৰ নাথ, যুটীয়া সম্পাদক নিতুমনি নাথকে প্ৰমুখ্যে কৰি নেতৃবৃন্দই দুয়োগৰাকী ছাত্ৰ-ছাত্ৰীকে একোখনকৈ ফুলাম গামোচাৰে আদৰণি জনায়। আনহাতে সন্ধিয়া ভাগতেই মৰিগাঁও জিলাৰ উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াই অতিৰিক্ত উপায়ুক্ত ৰিংখাং মুছাহাৰীক লগত লৈ ছাত্ৰ ছাত্ৰী দুয়োগৰাকীকে জিলা প্ৰশাসনৰ তৰফৰপৰা গামোচা আৰু এখন শৰাইৰে সম্বৰ্দ্ধনা জনায়



*শ্ৰীশ্ৰীবদলা পদ্ম আতাৰ ৪৭৬সংখ্যক জন্ম জয়ন্তী উপলক্ষে পৰম্পৰাগত নৃত্য পৰিৱেশন, মাজুলীত*

# ৰাজপত্ৰিক বিষয়া বিশ্বজিৎ গোস্বামীৰ মৃত্যুত দেওমৰনৈত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেওমৰনৈ, ৯ জুন ঃ** দেওমৰনৈ খাৰখোৱাপাৰা গাঁৱৰ ৰাইকাবাৰী চুবুৰী নিবাসী অসম প্ৰশাসনিক সেৱাৰ এগৰাকী ৰাজপত্ৰিক বিষয়া বিশ্বজিৎ গোস্বামীৰ ৫৮ বছৰ বয়সত আজি পুৱা নিজ বাসগৃহত মৃত্যু হয়। বিগত কিছুদিন ধৰি মধুমেহ ৰোগত আক্ৰান্ত হৈ থকা গোস্বামী টংলাৰ কৰ বিষয়া হিচাপে কৰ্মৰত আছিল । দেওমৰনৈ অঞ্চলৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত সততে জড়িত হৈ থকা বিশ্বজিৎ গোস্বামীয়ে মৃত্যুৰ সময়ত মাতৃ ,ভাই ,বোৱাৰী ,ভতিজা ৰ লগতে আত্মীয় স্বজনক এৰি যায়। গোস্বামীৰ মৃত্যুত দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থা,দেওমৰনৈ মহাবিদ্যালয় (কনিষ্ঠ) দেওমৰনৈ স্নাতক মহাবিদ্যালয়, দেওমৰনৈ দুৰ্গা মন্দিৰ পৰিচালনা সমিতি,ৰাইকাবাৰী গ্ৰামোন্নয়ন সংঘ ,দেওমৰনৈ বনিক সন্থা,দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়,দেওমৰনৈ ছোৱালী হাইস্কুল,দেওমৰনৈ ক্ৰীড়া সন্থা,দেওমৰনৈ বি.এড মহাবিদ্যালয়, বৃহত্তৰ দেওমৰনৈ সাংবাদিক সন্থা,দেওমৰনৈ সাহিত্য সভাৰ লগতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান,দল সংগঠনৰ লগতে ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশী,অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মা,সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়া আদিয়ে গভীৰ শোক প্ৰকাশ কৰে।

# শিৱসাগৰৰ জয়সাগৰস্থিত ৰংপুৰ জলক্ৰীড়া সন্থাৰ ২১সংখ্যক প্ৰতিষ্ঠা দিৱস

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৯ জুন ঃ** জয়সাগৰৰ কেইজনমান সমাজ সচেতন তথা ক্ৰীড়াপ্ৰেমী ব্যক্তিৰ প্ৰচেষ্টাত ২০০২-চনত প্ৰাণ পাই উঠিছিল এটা ছুইমিং পুলে ।নাম ৰংপুৰ জল ক্ৰীড়া সন্থা ।প্ৰথম অৱস্থাত কোনো ধৰণৰ বিশেষ সুবিধা নথকাকৈয়ে মাত্ৰ এমুঠিমান মানুহ একত্ৰিত হৈ অৰ্জুন ভোগেশ্বৰ বৰুৱাক মাৰ্ক দৰ্শক হিচাবে লৈ আগবাঢ়িছিল এছিয়া বিখ্যাত জয়সাগৰ পুখুৰীৰ পাৰত অৱস্হিত মীন বিভাগৰ কাৰ্যালয়ৰ কাষৰে এটা সৰু কেঁচা মাটিৰ পুখুৰীত। কিন্তু, মাটিৰ পুলটো বোকাময় হৈ পৰাৰ বাবে অনুশীলনৰ অনুপযোগী হৈ উঠিছিল পুলটো । সময় বাগৰিল লাহে লাহে ৰংপুৰ জলক্ৰীয়া সন্থাৰ লগত জড়িত হৈ পৰিল বহু লোক । পুলৰ শুভাকাংশী সকলৰ প্ৰচেষ্টাত দান বৰঙনিৰে পুলটো পকী হৈ উঠিল যদিও ই আজিও তেওঁলোকৰ নিজা ভূমি নাই ।চাওঁতে চাওঁতে ২০২২ চনৰ ৭ জুন দিনটোত ৰংপুৰ জলক্ৰীড়া সন্হাই সম্পূৰ্ণ কৰিলে একৈশ টা বৰ্ষ । উল্লেখ যে, ৰাষ্ট্ৰীয় পৰ্যায়ত সাঁতোৰ খেলত সুনাম কঢ়িয়াই অসমলৈ গৌৰৱ কঢ়িয়াই অনা আস্হাপ্ৰিয়া চৌধুৰী, উত্তৰা গগৈ ,মে' ফুকনৰ দৰে খেলুৱৈ এইৰংপুৰ জলক্ৰীড়া সন্থাৰ সৃষ্টি বৰ্ষপূৰ্তি উপলক্ষে কালি চুইমিংপুল চৌহদত অনুষ্ঠিত হয় এক প্ৰতিষ্ঠা দিৱস। চিকিৎসক উদয়াদিত্য ৰাজকোঁৱৰে পতাকা উত্তোলন কৰা উক্ত কাৰ্যসূচীত লক্ষীকান্ত মহন্তইবন্তিপ্ৰজ্বলন কৰি কাৰ্যসূচীৰ শুভ উদ্বোধন কৰা কৰে ।প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি পুলৰ শিক্ষাৰ্থী সকলৰ মাজত 'ক' শাখাৰ ২৫ মিটাৰ আৰু 'খ' শাখাৰ ৫০ মিটাৰ সাঁতোৰ প্ৰতিযোগিতা অনুষ্ঠিত হয় । প্ৰতিযোগিতাৰ অন্তত এখন সাধাৰণ সভা অনুষ্ঠিত হৈ যায় ।মণিকা শইকীয়াই সভাপতিত্ব কৰা উক্ত সভাত বিজয়ী প্ৰতিযোগী সকলক পুৰস্কৃত কৰা হয় । সভাত উপস্থিত থাকে খেলুৱৈ বিপুল শইকীয়া , উদ্যাগপতি লক্ষীকান্ত মহন্ত,পবিত্ৰ বৰঠাকুৰ,অৱসৰ প্ৰাপ্ত প্ৰৱক্তা চামচুল জামাল, পশু চিকিৎসক দিলীপ ভৰালী,শান্ত বৰঠাকুৰ,শিক্ষক ৰাজীৱ বৰুৱাৰ লগতে ছাত্ৰ ছাত্ৰী, প্ৰশিক্ষক, অভিভাৱক আৰু ভালেসংখক শুভাকাংশী ।প্ৰতিষ্ঠা দিৱস অনুষ্ঠানৰ আঁত ধৰে প্ৰতিষ্ঠাপক সম্পাদক বিপুল সন্দিকৈয়ে।

### ১৬ বছৰ অনূৰ্দ্ধ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতা

## ফাইনেলত অসমৰ অন্তৰীক্ষ-পাৰ্থিৱ, তানিয়া-আদ্ৰিকা

**গুৱাহাটী, ৯ জুন ঃ** গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত অসম টেনিছ সন্থাৰ উদ্যোগত চলি থকা ১৬ আৰু ১৮ বছৰ অনূৰ্দ্ধৰ ল'ৰা-ছোৱালীৰ আইটা চেম্পিয়নশ্বিপ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাৰ ১৬ বছৰ অনূৰ্দ্ধৰ ল'ৰাৰ ফাইনেল মেচখন অনুষ্ঠিত হ'ব অসমৰ অন্তৰীক্ষ তামুলী আৰু পাৰ্থিৱ কলিতাৰ মাজত। উল্লেখ্য যে আজি হোৱা ১৬ বছৰ অনুৰ্ধৰ ল'ৰাৰ একক শাখাৰ ছেমিফাইনেলত শীৰ্ষ বাছনিৰ অন্তৰীক্ষ তামুলীয়ে ৬-৩, ৭-৬ ৰ ব্যৱধানত পৰাস্ত কৰে মণন নাথক। আনহাতে, এই শাখাৰে আন এখন ছেমি ফাইনেলত পাৰ্থিৱ কলিতাই ৬-১, ৭-৫ ৰ ব্যৱধানত পৰাস্ত কৰে বাছনি বিহীন খেলুৱৈ আয়ান শৰ্মাক। উল্লেখ্য যে কালি ১৬ বছৰ অনুৰ্ধৰ ল'ৰাৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অঘটন ঘটাই দ্বিতীয় বাছনিৰ অসমৰে ৰিয়ান কাশ্যপক তিনিটা ছেটৰ অন্তত ৬-১, ১-৬, ৬-১ ৰ ব্যৱধানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছিল আয়ান। কিন্তু আজি ছেমিফাইনেলত তেওঁৰ যাত্ৰা অন্ত পৰে। ইফালে, ১৬ বছৰ অনুৰ্ধৰ ছোৱালীৰ একক শাখাৰ ফাইনেল মেচখন অনুষ্ঠিত হ'ব অসমৰ তানিয়া কুমাৰী আৰু আদ্ৰিকা ৰাজকুমাৰীৰ মাজত। আজি হোৱা ছেমিফাইনেলত আদ্ৰিকা ৰাজকুমাৰীয়ে ৭-৬, ৪-৬, ৬-১ৰ ব্যৱধানত পৰাস্ত কৰে বংগৰ সমৃদ্ধা বাসুক। আনহাতে এই শাখাৰে আন এখন ছেমিফাইনেলত তানিয়া কুমাৰীয়ে ৬-১, ৬-০ৰ ব্যৱধানত পৰাস্ত কৰে অসমৰ নিষ্ঠা পি বেজবৰুৱাক।

## সুনীলৰ গ'লেৰে ভাৰতৰ জয়

**কলকাতা, ৯ জুন ঃ** এছিয়ান কাপৰ যোগ্যতা অৰ্জনৰ ফাইনেল ৰাউণ্ডৰ উদ্বোধনী মেচত কম্বোডিয়াৰ বিৰুদ্ধে ২-০ গ'লত জয়লাভ কৰিছে ভাৰতে। উল্লেখ্য যে কলকাতাৰ ছল্ট লেক ষ্টেডিয়ামত অনুষ্ঠিত মেচখনত ভাৰতৰ হৈ দিয়োটা গ'ল দিয়ে খেলৰ ১৩ আৰু ৫৯ মিনিটত সুনিল চেত্ৰীয়ে। এই ডাবল ষ্ট্ৰাইকে তেওঁক পুনৰ বিশ্বৰ সক্ৰিয় ফুটবলাৰৰ ভিতৰত সৰ্বাধিক স্ক'ৰ কৰা তালিকাত তৃতীয় স্থানলৈ উত্তৰণ কৰাইছে। উল্লেখ্য যে সুনীলে ১২৭ খন মেচত ৮২ টা গ'ল দি এতিয়া পৰ্তুগালৰ ছুপাৰষ্টাৰ ক্ৰিষ্টিয়ানো ৰোনাল্ডো (১১৭) আৰু আৰ্জেণ্টিনাৰ লিয়নেল মেছিৰ (৮৬) পিছতে আছে। ভাৰতে অহা শনিবাৰে আফগানিস্তান আৰু ১৪ জুনত হংকঙৰ মুখামুখি হ'ব।



ভাৰত-দক্ষিণ আফ্ৰিকাৰ মাজত অনুষ্ঠিত প্ৰথমখন টি-২০ মেচৰ এটি মুহূৰ্ত

## আমাৰ লক্ষ্য মেচত জয়ী, কোনো অভিলেখ গঢ়া নহয় ঃ ৰাহুল



**নতুন দিল্লী, ৯ জুন ঃ** টীম ইণ্ডিয়াই দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে পাঁচ খন মেচৰ এক টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলাত অংশ লৈছে। দেশৰ মাটিত অনুষ্ঠিত হোৱা এই টি-২০ শৃংখলাৰ প্ৰথমখন মেচ ইতিমধ্যে আজি আৰম্ভ হয়। শৃংখলাটোৰ পূৰ্বে টীম ইণ্ডিয়াৰ প্ৰশিক্ষক ৰাহুল দ্ৰাবিড়ে এক সংবাদমেল সম্বোধন কৰি ভাৰতীয় দলৰ প্ৰস্তুতিৰ বিষয়ে ব্যাখ্যা কৰিছে। দ্ৰাবিড়ে কয় 'আমি ৰেকৰ্ডৰ বাবে নহয়, দেশৰ বাবে মেচ জয় কৰিবলৈহে খেলিম।' উল্লেখ্য যে শৃংখলাৰ প্ৰথমখন মেচ জয় কৰিব পাৰিলেই ভাৰতীয় দলটোৰে একেবাহে ১৩ খন টি-২০ মেচ জয় কৰা বিশ্বৰ প্ৰথম দল হিচাপে পৰিচিত হৈ পৰিব। বৰ্তমানলৈকে ভাৰতীয় দলটোৱে এখন মেচত পৰাজয় বৰণ নকৰাকৈ মুঠ ১২ খনত জয়লাভ কৰিছে। এই প্ৰসংগত সংবাদ মেলত ৰাহুল দ্ৰাবিড়ে কয়, 'মই কোনো ৰেকৰ্ডৰ বিষয়ে চিন্তা কৰা নাই। আমি দেশৰ হৈ খেলিব লাগিব আৰু জিকিব লাগিব। যদি আমি ভাল খেলিব নোৱাৰো, আমি সেই পৰাজয়ৰ পৰা শিকিব লাগিব। এইটো বিষয়ত দলটোৱে গুৰুত্ব আৰোপ কৰিছে।' ইফালে তিনি বছৰৰ পিছত টীম ইণ্ডিয়ালৈ উভতি আহিছে বিস্ফোৰক বেটছমেন দীনেশ কাৰ্তিক। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ লোৱা নাছিল যদিও কাৰ্তিকে আই পি এলক বাদ দি আন ক্ৰিকেটৰ পৰা প্ৰায় আঁতৰি আছিল। আই পি এলত দেখুওৱা প্ৰদৰ্শনে দীনেশ কাৰ্তিকক ভাৰতীয় দলত ল'বলৈ বাধ্য কৰালে। এইগৰাকী উইকেট কীপাৰ বেটছমেন সন্দৰ্ভত ৰাহুল দ্ৰাবিড়ে কয়, 'দীনেশক তেওঁৰ ভূমিকা সম্পৰ্কে স্পষ্টকৈ কোৱা হৈছে। দীনেশক খেল শেষ কৰাৰ দায়িত্ব দিয়া হৈছে। কাৰ্তিকে আই পি এলত কৰাৰ দৰেই, টীম ইণ্ডিয়াৰ বাবেও মেচ জয়েৰে সমাপ্ত কৰিব লাগিব। এই বাবেই তেওঁক ভাৰতীয় দলত স্থান দিয়া হৈছে।'

### আইটা চেম্পিয়নশ্বিপ টেনিছত বৰষুণৰ বাধা

## নৈশালোকত সমাপ্ত হ'ল ছেমি, আজি সকলো শাখাৰে ফাইনেল

**গুৱাহাটী, ৯ জুন ঃ** গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত অসম টেনিছ সন্থাৰ উদ্যোগত চলি থকা ১৬ আৰু ১৮ বছৰ অনূৰ্দ্ধৰ ল'ৰা-ছোৱালীৰ আইটা চেম্পিয়নশ্বিপ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাৰ আজিৰ খেলত বৰষুণে বাধাৰ সৃষ্টি কৰে। সেয়ে দিনৰ প্ৰথমভাগত এখনো মেচ অনুষ্ঠিত নহ'ল। অৱশ্যে দ্বিতীয় ভাগত বতৰে সহায় কৰাত খেল অনুষ্ঠিত হয় আৰু নিশালৈ লাইটৰ পোহৰত খেল আয়োজন কৰা হয়। উল্লেখ্য যে ১৬ বছৰ অনূৰ্দ্ধৰ ল'ৰা-ছোৱালীৰ একক শাখাৰ ফাইনেল মেচ অসমৰ খেলুৱৈৰ মাজতে অনুষ্ঠিত হোৱাটো নিশ্চিত হৈছে। কিন্তু ১৮ বছৰ অনূৰ্দ্ধৰ ল'ৰাৰ একক শাখাৰ ছেমিফাইনেলত অসমৰ বেদ আদিত্য কলিতাক ৬-০, ৬-১ ৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে কৰ্ণাটকৰ মানৱ হৰিৰাজ। এই শাখাৰে আন এখন ছেমিফাইনেলত মনন নাথৰ বিৰুদ্ধে খেলিব অন্তৰীক্ষ তামুলীয়ে। ইফালে, ১৮ বছৰ অনূৰ্দ্ধৰ ছোৱালীৰ একক শাখাৰ ছেমিফাইনেলত অসমৰ বিষ্ণুপ্ৰিয়া বৰগোঁহায়ে ৫-৭, ৬-০, ৬-৪ ৰ ব্যৱধানত অঞ্চিতা শুক্লাক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। এই শাখাৰে আন এখন ছেমিফাইনেলত অসম কন্যা তানিয়া কুমাৰীয়ে খেলিব বংগৰ য়শবি শৰ্মাৰ বিৰুদ্ধে। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি কাইলৈ পুৱা ৭.৩০ বজাত আৰম্ভ হ'ব ল'ৰা-ছোৱালীৰ একক আৰু ডাবলছ শাখাৰ ফাইনেল মেচ।

### জিয়াউৰ ৰহমান আন্তঃবিদ্যালয় ফুটবল

## ব্ৰনছন এণ্ড ব্ৰাউন ছেমি ফাইনেলত

**গুৱাহাটী, ৯ জুন ঃ** মৰাণ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত মৰাণ মহাবিদ্যালয় খেলপথাৰত চলি থকা জিয়াউৰ ৰহমান মৰাণ আন্তঃবিদ্যালয় ফুটবলত ব্ৰনছন এণ্ড ব্ৰাউন ইংলিছ একাডেমীয়ে ছেমিফাইনেলত প্ৰৱেশ কৰিছে। আজি ব্ৰনচন এণ্ড ব্ৰাউন ইংলিছ একাডেমী আৰু মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মাজত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেল খেলত ব্ৰনছন এণ্ড ব্ৰাউন ইংলিছ একাডেমীয়ে মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ক সামগ্ৰিকভাৱে ৬-৫ গ'লৰ ব্যৱধানত পৰাজিত কৰে। খেলৰ ছয় মিনিটতে ব্ৰনচনৰ দ্বীপৰাজ গগৈয়ে গ'ল দিয়ে যদিও মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হৰিদেৱ বাতুৰীয়ে ২৬ মিনিটত গ'লটো পৰিশোধ কৰে। ৩৪ মিনিটত ব্ৰনচনৰ দিপাংকৰ কিষাণে গ'ল দি দলক অগ্ৰগতি প্ৰদান কৰে যদিও মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হেমন্ত তাতীয়ে ৪৯ মিনিটত গ'ল দি সমতা স্থাপন কৰে। পাছত টাইব্ৰেকাৰতব্ৰনচনে চাৰি গ'ল দিয়াৰ বিপৰীতে মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে তিনি গল দিবলৈ সক্ষম হয়। ১১ জুনৰ ছেমিতব্ৰনচনে দমন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

## ইণ্ডোনেছিয়া মাষ্টাৰ্ছৰ কোৱাৰ্টাৰ ফাইনেলত লক্ষ্য

**নতুন দিল্লী, ৯ জুন ঃ** বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপৰ ব্ৰঞ্জৰ পদক বিজয়ী ভাৰতৰ লক্ষ্য সেনে আজি ডেনমাৰ্কৰ ৰাছমাছ গেমকেৰ বিৰুদ্ধে পোনপটীয়া ছেটত জয়লাভ কৰি চলিত ইণ্ডোনেছিয়া মাষ্টাৰ্ছ ছুপাৰ বেডমিণ্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে বেংককত ঐতিহাসিক থমাছ কাপৰ খিতাপ জয় কৰা ভাৰতীয় দলটোৰ সদস্য ২০ বছৰীয়া লক্ষ্যই ৫৪ মিনিটত বিশ্বৰ ১৩ নম্বৰ খেলুৱৈ গেমকেক ২১-১৮ ২১-১৫ত পৰাস্ত কৰে। সপ্তম স্থানত থকা সেনে পৰৱৰ্তী মেচত চীনা টাইপেইৰ তৃতীয় বাছনিৰ চৌ টিয়েন চেনৰ বিৰুদ্ধে খেলিব।




## খেলো ইণ্ডিয়াৰ সাঁতোৰত অসমৰ হৈ দ্বিতীয়টো পদক লাভ আস্থা চৌধুৰীৰ

**গুৱাহাটী, ৯ জুন ঃ** অসমৰ আস্থা চৌধুৰীয়ে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত দ্বিতীয়টো পদক লাভ কৰিবলৈ সক্ষম হৈছে। আজি অনুষ্ঠিত হোৱা ছোৱালীৰ ১০০ মিটাৰ বাটাৰফ্লাই শাখাত আস্থাই ৰূপৰ পদক লাভ কৰে। তেওঁ সময় লয় এক মিনিট ০৩.৮৯ ছেকেণ্ড। ইয়াৰপূৰ্বে ২০০ মিটাৰ ফ্ৰী-ষ্টাইল শাখাত কালি আস্থা চৌধুৰীয়ে ব্ৰঞ্জ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছিল। আজি ছোৱালীৰ ১০০ মিটাৰ বাটাৰফ্লাই শাখাত আস্থাই ৰূপৰ পদক লাভ কৰাৰ লগতে ব্ৰঞ্জৰ পদকটোও অসমৰে উত্তৰা গগৈয়ে লাভ কৰে যদিও তেওঁ চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত দিল্লীৰ হৈ খেলাত পদক তালিকাত তেওঁৰ সফলতা দিল্লীৰূপে চিহ্নিত হ'ব। উল্লেখ্য যে ইয়াৰপূৰ্বে কালিয়ো ছোৱালীৰ ৫০ মিটাৰ বাটাৰফ্লাই শাখাত অসম কন্যা উত্তৰা গগৈয়ে ব্ৰঞ্জৰ পদক লাভ কৰিছিল। কিন্তু তেওঁৰ দুয়োটা পদকে অসমৰ পৰিবৰ্তে দিল্লীৰ নামত আছে ছাইৰ নিয়ম অনুসৰি। কাৰণ চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত যোগ্যতা অৰ্জনৰ সময়ত উত্তৰাই দিল্লীৰ হৈ খেলিছিল। উল্লেখ্য যে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে মুঠ ১৬ টা পদক লাভ কৰিছে। ইয়াৰে দুটা সোণ, আঠটা ৰূপ আৰু ছটা ব্ৰঞ্জ। উল্লেখ্য যে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে থাংটাত সৰ্বাধিক আঠটা পদক লাভ কৰাৰ বিপৰীতে চাৰিটা পদক লাভ কৰিছে ভাৰোত্তোলনত। আনহাতে সাঁতোৰত দুটা তথা যোগাসন আৰু জিমনাষ্টিকছত এটাকৈ পদক লাভ কৰিছে অসমে। ভাৰোত্তোলনত অসমৰ সুদিত্য বৰুৱাই ৮৯ কিলোগ্ৰাম শাখাত সোণ লাভ কৰিবলৈ সক্ষম হয়। এয়া চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমৰ দ্বিতীয়টো সোণ। ইয়াৰপূৰ্বে ভাৰোত্তোলনত অসমৰ ত্ৰিদীপ বৰুৱাই ৮১ কিলোগ্ৰাম শাখাত ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে প্ৰবাল প্ৰতিম গগৈয়েও ভাৰোত্তোলনৰ ৭৩ কিলোগ্ৰাম শাখাত খেলি চতুৰ্থ খেলো ইণ্ডিয়াত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। ইফালে, ক্ৰমাগত দ্বিতীয়খন খেলো ইণ্ডিয়াত পদক লাভ কৰাৰ গৌৰৱময় সফলতা লাভ কৰিছে অসমৰ জিমনাষ্টিকছ খেলুৱৈ উপাশা তালুকদাৰে। ৰিডমিক জিমনাষ্টিকছত অসম কন্যা উপাশাই ব্ৰঞ্জৰ পদক লাভ কৰে। উল্লেখ্য যে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমক প্ৰথমটো সোণ দিয়াৰ গৌৰৱময় সফলতা লাভ কৰে থাংটা খেলুৱৈ ৰাজা সিনহাই। ইফালে, থাংটাত ৰূপৰ পদক লাভ কৰে উৰ্মিলা শৰ্মা আৰু ম'নালী গগৈয়ে। আনহাতে, থাংটাত অসমক পদক দিয়ে সুৰজ সিঙে ব্ৰঞ্জ লাভ কৰি। ইফালে, অসমৰ হৈ এটা ৰূপৰ পদক লাভ কৰে যোগাসনত সুমিত দে। ইয়াৰপূৰ্বে অসমৰ থাংটাৰ তিনি খেলুৱৈ ৰাহুল চৌহান, য়াইখ'ম্বা আৰু ইলিনাই ৰূপৰ পদক অৰ্জন কৰাৰ লগতে এম সান্তামনিয়ে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হৈছিল। আনহাতে, ভাৰোত্তোলনত প্ৰথমে ৰেখামণি গগৈয়ে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হৈছিল।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেঙ্গি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি